www.asombarta.in

শুদ্ধ আৰু আপোচহীন বার্তাৰ প্ৰতীক

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

পৰিস্থিতি যিমানেই ভয়ংকৰ নহওক কিয়, দৃঢ়তা আৰু আত্মবিশ্বাস থাকিলে জয়লাভ সুনিশ্চিত। - পিয়েৰ টেলহার্ড

অসম বার্তা

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বার্তা' কাকতত জবিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বার্তা' গোষ্ঠী -

প্ৰথম বছৰ ❑ সংখ্যা- ৩০৪ ❑ শনিবাৰ ❑ ১২ ছেপ্টেম্বৰ, ২০২৬ চন ❑ Volume/Year- I ❑ Issue- 304 ❑ Saturday ❑ 12th September, 2026 ❑ Asom Barta, Majuli ❑ PRGI Reg. No.- ASASS/25/A2361 ❑ Price- Rs. 10 ❑ Total Page-8

■ সজাই তোলা হৈছে দেশৰ ৰাজধানী নতুন দিল্লী ■

আজিৰে পৰা নতুন দিল্লীত ব্ৰিকছ শীৰ্ষ সন্মিলন

এইবাৰৰ ব্ৰিকছ শীৰ্ষ সন্মিলনৰ থীম বা মূল বিষয়বস্তু হ'ল সহনশীলতা, উদ্ভাৱন, সহযোগিতা আৰু স্থিৰতাৰ নির্মাণ



নেশ্যনেল ডেস্ক, অসম বার্তা, ১১ ছেপ্তেম্বৰ ঃ ১৮ সংখ্যক ব্ৰিকছ শীৰ্ষ সন্মিলনৰ পূর্বে শুক্ৰবাৰে নতুন দিল্লীত অনুষ্ঠিত ব্ৰিকছ বিজনেছ ফ'ৰামত ইৰাণৰ ৰাষ্ট্ৰপতি মাছুদ পেজেছকিয়ানে ভাষণ প্ৰদান কৰে। এই সন্মিলনত অংশগ্ৰহণৰ বাবে তেওঁ ইতিমধ্যে নতুন দিল্লীত উপস্থিত হৈছে। ভাষণত পেজেছকিয়ানে কয় যে বর্তমান বিশ্বই অন্যতম জটিল সময়ছোৱাৰ মাজেৰে পাৰ হৈ গৈছে। ভূ-ৰাজনৈতিক অনিশ্চয়তা, যোগান শৃংখলত ব্যাঘাত আৰু ৰাজনৈতিক হেঁচা প্ৰয়োগৰ বাবে অর্থনৈতিক যন্ত্ৰৰ ব্যৱহাৰ বৃদ্ধিয়ে দেশসমূহৰ অর্থনৈতিক পৰিবেশ অধিক জটিল কৰি তুলিছে। এনে প্ৰেক্ষাপটত ব্ৰিকছে কেনে সঁহাৰি দিব-সেয়া এটিয়া গুৰুত্বপূর্ণ প্ৰশ্ন। ইৰাণৰ ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, "ব্ৰিকছৰ প্ৰকৃত শক্তি কেবল ইয়াৰ সদস্যসকলৰ অর্থনীতিৰ আকাৰত সীমাবদ্ধ নহয়। এই ক্ষমতাসমূহ যেতিয়া বাণিজ্য, বিনিয়োগ আৰু যৌথ বিত্তীয় সাহায্যৰ নেটৱৰ্কলৈ ৰূপান্তৰিত হয়, তেতিয়া ই অধিক স্পষ্ট হৈ পৰে।" তেওঁ সম্ভাব্য সহযোগিতাৰ পৰা কার্যকৰী সহযোগিতালৈ ৰূপান্তৰ বাবে আহ্বান জনায়। ব্ৰিকছ বিজনেছ ফ'ৰামৰ ❑ ৬ পৃষ্ঠাত

১৭ ছেপ্টেম্বৰৰ পৰা ১৭ অক্টোবৰলৈ বিজেপি অসম প্ৰদেশৰ 'সেৱা সংকল্প অভিযান'

সেৱাৰ সংকল্প ল'লেহে সমাজত প্ৰকৃত পৰিৱর্তন সম্ভৱ ঃ মুখ্যমন্ত্ৰী

নিজস্ব ডেস্ক, অসম বার্তা, ১১ ছেপ্টেম্বৰ ঃ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শর্মাই ফেচবুকত প্ৰকাশ কৰা এক পোষ্টত কয় যে সেৱাৰ সংকল্প ল'লেহে সমাজত প্ৰকৃত পৰিৱর্তন আনিব পাৰি। মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ এই আদর্শৰ দ্বাৰা অনুপ্ৰাণিত হৈ তেখেতৰ ২৫ বছৰীয়া অবিৰত ❑ ৬ পৃষ্ঠাত

ৰাষ্ট্ৰীয় নেতৃত্ব নগাঁৰৰ প্ৰার্থী হিচাপে শর্মাৰ নাম ঘোষণা

নগাঁও লোকসভা সমষ্টিৰ উপ-নির্বাচনত বিজেপিৰ হৈ প্ৰতিদ্বন্দ্বিতা কৰিব দেৱাশিস শর্মাই



ষ্টাফ বিপৰ্টাৰ, অসম বার্তা, ১১ ছেপ্টেম্বৰ ঃ অৱশেষত সকলো জল্পনা-কল্পনাৰ অৱসান ঘটাই ভাৰতীয় জনতা পার্টি (বিজেপি)য়ে চৰ্চিত নগাঁও লোকসভা সমষ্টিৰবাবে দেৱাশিস শর্মাক আনুষ্ঠানিকভাৱে প্ৰার্থিত্ব প্ৰদান কৰিছে। প্ৰার্থিত্ব ঘোষণাৰ পিছতেইৰাজ্যৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শর্মাই এই ❑ ৬ পৃষ্ঠাত

নতুন দিল্লীত উপস্থিত ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিন; ভাৰত-ৰাছিয়া সম্পর্কক 'বহুমুখী আৰু দীর্ঘদিনীয়া' বুলি প্ৰশংসা

BRICS শীৰ্ষ সন্মিলনৰ পূর্বে প্ৰধানমন্ত্ৰী মোদীৰ আশাবাদ ঃ অর্থপূর্ণ আলোচনাৰ পথ মুকলি হ'ব



নেশ্যনেল ডেস্ক, অসম বার্তা, ১১ ছেপ্তেম্বৰ ঃ ১২-১৩ ছেপ্তেম্বৰত নতুন দিল্লীত অনুষ্ঠিত হ'বলগীয়া ১৮ সংখ্যক BRICS শীৰ্ষ সন্মিলনৰ পূর্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শুক্ৰবাৰে আত্মবিশ্বাস প্ৰকাশ কৰে যে এই সন্মিলনে বিভিন্ন বিষয়ত অর্থপূর্ণ আলোচনাৰ পথ প্ৰশস্ত কৰিব। এক্সত এখন পোষ্ট কৰি মোদীয়ে কয়, "আগন্তুক কেইটামান দিনত বিশ্বৰ বিভিন্ন প্ৰান্তৰ নেতাসকলে ট্ৰুথাট্টত্ৰ শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰিবলৈ একত্ৰিত হ'ব। আমি আত্মবিশ্বাসী যে বিশ্বকল্যাণৰ লক্ষ্যৰে এই শীৰ্ষ সন্মিলনে বিভিন্ন বিষয়ত ইতিবাচক আৰু অর্থপূর্ণ আলোচনাৰ পথ মুকলি কৰিব।" ১২ ছেপ্তেম্বৰৰ পৰা নতুন দিল্লীৰ ভাৰত মণ্ডপমত ১৮ সংখ্যক BRICS সন্মিলন আৰম্ভ হ'ব আৰু দেওবাৰলৈকে ই চলিব। এই ❑ ৬ পৃষ্ঠাত

সম্ভাব্য সহযোগিতাক কার্যকৰী ৰূপ দিয়াৰ আহ্বান

ব্ৰিকছ ব্যৱসায়িক মঞ্চত ইৰাণৰ ৰাষ্ট্ৰপতি

নেশ্যনেল ডেস্ক, অসম বার্তা, ১১ ছেপ্তেম্বৰ ঃ ১৮ সংখ্যক ব্ৰিকছ শীৰ্ষ সন্মিলনৰ পূর্বে শুক্ৰবাৰে নতুন দিল্লীত অনুষ্ঠিত ব্ৰিকছ বিজনেছ ফ'ৰামত ইৰাণৰ ৰাষ্ট্ৰপতি মাছুদ পেজেছকিয়ানে ভাষণ প্ৰদান কৰে। এই সন্মিলনত অংশগ্ৰহণৰ বাবে তেওঁ ইতিমধ্যে নতুন দিল্লীত উপস্থিত হৈছে। ভাষণত পেজেছকিয়ানে কয় যে বর্তমান বিশ্বই অন্যতম জটিল সময়ছোৱাৰ মাজেৰে পাৰ ❑ ৬ পৃষ্ঠাত



বিশ্ব নেতৃত্বৰ ঐতিহাসিক দায়িত্ব ব্ৰিকছৰ ঃ ডঃ হিমন্ত বিশ্ব শর্মা

বিশ্বৰ আগশাৰীৰ নেতাসকলে শান্তি-সমৃদ্ধিৰ স্বার্থত কাম কৰিব বুলি আশা মুখ্যমন্ত্ৰীৰ



নেশ্যনেল ডেস্ক, অসম বার্তা, ১১ ছেপ্তেম্বৰ ঃ নতুন দিল্লীৰ ভাৰত মণ্ডপমত শনিবাৰৰ পৰা দুদিনীয়া কার্যসূচীবে ব্ৰিকছ সন্মিলন চঞ্চছ অনুষ্ঠিত হ'ব। এই সন্মিলনত অংশগ্ৰহণৰ বাবে সমগ্ৰ বিশ্বৰ আগশাৰীৰ নেতাসকল ভাৰতত উপস্থিত হৈছে। অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শর্মাই ব্ৰিকছ সন্মিলন সন্দর্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে সাম্প্ৰতিক বিশ্ব সংকট, বিশেষকৈ হুমুজ প্ৰণালীক কেন্দ্ৰ কৰি সৃষ্টি হোৱা ❑ ৬ পৃষ্ঠাত

২০৩০ চনলৈ দ্বিপাক্ষিক বাণিজ্য ১০০ বিলিয়ন ডলাৰলৈ বৃদ্ধিৰ লক্ষ্য

ব্ৰিকছ সন্মিলনৰ পূর্বে পুটিনৰ সৈতে মোদীৰ দ্বিপাক্ষিক বৈঠক



নেশ্যনেল ডেস্ক, অসম বার্তা, ১১ ছেপ্তেম্বৰ ঃ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনৰ মাজত শুক্ৰবাৰে দিল্লীত এক দ্বিপাক্ষিক বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত ২০৩০ চনৰ ভিতৰত বার্ষিক দ্বিপাক্ষিক বাণিজ্য ১০০ বিলিয়ন মার্কিন ডলাৰলৈ বৃদ্ধি কৰা আৰু প্ৰতিৰক্ষা, শক্তি তথা জটিল খনিজ পদার্থৰ ক্ষেত্ৰত সহযোগিতা অধিক শক্তিশালী কৰাৰ বিষয়ে আলোচনা কৰা হয়। উল্লেখ্য, ব্ৰিকছ সন্মিলনত অংশগ্ৰহণৰ বাবে ❑ ৬ পৃষ্ঠাত

শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত বিজেপিৰ ৰাজ্যিক কার্যনির্বাহক সভা

কংগ্ৰেছত এতিয়া 'সেনাপতি আছে, সৈন্য নাই' ঃ ডঃ হিমন্ত বিশ্ব শর্মা

ষ্টাফ বিপৰ্টাৰ, অসম বার্তা, ১১ ছেপ্তেম্বৰ ঃ পুনৰ কংগ্ৰেছক কটাক্ষ কৰি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শর্মাই কয় যে অসমত অহা ২০ বছৰলৈ কংগ্ৰেছৰ প্ৰত্যাবর্তন নহ'ব। শুক্ৰবাৰে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত বিজেপিৰ ৰাজ্যিক কার্যনির্বাহক সভা অনুষ্ঠিত হয়। এই কার্যনির্বাহক সভাৰ পূর্বে মন্ত্ৰী-বিধায়কসকলৰ সৈতে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শর্মা আৰু ৰাজ্যিক সভাপতি দিলীপ শইকীয়াৰ এক বৈঠক অনুষ্ঠিত হয়। কার্যনির্বাহক সভাৰ ❑ ৬ পৃষ্ঠাত

বাংলাদেশক পৰাস্ত কৰি টি-২০ এছিয়া কাপৰ ফাইনেললৈ ভাৰতীয় মহিলা ক্ৰিকেট দল



অনলাইন ডেস্ক, অসম বার্তা, ১১ ছেপ্তেম্বৰ ঃ হৰমনপ্ৰীত কৌৰৰ নেতৃত্বাধীন ভাৰতীয় মহিলা ক্ৰিকেট দলে ডুবাইত অনুষ্ঠিত টি-২০ মহিলা এছিয়া কাপ ২০২৬ৰ ফাইনেলত নিজৰ স্থান সুৰক্ষিত কৰিছে। বৃহস্পতিবাৰে অনুষ্ঠিত এখন ৰোমাঞ্চকৰ ছেমিফাইনেলত চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশক ৪০ ৰানৰ বৃহৎ ব্যবধানত পৰাস্ত কৰি টীম ইণ্ডিয়াই এই গৌৰৱ অর্জন কৰে। টছত জয়লাভ কৰি বাংলাদেশৰ দলে ❑ ৬ পৃষ্ঠাত


মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰৰ অধ্যক্ষতাত দিশপুৰত বিভাগীয় সভা

গাফিলতিৰ অভিযোগত Meechfeb Engineering Industries Pvt. Ltd. ব্লেকলিষ্ট কৰাৰ নির্দেশ

ষ্টাফ বিপৰ্টাৰ, গুৱাহাটী ১১ ছেপ্তেম্বৰ ঃ সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ অধীনত ৰূপায়ণ হৈ থকা বিভিন্ন আঁচনি আৰু উন্নয়নমূলক কাম-কাজৰ অগ্ৰগতি সম্পর্কত শুক্ৰবাৰে দিশপুৰস্থিত চৰকাৰী কার্যালয়ত এখন পর্যালোচনা সভা অনুষ্ঠিত হয়। বিভাগীয় মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰৰ অধ্যক্ষতাত অনুষ্ঠিত এই সভাত বিভাগটোৰ অধীনত চলি থকা বিভিন্ন আন্তঃগাঁথনিমূলক প্ৰকল্পৰ অগ্ৰগতি, ৰূপায়ণৰ ক্ষেত্ৰত দেখা দিয়া সমস্যা আৰু নির্ধাৰিত সময়সীমাৰ ভিতৰত কাম সম্পূর্ণ কৰাৰ বিষয়ত ❑ ৬ পৃষ্ঠাত

গুৱাহাটী, বিজনী, শোলমাৰী, মাজুলী, ছয়গাঁও, চিলাপথাৰ আৰু ওদালগুৰিসহ বিভিন্ন স্থানত প্ৰতিবাদী কার্যসূচী

জৰাজীর্ণ পথৰ মেৰামতিৰ দাবীত ৰাজ্যজুৰি আছুৰ মানৰ শৃংখল



নিজস্ব ডেস্ক, অসম বার্তা, ১১ ছেপ্তেম্বৰ ঃ শুক্ৰবাৰে ৰাজ্যজুৰি সদৌ অসম ছাত্ৰ সম্থহঁ (আছু) মানৰ শৃংখল কার্যসূচী ৰূপায়ণ কৰে। শ শ আছু নেতা-কর্মীয়ে হাতে হাতে বেনাৰ-পোষ্টাৰ লৈ চৰকাৰৰ বিৰুদ্ধে বিভিন্ন শ্লোগান দি পৰিবেশ উত্তাল কৰি তোলে। ৰাজ্যৰ ৰাষ্ট্ৰীয় ঘহঁপথকে আদিকৰি জৰাজীর্ণ পথসমূহ মেৰামতিৰ দাবীত আছুৰে উজনি-নামনিৰ লগতে মধ্য অসমতো এই প্ৰতিবাদী কার্যসূচী ৰূপায়ণ কৰে। ❑ ৬ পৃষ্ঠাত

■ বাক্সা কাৰাগাৰত আদালতৰ নথিৰ জালিয়াতিৰ অভিযোগ ■

শ্যামকানু মহন্তৰ স্বাক্ষৰৰ বাবে প্ৰেৰণ কৰা নথিত বিসংগতি

ষ্টাফ বিপৰ্টাৰ, অসম বার্তা, ১১ ছেপ্তেম্বৰ ঃ বাক্সা কাৰাগাৰত আদালতৰ নথি জালিয়াতিৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। জানিব পৰা মতে, ফাষ্ট ট্ৰেক আদালতৰ পৰা বাক্সা কাৰাগাৰলৈ এখন বিশেষ নথি প্ৰেৰণ কৰা হৈছিল। উক্ত নথিখন শ্যামকানু মহন্তৰ চহী সংগ্ৰহৰ বাবে প্ৰেৰণ কৰা হৈছিল। আদালতে এই নথিখন কাৰাগাৰ অধীক্ষকলৈ প্ৰেৰণ কৰিছিল। কিন্তু বহুসাজনকভাৱে আদালতে প্ৰেৰণ কৰা ❑ ৬ পৃষ্ঠাত

শুদ্ধ নথি শীঘ্ৰেই আদালতত দাখিল কৰাৰ নির্দেশ

মালিগাঁৰৰ কামাখ্যা নার্ছিং হোমত অগ্নিকাণ্ড

জেনেৰেটৰত শর্ট ছার্কিটৰ পৰা জুইৰ সূত্রপাত

ষ্টাফ বিপৰ্টাৰ, গুৱাহাটী, ১১ ছেপ্তেম্বৰ ঃ মহানগৰীৰ মালিগাঁৰত অবস্থিত কামাখ্যা নার্ছিং হোমত আজি এক বিধ্বংসী অগ্নিকাণ্ড সংঘটিত হয়। প্ৰাথমিক তথ্য অনুসৰি জেনেৰেটৰত শর্ট ছার্কিট হৈ জুইৰ সূত্রপাত ঘটে। ইয়াৰ পিছত জুইখিনি দ্রুতভাৱে প্ৰথম মহলাৰ পৰা তৃতীয় মহলালৈকে বিয়পি পৰে। অগ্নিকাণ্ডৰ ফলত তৃতীয় মহলাত ❑ ৬ পৃষ্ঠাত

অখিল গগৈলৈ দেৱব্ৰত শইকীয়াৰ মুকলি পত্ৰ

নগাঁও উপ-নির্বাচনত ৰাইজৰ দলৰ স্পষ্ট স্থিতিৰ দাবী



নিজস্ব ডেস্ক, অসম বার্তা, ১১ ছেপ্তেম্বৰ ঃ শেহতীয়াকৈ কংগ্ৰেছ নেতা দেৱব্ৰত শইকীয়াই ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈলৈ এখন পত্ৰ প্ৰেৰণ কৰি কেইবাটাও গুৰুত্বপূর্ণ বিষয় উত্থাপন কৰিছে। এই পত্ৰত তেওঁ ডঃ হীৰেন গোহাঁইক লৈ অখিল গগৈৰ প্ৰতিক্ৰিয়াৰ তীব্ৰ সমালোচনা কৰিছে। লগতে নগাঁও লোকসভা উপ-নির্বাচনত ৰাইজৰ দলৰ স্থিতি স্পষ্ট কৰাৰ দাবী জনাইছে। শইকীয়াই কয় যে শিৱসাগৰ সমষ্টিৰ বানাক্রান্ত ৰাইজৰ হকে বিধায়ক অখিল গগৈয়ে কৰা কাম-কাজত তেওঁ সন্তোষ প্ৰকাশ কৰে। কিন্তু বিশিষ্ট চিন্তাবিদ তথা শিক্ষাবিদ ডঃ হীৰেন গোহাঁইক গগৈয়ে যি ধৰণে ❑ ৬ পৃষ্ঠাত

বানাক্রান্ত ছাত্ৰ-ছাত্ৰীৰ বাবে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা ১.৫৬ কোটি টকা অনুমোদিত

শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ ৫, ১৫৮ গৰাকী স্নাতক-স্নাতকোত্তৰ শিক্ষার্থীক অধ্যয়ন সামগ্ৰী ক্ৰয়ত সহায়

ষ্টাফ বিপৰ্টাৰ, গুৱাহাটী, ১১ ছেপ্তেম্বৰ ঃ শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ বানাক্রান্ত ছাত্ৰ-ছাত্ৰীক সহায় কৰাৰবাবে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা ১.৫৬ কোটি টকা হস্তান্তৰ বাবে অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শর্মাই ❑ ৬ পৃষ্ঠাত

দেশজুৰি আজি চলিত বর্ষৰ তৃতীয়খন ৰাষ্ট্ৰীয় লোক আদালত

অনলাইন ডেস্ক, অসম বার্তা, ১১ ছেপ্তেম্বৰ ঃ দেশজুৰি আজি চলিত বর্ষৰ তৃতীয়খন ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হ'ব। লোক আদালতৰ জবিয়তে দেৱানী, আপোচহীন ফৌজদাৰী, চেক বাউন্স, বৈবাহিক- ❑ ৬ পৃষ্ঠাত

নিৰীহ প্ৰাণ হেৰুওৱাসকললৈ প্ৰধানমন্ত্ৰী মোদীৰ শ্ৰদ্ধাঞ্জলি

৯/১১ আক্ৰমণৰ ২৫ বছৰ



নিজস্ব ডেস্ক, অসম বার্তা, ১১ ছেপ্তেম্বৰ ঃ আমেৰিকাৰ মাটিত সংঘটিত মানৱ ইতিহাসৰ অন্যতম ভয়ংকৰ ৯/১১ সন্ত্ৰাসবাদী আক্ৰমণৰ আজি ২৫ বছৰ সম্পূর্ণ হৈছে। ২০০১ চনৰ ১১ ছেপ্তেম্বৰৰ সেই ভয়াবহ আক্ৰমণত প্ৰাণ হেৰুওৱা অসংখ্য নিৰীহ লোকক সমগ্ৰ বিশ্বই শ্ৰদ্ধাৰে স্মৰণ কৰিছে। এই বিশেষ দিনটোত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও আক্ৰমণত নিহত লোকসকলক গভীৰ শ্ৰদ্ধাৰে স্মৰণ কৰাৰ লগতে তেওঁলোকৰ পৰিয়ালবর্গলৈ সমবেদনা জ্ঞাপন কৰে। শুক্ৰবাৰে 'এক্স'ত এক বার্তাযোগে প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে ❑ ৬ পৃষ্ঠাত

আপকু দৰং জিলাৰ উদ্যোগত 'ছাত্ৰ নেতা মণিময় গোস্বামী সোঁৱৰণী বঁটা' জ্যেষ্ঠ সাংবাদিক হোমেন কাকতি আৰু ৰণজিত কুমাৰ নাথক প্ৰদান

অসম বাৰ্তা, পাথৰিঘাট, ১১ ছেপ্টেম্বৰ ঃ আপকু দৰং জিলা সমিতিৰ উদ্যোগত ছাত্ৰ নেতা মণিময় গোস্বামী সোঁৱৰণী বঁটা দৰং জিলাৰ দুগৰাকী বিশিষ্ট আৰু জ্যেষ্ঠ সাংবাদিক অসমীয়া প্ৰতিদিন কাকতৰ মঙলদৈস্থ সাংবাদিক তথা মঙলদৈ প্ৰেছক্লাবৰ সভাপতি হোমেন কাকতি আৰু ছেটেলাইট নিউজ চেনেল নিউজ লাইভ আৰু নিয়মীয়া বাৰ্তা কাকত ছিপাঝাৰস্থ সাংবাদিক ৰণজিত কুমাৰ নাথক ছাত্ৰ নেতা মণিময় গোস্বামী সোঁৱৰণী সাংবাদিকতা বঁটা -২০২৬ প্ৰদান কৰা হয়। গোলাঘাট আইন মহাবিদ্যালয়ৰ অধ্যক্ষা, প্ৰয়াত ছাত্ৰ নেতা গৰাকীৰ সহধৰ্মিনী ড° ভূমিকা গোস্বামীৰ পৃষ্ঠপোষকতাত সাংবাদিক সংগঠন আসাম প্ৰেছ কৰেছপণ্ডেণ্টছ ইউনিয়ন, আপকুৰ দৰং জিলা সমিতিৰ উদ্যোগত বিগত ২০২৫ বৰ্ষৰ পৰা প্ৰচলিত এই বঁটা এইবাৰো প্ৰয়াত মণিময় গোস্বামীৰ অকালতে জীৱন নাটৰ সামৰণি পৰা ১১ ছেপ্তেম্বৰৰ দিনটোতে শুক্ৰবাৰে স্থানীয় ইয়ুথ ক্লাবত বিয়লি ৩.০০ বজাত আপকুৰ দৰং সমিতিৰ সভাপতি বাবুল মকছেদ আহমেদ আৰু কাৰ্যকৰী সভাপতি কণ আলি হাজৰিকাই আঁত ধৰা এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বিশিষ্ট সাংবাদিকদ্বয় এই বঁটা প্ৰদান কৰা হয়। আপকুৰ কেন্দ্ৰীয় সমিতিৰ মুখ্য উপদেষ্টা সাংবাদিক আব্দুল খালেকে উদ্বোধন কৰা এই বঁটা প্ৰদান অনুষ্ঠানত মুখ্য বক্তা হিচাপে ভাষণ দি দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি চহিৰ ভূএগ্ৰাই মণিময় গোস্বামী যে এগৰাকী নেতৃত্বৰ গুণেৰে সমৃদ্ধ প্ৰচুৰ সম্ভাৱনাময় আৰু বিচক্ষণ উদীয়মান ছাত্ৰ নেতা আছিল তাৰ উমান কৈশোৰ কালতে পোৱা বুলি উল্লেখ কৰে। 'যি মূলা বাঢ়িব তাৰ দুপাততে চিন' এই আপ্ত বাক্যশাৰীৰ যথাৰ্থতা প্ৰমাণ কৰি মণিময় গোস্বামীয়ে অষ্টম শ্ৰেণীতেই মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় ছাত্ৰ একতাৰ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হৈ যিধৰণে ছাত্ৰ সমাজক নেতৃত্ব দি সুনাম অৰ্জন কৰিছিল তাৰ সুবাদতে তেওঁ পৰৱৰ্তী সময়ত একাধাৰে মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক, আন্তঃমঙলদৈ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক, সভাপতি, সদৌ দৰং জিলা ছাত্ৰ সন্থাৰ সভাপতি আৰু সদৌ অসম ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদকৰ দৰে পদত যোগ্যতাৰে কাৰ্যনিৰ্বাহ কৰিছিল। কিন্তু নিয়তিয়ে এই প্ৰতিশ্ৰুতিসম্পন্ন ছাত্ৰ নেতা গৰাকীৰ জীৱন বন্তি অকালতে নুমুৱাই দিয়াত দৰং তথা মঙলদৈৰ অপূৰণীয় ক্ষতি হ'ল বুলি তেওঁ আক্ষেপ কৰে আৰু তেওঁৰ স্মৃতি জীয়াই ৰখাৰ তেওঁৰ আদৰ্শ আৰু গুণ গৰিমাৰাশি নতুন প্ৰজন্মৰ আগত প্ৰচাৰ প্ৰসাৰৰ বাবে লোৱা পদক্ষেপৰ বাবে সহধৰ্মিনী ভূমিকা গোস্বামী আৰু আপকু, দৰং



জিলা সমিতিৰ শলাগ লয়। অনুষ্ঠানত দৰঙৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক শৰ্মিষ্ঠা বৰুৱা, দৰং জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া কল্পনা ডেকা, নতুন দ্যৌৰঙ্গ কাকতৰ সম্পাদক, জ্যেষ্ঠ সাংবাদিক কাকতি, প্ৰিয় নাৰী খ্যাত সমাজসেৱিকা ড° মন্দিৰা বৰুৱা, বিশিষ্ট শিক্ষাবিদ ড° মোহিনী গোস্বামী, সদৌ অসম ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক পৰাগ চহৰীয়া, বঁটা প্ৰাপক হোমেন কাকতি, ৰণজিত নাথ প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলে প্ৰয়াত ছাত্ৰ নেতা মণিময় গোস্বামীৰ সৰগীয় গণ গৰিমা ৰাশি স্মৰণ কৰি বিদেহ আত্মালৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। কণ্ঠশিল্পী দীপিকা কাকতিয়ে 'মই যেতিয়া এই জীৱনৰ মায়া এৰি গুচি যাম' শীৰ্ষক ড° ভূপেন হাজৰিকাৰ হৃদয়স্পৰ্শী গীতটি গাই অনুষ্ঠানৰ মাত্ৰা বৃদ্ধি কৰে। অনুষ্ঠানৰ পূৰ্বে ছাত্ৰ নেতা গৰাকীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু পুষ্পাঞ্জলি নিবেদন কৰে ড° ভূমিকা গোস্বামী আৰু গুণমুগ্ধ সকলে। বিগত বৰ্ষৰ এই বঁটা প্ৰাপক দৰঙৰ জ্যেষ্ঠ সাংবাদিকদ্বয় দিগন্ত কুমাৰ শৰ্মা আৰু হেমন্ত কুমাৰ বৰুৱা সহ, সদৌ দৰং জিলা ছাত্ৰ সন্থাৰ সভাপতি ৰাজু শৰ্মা, আন্তঃ মঙলদৈ ছাত্ৰ সন্থাৰ খুৰছিদ জুনাইদ আহমেদ, প্ৰাক্তন ছাত্ৰ নেতা বডিউল হক জামাল, পৰশমণি হাজৰিকা, দৰং গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ উপ-সভাপতি মইনুল হক শইকীয়া, মিছবাহুল হুদা, সাধাৰণ সম্পাদক চাহাবুদ্দিন আহমেদ, সদৰ সমিতিৰ সভাপতি ফজলুল হক, প্ৰাক্তন সভাপতি ফাইজুদ্দিন আহমেদ, বিশিষ্ট সাংবাদিক গণেশ দত্ত প্ৰমুখ্য দুই শতাধিক বিশিষ্ট লোক অনুষ্ঠানত অংশগ্ৰহণ কৰে। কণ্ঠশিল্পী আব্দুল ৰৌফ আহমেদ, এনি ভূএগ্ৰা, , জলী বৰুৱা, মীৰা হাজৰিকা, মীনাক্ষী শইকীয়া প্ৰমুখ্যে শিল্পী সকলে পৰিবেশন কৰা 'আই তোক কিহেৰে পূজিমে' কালজয়ী গীতেৰে আৰম্ভ হোৱা অনুষ্ঠানটি জাতীয় সঙ্গীতেৰে সামৰণি পৰে।

২৪ নং বাহিনী, সশস্ত্ৰ সীমা বল (এছ এছ বি), ৰঙিয়াৰ উদ্যোগত বিনামূলীয়া মানৱ চিকিৎসা শিবিৰৰ আয়োজন

অসম বাৰ্তা, মঙলদৈ, ১১ ছেপ্টেম্বৰ ঃ ২৪ নং বাহিনী, সশস্ত্ৰ সীমা বল (এছ এছ বি), ৰঙিয়াৰ কমাণ্ডেণ্ট শ্ৰী এইচ. কে. গুপ্তাৰ নিৰ্দেশনাত নাগৰিক কল্যাণ কাৰ্যসূচীৰ অন্তৰ্গত ১১ ছেপ্টেম্বৰ ২০২৬ তাৰিখে বিনামূলীয়া মানৱ চিকিৎসা শিবিৰ সফলভাৱে আয়োজন কৰা হয়। এই চিকিৎসা শিবিৰটো তামোলপুৰ জিলাৰ দেৱচুংগা গাঁৱত আয়োজন কৰা হয়, যি 'ই' সমবায় আৰু সীমা চকী গুৱাবাৰীৰ কাৰ্যক্ষেত্ৰৰ অন্তৰ্গত। উক্ত চিকিৎসা শিবিৰৰ নেতৃত্ব প্ৰদান কৰে ২৪ নং বাহিনী, এছ এছ বি, ৰঙিয়াৰ উপ কমাণ্ডেণ্ট (চিকিৎসা) ডাঃ বন্দনা দেৱী খৰিবামে তথা ২৪ নং বাহিনীৰ চিকিৎসা দলে এই কাৰ্যসূচীত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। এই চিকিৎসা শিবিৰৰ মূল উদ্দেশ্য আছিল সীমান্তৱৰ্তী অঞ্চলত বসবাস কৰা লোকসকলক বিনামূলীয়া স্বাস্থ্যসেৱা প্ৰদান কৰা আৰু স্বাস্থ্য তথা পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ বিষয়ে সজাগতা বৃদ্ধি কৰা। কাৰ্যসূচীৰ সময়ছোৱাত চিকিৎসক আৰু চিকিৎসা কৰ্মী সকলে ভাৰত-ভূটান সীমান্তৰ সমীপৱৰ্তী গাঁওসমূহৰ লোক সকলৰ স্বাস্থ্য পৰীক্ষা আৰু চিকিৎসা প্ৰদান কৰে। এই চিকিৎসা শিবিৰৰ জৰিয়তে মুঠ ১৮৮ গৰাকী হিতাধিকাৰী উপকৃত হয়। ইয়াৰ উপৰি সীমান্তৱৰ্তী অঞ্চলৰ লোকসকলক ৰোগ প্ৰতিৰোধ, টিকাকৰণ আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতা সম্পৰ্কে প্ৰয়োজনীয় তথ্য আৰু পৰামৰ্শ প্ৰদান কৰা হয় আৰু হিতাধিকাৰীসকলৰ মাজত বিনামূলীয়া ঔষধো বিতৰণ কৰা হয়। স্থানীয় ৰাইজে এছ এছ বিৰ এই জনকল্যাণমূলক পদক্ষেপৰ শলাগ লয় আৰু ভৱিষ্যতেও এনে ধৰণৰ জনকল্যাণমূলক কাৰ্যসূচী আয়োজন কৰি যাব বুলি আশা প্ৰকাশ কৰে। ২৪ নং বাহিনী, এছ এছ বি, ৰঙিয়াই নিজৰ কাৰ্যক্ষেত্ৰত কেৱল মানৱ চিকিৎসা শিবিৰেই আয়োজন নকৰে, বৰঞ্চ সীমান্তৱৰ্তী অঞ্চলৰ লোকসকলৰ বাবে বিনামূলীয়া এম্বুলেন্স সেৱা প্ৰদান কৰাৰ লগতে নিয়মীয়াকৈ পশু চিকিৎসা শিবিৰো আয়োজন কৰি আহিছে। সীমান্তৱৰ্তী অঞ্চলৰ যিকোনো বাসিন্দাই স্বাস্থ্যজনিত সমস্যাৰ ক্ষেত্ৰত এম্বুলেন্স সহায়তা আৰু চিকিৎসা পৰামৰ্শ লাভ কৰিব পাৰে। ভাৰত-ভূটান সীমান্তৰ সুৰক্ষা নিশ্চিত কৰাৰ লগতে ২৪ নং বাহিনী, সশস্ত্ৰ সীমা বল, ৰঙিয়া সমাজ আৰু নাগৰিকসকলৰ সেৱাৰ প্ৰতি সদায় দায়বদ্ধ আৰু প্ৰয়োজনৰ সময়ত সকলো ধৰণৰ সম্ভৱপৰ সহায় আগবঢ়াবলৈ সদায় সাজু হৈ আছে।

বটিয়ামাৰীৰ পৰা দিল্লীলৈ বিস্তৃত হ'ল সুদীৰ্ঘ সাংস্কৃতিক সাধনাৰ যাত্ৰা

গোৰ্খা লোক-সংস্কৃতিৰ সাধনাত দিল্লীৰ স্বীকৃতি

বিহালীৰ কলাশ্ৰী বিনোদ খনাললৈ "হাম্ৰো গৌৰৱ" সন্মান

অসম বাৰ্তা, গহপুৰ, ১১ ছেপ্টেম্বৰ ঃ মাটিৰ গোন্ধ, লোকজীৱনৰ সুৰ আৰু পৰম্পৰাৰ শিপাডাল বুকুত সাৱটি গোৰ্খা জনগোষ্ঠীৰ চহকী লোক-সংস্কৃতিক অসমৰ ইমূৰৰ পৰা সিমূৰলৈ কঢ়িয়াই লৈ ফুৰা এগৰাকী একনিষ্ঠ সাংস্কৃতিক সাধক। নাম তেওঁৰ বিনোদ খনাল। নীৰৱচ্ছিন্ন সাধনা, সৃষ্টিশীলতা আৰু সাংস্কৃতিক দায়বদ্ধতাৰে গোৰ্খা সমাজৰ ঐতিহ্যক জীয়াই ৰখাৰ ক্ষেত্ৰত আগবঢ়াই অহা অফুৰন্ত অৱদানৰ বাবে এইবাৰ দিল্লীৰ পৰা আহিছে তেওঁৰ বাবে আন এক গৌৰৱৰ খবৰ। বিশ্বনাথ জিলাৰ বিহালী বিধানসভা সমষ্টিৰ অন্তৰ্গত বটিয়ামাৰীৰ এইগৰাকী বিশিষ্ট সাংস্কৃতিক সাধকলৈ আগবঢ়োৱা হৈছে 'হাম্ৰো গৌৰৱ' সন্মান। হাম্ৰো স্বাভীমান ট্ৰাষ্ট আৰু দিল্লী চৰকাৰৰ যৌথ উদ্যোগত অহা ২০ ছেপ্টেম্বৰত নতুন দিল্লীত আনুষ্ঠানিকভাৱে এই সন্মান প্ৰদান কৰা হ'ব কলাশ্ৰী বিনোদ খনালক। গোৰ্খা জনগোষ্ঠীৰ লোকাচাৰ, পৰম্পৰা, ঐতিহ্য আৰু লোক-সংস্কৃতিৰ বিশাল সম্ভাৰক কেৱল সংৰক্ষণ কৰাই নহয়, সেই সমলক নৱপ্ৰজন্মৰ মাজলৈ লৈ যোৱাৰ ক্ষেত্ৰতো বিনোদ খনালে বিগত কেইবা দশক ধৰি নিষ্ঠাৰে কাম কৰি আহিছে। তেওঁৰ বাবে সংস্কৃতি কেৱল অতীতৰ স্মৃতি নহয়—সংস্কৃতি হৈছে এটা জাতিৰ আত্মপৰিচয়, শিপা আৰু ভৱিষ্যতৰ সেতু। ৬৪ বছৰীয়া বিনোদ খনালৰ সাংস্কৃতিক যাত্ৰা বহু বঁটা আৰু সন্মানেৰে সমৃদ্ধ। ২০১৪ চনত পঞ্জাৱ কলা সাহিত্য অকাডেমীয়ে আগবঢ়োৱা 'কলাশ্ৰী' সন্মান লাভ কৰাৰ পাছৰে পৰা তেওঁ 'কলাশ্ৰী বিনোদ খনাল' নামেৰে সুকীয়া পৰিচয় লাভ কৰে। তেওঁৰ সুদীৰ্ঘ সাংস্কৃতিক সাধনাৰ স্বীকৃতি হিচাপে মধ্যপ্ৰদেশৰ হিন্দী বিদ্যাপীঠে আগবঢ়াইছে "ভাৰত গৌৰৱ" বঁটা। অসম সাংস্কৃতিক মহাসভাই প্ৰদান কৰিছে "আজীৱন সাংস্কৃতিক সাধক" সন্মান। দাৰ্জিলিং সাংস্কৃতিক মহোৎসৱে আগবঢ়াইছে "গোৰ্খা গৌৰৱ", আনহাতে অসম নেপালী নাট্য সন্মিলনে প্ৰদান কৰিছে "নাট্যাচাৰ্য" সন্মান। ইয়াৰ উপৰি সদৌ অসম ছাত্ৰ সন্থাৰ "প্ৰতিমা পাণ্ডে বৰুৱা স্মাৰক স্মৃতি বঁটা", অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ "বিশিষ্ট শিল্পী" বঁটা আৰু অসম জাতীয় বিদ্যালয়ৰ শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ "অসম জাতীয় বিদ্যালয় সন্মান" লাভ কৰিছে তেওঁ। নেপালৰ চেতনা সংৰক্ষণ মঞ্চই প্ৰদান কৰা "জগত বন্ধু মিনাকুমাৰী বস্নেত আন্তঃৰাষ্ট্ৰীয় সন্মান"এ তেওঁৰ এই কৰ্মময় জীৱনক অনন্য মাত্ৰা প্ৰদান কৰে। লোক-সংস্কৃতিৰ ক্ষেত্ৰখনত তেওঁৰ অনবদ্য অৱদানৰ স্বীকৃতি হিচাপে অসম চৰকাৰেও তেওঁক শিল্পী পেঞ্চন প্ৰদান কৰি তেওঁৰ কৰ্মময় জীৱনৰ চৰকাৰী স্বীকৃতি প্ৰদান কৰিছে। গোৰ্খা লোক-সংস্কৃতিৰ লগতে অসমীয়া আৰু নেপালী ভ্ৰাম্যমাণ নাট্যজগততো বিনোদ খনালৰ আছে সুদীৰ্ঘ আৰু বৰ্ণিল অৱদান। ধেমাজিৰ পৰা আত্মপ্ৰকাশ কৰা সুমন থিয়েটাৰত অভিনেতা হিচাপে অভিনয় কৰাৰ লগতে নাট্য পৰিচালনাৰ দায়িত্বও পালন কৰিছিল তেওঁ। পৰৱৰ্তী সময়ত অসমী, ভাস্কৰ, নটৰাজ, ব্ৰহ্মপুত্ৰ আৰু আৰধনা থিয়েটাৰৰ সৈতেও জড়িত হৈ পৰে তেওঁৰ সাংস্কৃতিক জীৱন। ভাৰতৰ প্ৰথম গোৰ্খালী ভ্ৰাম্যমাণ থিয়েটাৰ 'লালীগুৰাঁস'ৰ সৈতেও তেওঁ জড়িত আছিল। অভিনয় আৰু পৰিচালনাৰ সমান্তৰালভাৱে নাট্য ৰচনাৰ ক্ষেত্ৰতো নিজৰ সৃষ্টিশীল প্ৰতিভাৰ পৰিচয় দাঙি ধৰিছে বিনোদ খনালে। তেওঁ ৰচনা কৰা উল্লেখযোগ্য নেপালী আৰু অসমীয়া নাটকসমূহৰ ভিতৰত 'গৰীবকো আঁচু', 'গৰীব হুনু পনি অভিশাপ ৰহেছ', 'ৰগতকো চাইনো', 'বাৰুদ', 'অৰ্কো এক সংগ্ৰামকো তৈয়াৰী', 'খালী বটল', 'কালা পানৰ টিকত', ভোবোলাৰ মুখত কোমোৰা 'আৰু 'আইনা' অন্যতম। অসমৰ মাটিৰ পৰা গোৰ্খা চলচ্চিত্ৰ নিৰ্মাণ কৰাটো যি সময়ত প্ৰায় অসম্ভৱসদৃশ পৰিৱেশ আছিল, সেই সময়তেই ১৯৮৯ চনত 'পৰিবাৰ' নামৰ নেপালী ভাষাৰ চলচ্চিত্ৰ নিৰ্মাণ কৰি বিনোদ খনালে এক ঐতিহাসিক পদক্ষেপ গ্ৰহণ কৰিছিল। এই পদক্ষেপ কেৱল এখন চলচ্চিত্ৰ নিৰ্মাণৰ কাহিনী নাছিল; ই আছিল অসমৰ মাটিত গোৰ্খা সমাজৰ ভাষা, সংস্কৃতি আৰু জীৱনবোধক বৃহত্তৰ পৰিসৰত প্ৰতিষ্ঠা কৰাৰ এক সাহসী প্ৰয়াস। সংস্কৃতিৰ সৃষ্টিৰ লগতে গোৰ্খা সমাজৰ ঐতিহাসিক আৰু সাংস্কৃতিক সমল সংৰক্ষণতো বিশেষ গুৰুত্ব দি আহিছে বিনোদ খনালে। তেওঁৰ দ্বাৰা সংগৃহীত বিভিন্ন গোৰ্খা সাংস্কৃতিক সামগ্ৰীৰ প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ অৰ্কিড পাৰ্কত। তেওঁৰ এই প্ৰচেষ্টাই কেৱল এটা জনগোষ্ঠীৰ অতীতক সংৰক্ষণ কৰা নাই, বৰং নতুন প্ৰজন্মৰ সন্মুখত নিজৰ শিপা, পৰম্পৰা আৰু সাংস্কৃতিক পৰিচয়ক চিনাকি কৰাই দিয়াৰ এক সুন্দৰ বাট মুকলি কৰিছে। লোক সংস্কৃতিৰ শিপাত পানী দি ঐতিহ্যৰ বন্তি প্ৰজন্মৰ পৰা প্ৰজন্মলৈ কঢ়িয়াই লৈ যোৱা বিনোদ খনালৰ সুদীৰ্ঘ সাধনাই এইবাৰ লাভ কৰিছে দিল্লীৰ 'হাম্ৰো গৌৰৱ'ৰ স্বীকৃতি। বটিয়ামাৰীৰ পৰা আৰম্ভ হোৱা তেওঁৰ সাংস্কৃতিক যাত্ৰাই দিল্লীৰ মঞ্চত লাভ কৰিবলগীয়া এই সন্মানে সমগ্ৰ বিশ্বনাথ জিলাৰ লগতে অসমবাসীৰ বাবেও কঢ়িয়াই আনিছে গৌৰৱৰ বতৰা। 'হাম্ৰো গৌৰৱ' সন্মান লাভৰ বাবে কলাশ্ৰী বিনোদ খনাললৈ বিশ্বনাথ জিলাৰ কৃষ্টি-সংস্কৃতিপ্ৰেমী ৰাইজে জ্ঞাপন কৰিছে আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা।

হাজোত নতুন ৰূপত মুকলি হ'ল লোক নিৰ্মাণ বিভাগৰ পৰিদৰ্শন বঙলা



অসম বাৰ্তা, হাজো, ১১ ছেপ্টেম্বৰ ঃ দীৰ্ঘদিন ধৰি জৰাজীৰ্ণ হৈ পৰিত্যক্ত অৱস্থাত থকা হাজোৰ লোক নিৰ্মাণ বিভাগৰ (PWD) পৰিদৰ্শন বঙলাটো পুনৰ মেৰামতি কৰি এক আকৰ্ষণীয় ৰূপত নিৰ্মাণ কৰি ৰাইজৰ উদ্দেশ্যে মুকলি কৰে হাজো-শুৱালকুছি সমষ্টিৰ বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে। উল্লেখ্য যে দীৰ্ঘদিন ধৰি মেৰামতিৰ অভাৱত এই পৰিদৰ্শন বঙলাটো সম্পূৰ্ণৰূপে ব্যৱহাৰৰ অনুপযোগী হৈ পৰিছিল। বঙলাটোৰ এই জৰাজীৰ্ণ অৱস্থাৰ অৱসান ঘটাই স্থানীয় প্ৰশাসন আৰু লোক নিৰ্মাণ বিভাগৰ সহযোগত ইয়াক নৱীকৰণ কৰা হয়। মুকলি অনুষ্ঠানত ভাষণ প্ৰসংগত বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে কয় যে এই পৰিদৰ্শন বঙলাটো নৱীকৰণ কৰাৰ ফলত হাজোলৈ চৰকাৰী কাৰ্যসূচী বা অন্যান্য কামৰ বাবে আগমন হোৱা বিশিষ্ট ব্যক্তি তথা অতিথি সকলৰ থকা-মেলাৰ সুব্যৱস্থা নিশ্চিত হ'ব। আজিৰ এই মুকলি অনুষ্ঠানত লোক নিৰ্মাণ বিভাগৰ কাৰ্যবাহী অভিযন্তা, অন্যান্য অভিযন্তা, বিভাগীয় কৰ্মচাৰীসকলৰ লগতে অঞ্চলটোৰ বহুসংখ্যক গণ্য-মান্য ব্যক্তি আৰু স্থানীয় ৰাইজ উপস্থিত আছিল। বঙলাটো পুনৰ কাৰ্যক্ষম হৈ উঠাত স্থানীয় ৰাইজেও সন্তুষ্টি প্ৰকাশ কৰে।

দেৰগাঁৱৰ জুবিন দিৱস উদ্‌যাপন

অসম বাৰ্তা, দেৰগাঁও, ১১ ছেপ্টেম্বৰ ঃ দেৰগাঁও কেন্দ্ৰীয় ৰঙালী বিহু উৎসৱ স্থায়ী সমিতি, দেৰগাঁও সংগীত শিল্পী সমাজ, দেৰগাঁও বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ দল-সংগঠনৰ সহযোগত ১৯ চেপ্তেম্বৰ তাৰিখে দেৰগাঁও নৰেন শৰ্মা স্মৃতি পথাৰত প্ৰথম বাৰ্ষিক জুবিন দিৱস উদ্‌যাপন কৰিবলৈ আয়োজন কৰিছে। হিয়াৰ আমঠু গৰাকীৰ মহাপ্ৰয়াণৰ পবিত্ৰ দিনটোত স্মৃতি হিচাপে বিভিন্ন কাৰ্যসূচীৰে এই জুবিন দিৱস উদ্‌যাপন কৰা সিদ্ধান্ত গ্ৰহণ কৰা হয়। পুৱা ৬ বজাত প্ৰভাত ফেৰী, ৯ বজাত বন্তি প্ৰজ্বলন, ৯-৩০ বজাত সৰ্বধৰ্ম প্ৰাৰ্থনা সভা, ১২-৩০ বজাত প্ৰসাদ বিতৰণ ৫-৩০ বজাত জুবিন গাৰ্গৰ জন্ম লগত সংগতি ৰাখি ৫৩ গছি বন্তি প্ৰজ্বলন, আৰু ৫-৩০বজাত সুৰৰ মায়াজালেৰে প্ৰিয় শিল্পী গৰাকীৰ অমৰ সৃষ্টিলৈ শ্ৰদ্ধাঞ্জলি জনাই সমশ্ৰাদ্ধিক ৰাইজৰ উপস্থিতিত জুবিন গাৰ্গৰ কেবাটাও কালজয়ী গীত পৰিৱেশন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। জুবিন দিৱসত অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী ৰিছা ভৰদ্বাজ উপস্থিত থাকিব। উদ্যোক্তা সকলে সকলো ৰাইজৰ উপস্থিতি সহায় সহযোগিতা উপস্থিত একান্ত ভাৱে কামনা কৰিছে।

ঝাৰগাঁও ব্লক PHCত খণ্ড পৰ্যায়ৰ স্বাস্থ্য পৰ্যালোচনা সভা অনুষ্ঠিত

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ১১ ছেপ্টেম্বৰ ঃ ঝাৰগাঁও ব্লক প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ (PHC)-ত আজি এখন খণ্ড পৰ্যায়ৰ স্বাস্থ্য পৰ্যালোচনা সভা অনুষ্ঠিত হয়। সভাৰ উদ্দেশ্য আছিল ব্লক পৰ্যায়ত ৰূপায়ণ হৈ থকা বিভিন্ন ৰাষ্ট্ৰীয় স্বাস্থ্য কাৰ্যসূচী, স্বাস্থ্যসেৱা প্ৰদানৰ মানদণ্ড আৰু সামগ্ৰিক অগ্ৰগতিৰ পৰ্যালোচনা কৰা। সভাত যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক, জিলা কাৰ্যসূচী প্ৰবন্ধক (DPM), জিলা চিকিৎসা বিশেষজ্ঞ (DME), SDM&HO ঝাৰগাঁও, BPMU-ৰ বিষয়ববীয়া, ছেক্টৰ চিকিৎসা বিষয়া, ABPM, CHO আৰু ANM-সকলে উপস্থিত থাকে। সভাখনত মাতৃ আৰু শিশু স্বাস্থ্য, টিকাকৰণ, ৰাষ্ট্ৰীয় স্বাস্থ্য কাৰ্যসূচীসমূহ, স্বাস্থ্য প্ৰতিষ্ঠানসমূহৰ সেৱা প্ৰদানৰ স্থিতি, ক্ষেত্ৰ পৰ্যায়ৰ কাৰ্যকলাপ আৰু বিভিন্ন কাৰ্যসম্পাদন সূচক বিশদভাৱে পৰ্যালোচনা কৰা হয়। লগতে ক্ষেত্ৰ পৰ্যায়ত সন্মুখীন হোৱা সমস্যা আৰু প্ৰত্যাহ্বানসমূহৰ সমাধানৰ বাবে গঠনমূলক আলোচনা অনুষ্ঠিত হয়। সভাৰ অন্তত নিয়মীয়া পৰ্যবেক্ষণ, উন্নত সমন্বয়, তথ্যভিত্তিক পৰিকল্পনা আৰু ক্ষেত্ৰ পৰ্যায়ত অধিক ফলপ্ৰসূভাৱে স্বাস্থ্যসেৱা আগবঢ়োৱাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়।

গোলাঘাটত স্বাস্থ্য খণ্ডৰ অভিভাৱক বিষয়া উপস্থিত

স্বাস্থ্যসেৱা সুবিধাৰ বিস্তৃত পৰ্যালোচনা

অসম বাৰ্তা ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ১১ ছেপ্টেম্বৰ ঃ অসম চৰকাৰৰ পৰিয়াল কল্যাণ বিভাগৰ স্বাস্থ্য সেৱাৰ সঞ্চালক তথা গোলাঘাট জিলাৰ অভিভাৱক বিষয়া, কমলজিৎ তালুকদাৰে আজি গোলাঘাট জিলাত উপস্থিত হৈ জিলাখনৰ দুখন চিকিৎসালয়ৰ বিস্তৃত পৰিদৰ্শন কৰি বিভিন্ন স্বাস্থ্যসেৱা সুবিধা তথা কাৰ্যসূচী সমূহৰ পৰ্যালোচনা কৰে। স্বাস্থ্য সঞ্চালক গৰাকীয়ে প্ৰথমে মৰংগী ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ ভ্ৰমণ কৰে, য'ত তেওঁ ইউ-ৱিন, কল্ড চেইন, লেবৰেটৰী, প্ৰতিষেধক সেৱা, প্ৰসৱ সেৱা আৰু বহিঃ বিভাগ পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ সময়চোৱাত তেখেতে মৰঙী স্বাস্থ্য কেন্দ্ৰৰ ইন-চাৰ্জ, স্বাস্থ্য বিষয়া, চিকিৎসাকৰ্মী, প্ৰগ্ৰেমৰ বিষয়াসকল তথা ৰোগী সকলৰ সৈতে মত বিনিময় কৰে। প্ৰাক-প্ৰসৱ সেৱা, যক্ষ্মা ৰোগৰ স্থিতি, শিশুৰ স্বাস্থ্য আৰু মাতৃ তথা শিশুৰ পুষ্টিৰ অৱস্থাৰ বিষয়ে আলোচনা কৰে। তেখেতৰ ভ্ৰমণৰ সময়ত যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক, ডাঃ ৰাজীৱ ৰঞ্জন গগৈ, ডি পি এম, অনুষ্কা বৰা, ডি এম ই, পুৰ্বালী হাজৰিকা উপস্থিত থাকে। পৰৱৰ্তী সময়ত স্বাস্থ্য সঞ্চালকগৰাকীয়ে শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয় পৰিদৰ্শন কৰি মাতৃ আৰু শিশু বিভাগৰ এ এন চি (প্ৰসৱপূৰ্বক) ৱাৰ্ড, পোষ্ট-নেটাল (প্ৰসৱপূৰ্ণ) ৱাৰ্ড আৰু আই চি ইউ পৰিদৰ্শন কৰে। জিলা চিকিৎসালয়খনত উপলব্ধ বিভিন্ন সেৱাৰ উপলব্ধতাৰ বিষয়ে বুজ ল'বলৈ তেওঁ ৰোগী আৰু পৰিচাৰকৰ সৈতে মত বিনিময় কৰে। জিলা চিকিৎসালয়ৰ আয়ুষ্মান ভাৰত সেৱাৰ উপলব্ধতা আৰু প্ৰতিষেধক সেৱাৰ বিষয়ে অধীক্ষক, ডাঃ দিলীপ ডেকা তথা উপ অধীক্ষক, ডাঃ বিপুল দাস আৰু অন্যান্য স্বাস্থ্য বিষয়া সকলৰ লগত আলোচনাত মিলিত হয়। ভ্ৰমণ কাৰ্যসূচী সম্পন্ন কৰি গোলাঘাট জিলাৰ সংহত জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত এক জিলা পৰ্যায়ৰ পৰ্যালোচনা সভা অনুষ্ঠিত হয়। এই সভাৰ জৰিয়তে অভিভাৱক বিষয়া গৰাকীৰ পৰ্যবেক্ষণ প্ৰস্তুত কৰে। তদুপৰি, গোলাঘাটৰ জিলা আয়ুক্ত বিশ্বজিৎ ফুকনৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত বিভিন্ন বিষয়ৰ ওপৰত এক বিতং পৰ্যালোচনা হয়। এই সভাত জিণ্টু বৰা, অতিৰিক্ত আয়ুক্ত (স্বাস্থ্য), স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালক, ডাঃ ৰাজীৱ ৰঞ্জন গগৈ, জিলা চিকিৎসালয়ৰ উপ-অধীক্ষক, ডাঃ বিপুল দাসৰ লগতে জিলা প্ৰতিষেধক বিষয়া, ডাঃ কবিতা উজীৰ, বিভিন্ন স্বাস্থ্য খণ্ডৰ মহকুমা স্বাস্থ্য বিষয়াসকল, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ সংশ্লিষ্ট বিষয়া সকল আৰু কাৰ্যসূচীৰ লগত জড়িত স্বাস্থ্য কৰ্মীসকলে অংশগ্ৰহণ কৰে। পৰ্যালোচনাত সমগ্ৰ গোলাঘাট জিলাত স্বাস্থ্যসেৱা প্ৰদান সবল কৰা, স্বাস্থ্য কাৰ্যসূচীৰ ফলপ্ৰসূ ৰূপায়ণ আৰু সেৱাৰ মান আৰু সুলভতা উন্নত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়।

তামোলীখাট-ধূলিজান-বোকাজান সংযোগী নতুনকৈ নিৰ্মাণ হৈ থকা মুখ্য পথত পথ-নিৰ্দেশক ফলক চুৰি

অসম বাৰ্তা, মাকুম, ১১ ছেপ্টেম্বৰ ঃ মাকুম সমষ্টিৰ অন্তৰ্গত তামোলীখাট-ধূলিজান-বোকাজান সংযোগী নতুনকৈ নিৰ্মাণ হৈ থকা মুখ্য পথছোৱাত আজি নিশা বিভিন্ন স্থানত স্থাপন কৰা পথ-নিৰ্দেশক ফলক (SIGN BOARD) চুৰিকাৰ্যৰ ঘটনা সংঘটিত হয়। জনসাধাৰণৰ সুবিধা আৰু পথচাৰীৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি নিৰ্মীয়মাণ পথছোৱাৰ বিভিন্ন স্থানত পথ-নিৰ্দেশক তথা সতৰ্কতামূলক ফলক স্থাপন কৰা হৈছিল। কিন্তু নিশাৰ ভাগত কোনো দুৰ্বৃত্তই ফলকসমূহ চুৰি কৰি লৈ যোৱা বুলি জানিব পৰা গৈছে। বিশেষকৈ তামোলীখাট তিনিআলি আৰু বজানলী নগাঁও প্ৰাথমিক বিদ্যালয়ৰ সন্মুখত স্থাপন কৰা পথ-নিৰ্দেশক ফলকো চুৰি হোৱা বুলি জানিব পৰা গৈছে। উল্লেখ্য যে, নিৰ্মীয়মাণ পথছোৱাত যান-বাহন চালক আৰু পথচাৰীক দিশ-নিৰ্দেশনা দিয়াৰ লগতে সম্ভাব্য বিপদৰ বিষয়ে সতৰ্ক কৰাৰ উদ্দেশ্যে এই ফলকসমূহ স্থাপন কৰা হৈছিল। এনে গুৰুত্বপূৰ্ণ ফলক চুৰি হোৱাত স্থানীয় ৰাইজে ক্ষোভ প্ৰকাশ কৰিছে। ৰাইজৰ সুবিধা আৰু পথ সুৰক্ষাৰ বাবে স্থাপন কৰা ফলক চুৰিৰ ঘটনাই একাংশ লোকৰ দায়িত্বহীন মানসিকতাৰ পৰিচয় দিয়া বুলি স্থানীয় ৰাইজে সংবাদ মাধ্যমৰ জৰিয়তে মন্তব্য কৰিছে। লগতে এনে কাৰ্যই নিৰ্মীয়মাণ পথছোৱাৰ সুৰক্ষা ব্যৱস্থাৰ প্ৰতিও প্ৰশ্ন উত্থাপন কৰিছে। ইফালে, পথছোৱাৰ নিৰ্মাণ কাৰ্যৰ সৈতে জড়িত কৰ্তৃপক্ষই ইতিমধ্যে লাংকাছী আৰক্ষী চকীত এই সন্দৰ্ভত এজাহাৰ দাখিল কৰিছে। ঘটনাটোৰ তদন্ত কৰি ফলক চুৰিৰ সৈতে জড়িত লোকক চিনাক্ত কৰাৰ লগতে আইন অনুসৰি ব্যৱস্থা গ্ৰহণৰ বাবে আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

মুকলি মঞ্চ নিৰ্মাণৰ বাবে ৫ লাখ টকাৰ অনুদান ঘোষণা

হাব্ৰাঘাট মহাবিদ্যালয়ত সাংসদ ৰকিবুল হুছেইন

অসম বাৰ্তা, কৃষ্ণাই, ১১ ছেপ্টেম্বৰ ঃ গোৱালপাৰা জিলাৰ কৃষ্ণইস্থিত হাব্ৰাঘাট মহাবিদ্যালয়ত আজি 'প্ৰেৰণা—দ্য ইন্সপিৰেচন ২০২৬' শীৰ্ষক এক বিশেষ অনুষ্ঠান অনুষ্ঠিত হয়। দিনৰ ডেৰ বজাত অনুষ্ঠিত অনুষ্ঠানখনত সভাপতিত্ব কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° মণ্টু কুমাৰ দাসে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে ২ নং ধুবুৰী লোকসভা সমষ্টিৰ সাংসদ ৰকিবুল হুছেইন। সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে গোৱালপাৰা পূব বিধানসভা সমষ্টিৰ বিধায়ক এ কে ৰশিদ আলম, জলেশ্বৰ বিধানসভা সমষ্টিৰ বিধায়ক আফতাবুদ্দিন মোল্লা, পাইকান জিলা পৰিষদৰ সদস্যা আৰনিছা



ইয়াচমিন আৰু মহাবিদ্যালয়খনৰ শৈক্ষিক তত্ত্বাৱধায়ক ড° মইনুল হক চৌধুৰীকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি। অনুষ্ঠানৰ মাজতে হাব্ৰাঘাট মহাবিদ্যালয়ৰ চৌহদত এখন মুকলি মঞ্চ নিৰ্মাণৰ বাবে সাংসদ ৰকিবুল হুছেইনক এখন স্মাৰক-পত্ৰ প্ৰদান কৰা হয়। স্মাৰক-পত্ৰখন গ্ৰহণ কৰি সাংসদগৰাকীয়ে মুকলি মঞ্চখনৰ নিৰ্মাণকাৰ্য আৰম্ভ কৰাৰ বাবে ৫ লাখ টকাৰ অনুদান আগবঢ়োৱাৰ ঘোষণা কৰে। সাংসদগৰাকীৰ এই ঘোষণাক লৈ মহাবিদ্যালয় খনৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী তথা স্থানীয় ৰাইজে সন্তুষ্টি প্ৰকাশ কৰে।

কচুগাঁৱত ১৫ চেপ্তেম্বৰত অনুষ্ঠিত হ'ব চতুৰ্থ বাৰ্ষিক আদিবাসী চুক্তি দিৱস

অসম বাৰ্তা, গোসাঁইগাঁও, ১১ ছেপ্টেম্বৰ ঃ বিটিচিৰ কোকৰাঝাৰ জিলাৰ কচুগাঁৱত অহা ১৫ চেপ্টেম্বৰত অনুষ্ঠিত হ'ব চতুৰ্থ বাৰ্ষিক আদিবাসী চুক্তি দিৱস। কচুগাঁও পাব্লিক হাইস্কুল খেলপথাৰত অনুষ্ঠিত হ'বলগীয়া এই বিশেষ অনুষ্ঠানটো অসম চৰকাৰৰ আদিবাসী কল্যাণ আৰু উন্নয়ন পৰিষদৰ উদ্যোগত আৰু আভ্যন্তৰীণ সমিতিৰ সহযোগত আয়োজন কৰা হৈছে। অনুষ্ঠানত আদিবাসী সমাজৰ সাংস্কৃতিক পৰম্পৰা, উন্নয়ন, ঐতিহ্যক গুৰুত্ব প্ৰদান কৰাৰ লগতে দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হ'ব। অনুষ্ঠানটোত আমন্ত্ৰিত অতিথি হিচাপে ৰাজ্যিক মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ৰণুজ পেগু, মন্ত্ৰী অশিনী ৰায়ৰ লগতে দল সংগঠনৰ নেতৃবৃন্দ উপস্থিত থকাৰ কথা উল্লেখ কৰে আদিবাসী কল্যাণ আৰু উন্নয়ন পৰিষদৰ কাৰ্যবাহী সদস্য ছিনেচ হেমব্ৰমে। আয়োজক সমিতিয়ে অনুষ্ঠানটো সফলভাৱে সম্পন্ন কৰাৰ বাবে ইতিমধ্যে প্ৰস্তুতি আৰম্ভ কৰিছে। কচুগাঁও তথা কোকৰাঝাৰ জিলাৰ বিভিন্ন প্ৰান্তৰ লোকক এই অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

গোলাঘাটৰ দেৱৰাজ ৰয় মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত অসম ছাত্ৰ পৰিষদৰ বৃহৎ সাফল্য

সভাপতিকে মুঠ দহটা পদত বিজয় সাব্যস্ত

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১১ ছেপ্টেম্বৰ ঃ গোলাঘাটৰ দেৱৰাজ ৰয় মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত অসম ছাত্ৰ পৰিষদৰ ঐতিহাসিক বিজয়। গোলাঘাটৰ উচ্চ শিক্ষাৰ অগ্ৰণী প্ৰতিষ্ঠান দেৱৰাজ ৰয় মহাবিদ্যালয়(স্বায়ত্তশাসিত)ত আজি অনুষ্ঠিত হৈ যোৱা ছাত্ৰ একতা সভাৰ বাৰ্ষিক নিৰ্বাচনত অসম ছাত্ৰ পৰিষদ সমৰ্থিত প্ৰাৰ্থী পেনেলে এক ঐতিহাসিক বিজয় সাব্যস্ত কৰে। সভাপতি আৰু উপ-সভাপতিকে ধৰি ছাত্ৰ একতা সভাৰ আটাইকেইটা গুৰুত্বপূৰ্ণ পদতে অসম ছাত্ৰ পৰিষদৰ সমৰ্থিত প্ৰাৰ্থীসকলে বিপুল ভোটত জয়লাভ কৰি মহাবিদ্যালয়খনত এক নতুন ৰাজনৈতিক অধ্যায়ৰ সূচনা কৰে। নিৰ্বাচনৰ ফলাফল অনুসৰি বিজয়ী প্ৰাৰ্থীসকল ক্ৰমে সভাপতি নিৰ্বাণ চহৰীয়া, উপ-সভাপতি ৰিমন গগৈ, আলোচনী সম্পাদক ত্ৰিদিশা চেতিয়া, সাংস্কৃতিক সম্পাদক দেৱাশিস বৰা, সাধাৰণ ক্ৰীড়া সম্পাদক চি. জেমছ, আভ্যন্তৰীণ ক্ৰীড়া (ইনড'ৰ গেমছ) সম্পাদক নিৰ্মল চেত্ৰী, ফুটবল আৰু জিম সম্পাদক, কৌশিক গগৈ, তৰ্ক আৰু আলোচনা সম্পাদক নয়না বৰা, ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক শশাংক ডেকা, আৰু ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা পদত অনন্যা বড়োৱে জয়লিভ কৰিবলৈ সক্ষম হয়। অসম ছাত্ৰ পৰিষদ সমৰ্থিত পেনেলৰ এই অভূতপূৰ্ব বিজয়ৰ পিছতে অসম গণ পৰিষদৰ কেন্দ্ৰীয় সভাপতি অতুল বৰা, অসম ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সভাপতি ত্ৰিনয়ন বৰা আৰু অগপ গোলাঘাট জিলা সমিতিৰ সভাপতি ড° নৃপেন বৰুৱাসহ সমৰ্থনকাৰী নেতৃত্বই সমগ্ৰ বিজয়ী দলটোক আন্তৰিক ওলগ জ্ঞাপন কৰে। ইয়াৰ লগতে অসম ছাত্ৰ পৰিষদৰ গোলাঘাট জিলা সমিতিৰ সভাপতি আৰ্চিছ জ্যোতি পৰাশৰ আৰু সম্পাদক এহচান ৰাছবীৰ, ৰাছিম চৌধুৰী; যুৱ পৰিষদৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক বিশ্বজিৎ গগৈ আৰু উপ-সভাপতি মাধুৰ্য গোস্বামীৰ লগতে অগপ গোলাঘাট জিলাৰ আশ্বিকুৰ ৰহমানে নবীন ছাত্ৰ প্ৰতিনিধিসকলক আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰে। নেতৃবৃন্দই আশা প্ৰকাশ কৰে যে এই বিজয়ী পেনেলে শিক্ষাৰ্থী সমাজৰ সৰ্বাংগীণ উন্নতি আৰু মহাবিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশ অধিক উন্নত কৰাৰ দিশত নিষ্ঠাৰে কাম কৰি যাব।

ছাত্ৰ একতা সভাৰ নিৰ্বাচন; পুনৰ এবছু-আগছুৰ দখলত গোৰেশ্বৰ মহাবিদ্যালয়



অসম বাৰ্তা, গোৰেশ্বৰ, ১১ ছেপ্টেম্বৰ ঃ তামোলপুৰ জিলাৰ অন্তৰ্গত গোৰেশ্বৰ অঞ্চলৰ উচ্চ শিক্ষাৰ অন্যতম অগ্ৰণী শিক্ষানুষ্ঠান গোৰেশ্বৰ মহাবিদ্যালয়ত আজি ছাত্ৰ একতা সভাৰ ২০২৬-২৭ বৰ্ষৰ সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হয়। উক্ত নিৰ্বাচনত নিখিল বড়ো ছাত্ৰ সন্থা আৰু সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলে মুঠ ১৩টা পদৰ ভিতৰত আটাইকেইটা পদতে জয়লাভ কৰি পুনৰবাৰ গোৰেশ্বৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ দখল অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হয়। নিৰ্বাচনত মিত্ৰজোঁটৰ প্ৰাৰ্থী হিচাপে ক্ৰমে— সভাপতি পদত দিপিকা বড়ো, উপ-সভাপতি পদত অনচাই বড়ো, সাধাৰণ সম্পাদক পদত গেৰেমচা বড়ো, সহঃ সম্পাদক পদত সানি নাৰ্জাৰী, আলোচনী সম্পাদক পদত হাংগোমা বড়ো, সাংস্কৃতিক সম্পাদক পদত বজন্তী বড়ো, সমাজ সেৱা সম্পাদক পদত ৰাতুল বড়ো, গুৰু খেল সম্পাদক পদত তৰনী বসুমতাৰী, লঘু খেল সম্পাদক পদত জাসুমতী নাৰ্জাৰী, শৰীৰ চৰ্চা সম্পাদক পদত পৰশু ৰাম বড়ো, তৰ্ক আৰু আলোচনা সম্পাদক পদত অনিশ নেৱাৰ, ছাত্ৰ জিৰণি চ'ৰা সম্পাদক পদত কমলেশ্বৰ বড়ো আৰু ছাত্ৰী জিৰণি চ'ৰা সম্পাদিকা পদত নিজৰা বড়ো নিৰ্বাচিত হয়। ইফালে, এই বৃহৎ জয়লাভৰ পিছতে নিখিল বড়ো ছাত্ৰ সন্থা আৰু সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ তামোলপুৰ জিলা সমিতি, গোৰেশ্বৰ আঞ্চলিক সমিতি, মহৰিপাৰা আঞ্চলিক সমিতি আৰু পূৱ ডেফেলী আঞ্চলিক সমিতিয়ে বিজয়ী প্ৰাৰ্থীসকলক বড়ো জনগোষ্ঠীৰ আৰ'নাই আৰু গোৰ্খা জনগোষ্ঠীৰ পৰম্পৰাগত খাদাৰে অভিনন্দন জ্ঞাপন কৰি শুভেচ্ছা জনাই।

পূষ্পা বৰগোঁহাই সোঁৱৰণি আন্তঃ ক্লাব ফুটবলত খুমটাইক হৰুৱাই বিপ্লাঘাট ছেমিত প্ৰৱেশ

অসম বাৰ্তা, চেপন, ১১ ছেপ্টেম্বৰ ঃ উজনি অসমৰ অগ্ৰণী ক্ৰীড়া সংগঠন মৰাণহাট ক্ৰীড়া সন্থাৰ উদ্যোগত আৰু চৰাইদেউ জিলা ক্ৰীড়া সন্থাৰ তত্বাৱধানত মৰাণ মহাবিদ্যালয় খেলপথাৰত চলি থকা পূষ্পা বৰগোঁহাই সোঁৱৰণি আন্তঃক্লাব ফুটবল লীগ প্ৰতিযোগিতাত মৰাণৰ হিংৰিজান ফুটবল ক্লাবে জয়ৰ ধাৰা অব্যাহত ৰাখি ছেমিফাইনেলত প্ৰৱেশ কৰিছে। প্ৰতিযোগিতাখনৰ আজি অনুষ্ঠিত চতুৰ্থ তথা শেষৰখন কোৱাৰ্টাৰ ফাইনেল খেলত হিংৰিজান ফুটবল ক্লাবে চৰাইদেউৰ বালিখুটি গোমোঠা ফুটবল ক্লাবক টাইবেকাৰৰ জৰিয়তে সামগ্ৰিকভাৱে ৭-৬ গলৰ ব্যৱধানত পৰাজিত কৰে। তুমুল আক্ৰমণ-প্ৰত্যাক্ৰমণেৰে ভৰা খেলখনৰ প্ৰথমাৰ্ধ গলশূণ্যভাৱে সামৰণি পৰে। আনহাতে দ্বিতীয়াৰ্ধৰ খেলৰ আৰম্ভণিৰ পৰাই দুয়োটা দলে গল লাভৰ আশাত সংগবদ্ধ ৰূপত অধিক আক্ৰমনাত্মক হৈ উঠে আৰু খেলৰ ৫৫ মিনিটত হিংৰিজানৰ হৈ ৰাইট উইংগাৰ বিক্ৰম ভূমিজে এটা দৃষ্টিনন্দন গলেৰে দলক ১-০ ৰ অগ্ৰগতি প্ৰদান কৰে। ইয়াৰ পাছতে বালিখুটি গোমোঠা ফুটবল ক্লাবে খেলখনত সমতা স্থাপনৰ বাবে হিংৰিজানৰ গলবস্কৰ সন্মূখত কেবাবাৰো আক্ৰমণ ৰচনা কৰে যদিও সফল হ'ব পৰা নাছিল। অৱশ্যে খেলখনৰ অন্তিম হুইছেল বাজিবলৈ মাত্ৰ দুই মিনিট বাকী থকা অৱস্থাত বালিখুটিৰ হৈ ক্ৰিচ লাচনে দিয়া গলৰ জড়িয়তে দলটোৱে নিৰ্ধাৰিত সময়ৰ ভিতৰত ১-১ত সমতা স্থাপন কৰিবলৈ সক্ষম হয়। পৰৱৰ্তী সময়ত খেলখনৰ ফলাফল নিৰূপণৰ বাবে পৰিচালক হৰেশ্বৰ সন্দিকৈয়ে টাইবেকাৰ পদ্ধতিৰ সহায় লয়। টাইবেকাৰত হিংৰিজানৰ হৈ মহাদেৱ মুণ্ডা, তুলন পাণ্ডৱ, শিৱ কালান্দি, দেৱ তাঁতী, বিক্ৰম ভূমিজ আৰু ৰোহিত টুৰীয়ে গল স্ক'ৰ কৰাৰ বিপৰীতে বালিখুটি গোমোঠা ফুচবল ক্লাবৰ হৈ সুৰজিৎ মিলি, ৰনোজ লাচন, বিশাল মিলি, জিণ্টু পাংগিং আৰু কুশল দলেই গল স্ক'ৰ কৰাত হিংৰিজান ফুটবল ক্লাবে সামগ্ৰিকভাৱে ৭-৬ গলৰ ব্যৱধানত জয়ী হৈ প্ৰতিযোগিতাৰ ছেমিফাইনেলত উপনীত হয়। আজিৰ খেলখন পৰিচালনা কৰাত ৰেফাৰী হৰেশ্বৰ সন্দিকৈক সহায় কৰে পৰেশ হাতীবৰুৱা, নীলঞ্জন চেতিয়া আৰু অপূৰ্ব চেতিয়াই। ইয়াৰ পূৰ্বে খেলখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে বিশিষ্ট ক্ৰীড়া সংগঠক তথা অসম কলেজ শিক্ষক সন্থাৰ প্ৰাক্তন সম্পাদক তুলসী দসে। কাইলৈ প্ৰতিযোগিতাৰ প্ৰথমখন ছেমিফাইনেল খেল অনুষ্ঠিত হ'ব। বিয়লি ২-৩০ বজাৰ পৰা আৰম্ভ হ'ব লগা খেলখনতগড় পাৰা ফুটবল ক্লাবে বিপ্লাঘাট ইউনাইটেড ফুটবল ক্লাবৰ মুখামুখি হ'ব।

সৰুপথাৰৰ মণিৰাম গোৱালাৰ কণ্ঠত মুক্তি লাভ 'হামদেৰ নানা জালা' ঝুমইৰ গীত

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ১১ ছেপ্টেম্বৰ ঃ সৰুপথাৰ সমজিলাৰ খনিকৰ পানজান গাঁৱৰ প্ৰতিভাৱান কণ্ঠশিল্পী মণিৰাম গোৱালাৰ কণ্ঠত মুক্তি লাভ কৰিছে এটি নতুন ঝুমইৰ গীত— 'হামদেৰ নানা জালা'। চাহ জনগোষ্ঠীৰ জীৱন-জীৱিকা, অধিকাৰ আৰু দীৰ্ঘদিনীয়া বঞ্চনাৰ যন্ত্ৰণাক গীতৰ মাজেৰে তুলি ধৰিবলৈ প্ৰয়াস কৰিছে শিল্পীগৰাকীয়ে। সৰুৰে পৰাই সংগীতৰ প্ৰতি গভীৰ অনুৰাগী মণিৰাম গোৱালাই সংগীতৰ ক্ষেত্ৰখনত নিজকে প্ৰতিষ্ঠা কৰাৰ বাবে নিৰন্তৰ সংগ্ৰাম কৰি আহিছে। ইতিমধ্যে তেওঁ চাহ জনগোষ্ঠীৰ জীৱনকেন্দ্ৰিক বহু গীত নিজেই ৰচনা কৰাৰ লগতে সুৰো কৰিছে। অৱশ্যে বিভিন্ন কাৰণত এতিয়ালৈকে নিজৰ গীতসমূহ বাণীবদ্ধ কৰাৰ সুযোগ লাভ কৰা নাছিল। এইবাৰ প্ৰথমবাৰৰ বাবে নিজৰ ৰচনা আৰু সুৰেৰে এটি ঝুমইৰ গীত ষ্টুডিঅ'ত বাণীবদ্ধ কৰে মণিৰামে। এম জি প্ৰডাকচনৰ অধীনত বাণীবদ্ধ কৰা গীতটোৰ নাম দিয়া হৈছে 'হামদেৰ নানা জালা'। গীতটোৰ কথা আৰু সুৰ শিল্পীগৰাকীৰ নিজা। 'হামদেৰ নানা জালা' গীতটোৰ জৰিয়তে চাহ জনগোষ্ঠীৰ বহু লোকৰ দীৰ্ঘদিনীয়া ভূমিৰ অধিকাৰ আৰু মাটিৰ পট্টা লাভৰ সমস্যাক বিষয়বস্তু হিচাপে তুলি ধৰা হৈছে। মাটিৰ পট্টা প্ৰদানৰ প্ৰতিশ্ৰুতি দীৰ্ঘদিন ধৰি পূৰণ নোহোৱাৰ ফলত চাহ জনগোষ্ঠীয় লোকসকলে ভুগি অহা বঞ্চনা আৰু যন্ত্ৰণাৰ লগতে নিজৰ অধিকাৰৰ দাবীত আন্দোলন কৰিবলৈ গৈ আৰক্ষীৰ বাধা আৰু লাঠীচাৰ্জৰ সন্মুখীন হ'বলগীয়া হোৱা বিষয়টোও গীতটোৰ মাজেৰে প্ৰতিবাদী ৰূপত প্ৰকাশ কৰিছে শিল্পীগৰাকীয়ে। প্ৰথমবাৰৰ বাবে ষ্টুডিঅ'ত নিজৰ গীত বাণীবদ্ধ কৰাৰ পিছত মণিৰাম গোৱালা যথেষ্ট উৎফুল্ল হৈ পৰে। খনিকৰ পানজানস্থিত নিজ বাসগৃহত পৰিয়ালবৰ্গ, আত্মীয়-স্বজন আৰু ওচৰ-চুবুৰীয়া ৰাইজৰ উপস্থিতিত এক সৰল অনুষ্ঠানৰ মাজেৰে গীতটো 'মণিৰাম গোৱালা' নামৰ নিজৰ ইউটিউব চেনেলৰ যোগেদি মুকলি কৰি চাহ জনগোষ্ঠীয় ৰাইজ তথা অসমবাসী ৰাইজৰ মাজলৈ আগবঢ়াই দিয়ে। চাহ জনগোষ্ঠীৰ লোকসকলৰ লগতে সমগ্ৰ অসমবাসী ৰাইজে তেওঁৰ এই প্ৰয়াসক আদৰি ল'ব বুলি আশা প্ৰকাশ কৰিছে কণ্ঠশিল্পী মণিৰাম গোৱালাই। নিজৰ গীতৰ জৰিয়তে জনগোষ্ঠীটোৰ আশা-আকাংক্ষা, দুখ-দুৰ্দশা আৰু অধিকাৰৰ কথা অধিক ব্যাপকভাৱে ৰাইজৰ মাজলৈ লৈ যোৱাৰ সংকল্পও ব্যক্ত কৰে শিল্পীগৰাকীয়ে।

গীতে-মাতে প্ৰাণৰ শিল্পীলৈ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি; ন্যায়ৰ দাবী জনাব ডিব্ৰুগড়বাসীয়ে

ডিব্ৰুগড়ত ১৯ ছেপ্টেম্বৰ 'জুবিন দিৱস' পালনৰ প্ৰস্তুতি

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১১ ছেপ্টেম্বৰ ঃ অসমৰ সাংস্কৃতিক জগতলৈ অপূৰণীয় ক্ষতি কৰি মহাপ্ৰয়াণ ঘটা প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ স্মৃতি যুগমীয়া কৰাৰ উদ্দেশ্যে অহা ১৯ ছেপ্টেম্বৰ দিনটো 'জুবিন দিৱস' হিচাপে পালন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে উজনি অসমৰ অন্যতম সাংবাদিক সংগঠন "বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবে"। ডিব্ৰুগড় যুৱ সমাজ আৰু ডিব্ৰুগড় সাহিত্য সভাৰ সহযোগত অনুষ্ঠিত হ'বলগীয়া এই বিশেষ কাৰ্যসূচীত ডিব্ৰুগড়বাসীয়ে গীতে-মাতে, স্মৃতি আৰু শ্ৰদ্ধাৰে প্ৰিয় শিল্পীগৰাকীক ৰাজহুৱা শ্ৰদ্ধাঞ্জলি নিবেদন কৰাৰ লগতে তেওঁৰ মৃত্যুৰ উচিত ন্যায়ৰ দাবীত ঐক্যবদ্ধভাৱে মাত মাতিব। ডিব্ৰুগড়ৰ থানা চাৰিআলিত সন্ধিয়া ৫-০০ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া অনুষ্ঠানত জুবিন গাৰ্গৰ অমৰ সৃষ্টি আৰু কালজয়ী গীতৰ মাজেৰে শিল্পীগৰাকীক স্মৰণ কৰাৰ লগতে অসমৰ সংগীত আৰু সাংস্কৃতিক ক্ষেত্ৰলৈ তেওঁ আগবঢ়োৱা অনবদ্য অৱদানক শ্ৰদ্ধাৰে সোঁৱৰা হ'ব। এই অনুষ্ঠানত নৃত্যাংগণ কলা কেন্দ্ৰ, ডিব্ৰু লোক সাংস্কৃতিক কেন্দ্ৰ আৰু মুৰ্চনা সংগীত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে কেইবাগৰাকী কণমানি শিশু শিল্পী, জ্যেষ্ঠ শিল্পী আৰু বিভিন্ন ক্ষেত্ৰৰ সাংস্কৃতিক কৰ্মীয়ে অংশগ্ৰহণ কৰিব। ইতিমধ্যে জুবিনৰ কণ্ঠ, সুৰ আৰু সৃষ্টিৰ সৈতে গভীৰভাৱে জড়িত অগণন অনুৰাগীয়ে অনুষ্ঠানটোক সফল কৰি তোলাৰ বাবে ব্যাপক প্ৰস্তুতি আৰম্ভ কৰিছে। প্ৰয়াত জুবিন গাৰ্গৰ মহাপ্ৰয়াণৰ এটা বছৰ সমাগত। এই উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত শিল্পীগৰাকীৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। জুবিন গাৰ্গৰ সহধৰ্মিণী গৰিমা শইকীয়া গাৰ্গে প্ৰিয় শিল্পীগৰাকীৰ স্মৃতি সজীৱ কৰি ৰাখিবলৈ তেওঁৰ মহাপ্ৰয়াণৰ দিনটো 'জুবিন দিৱস' হিচাপে পালন কৰাৰ বাবে ৰাজ্যবাসীলৈ জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনাই বৃহত্তৰ ডিব্ৰুগড় প্ৰেছক্লাব, ডিব্ৰুগড় যুৱ সমাজ আৰু ডিব্ৰুগড় সাহিত্য সভাই যৌথভাৱে ডিব্ৰুগড়ত এই দিৱস পালনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। আয়োজকসকলৰ মতে, জুবিন গাৰ্গ কেৱল এগৰাকী জনপ্ৰিয় গায়ক বা শিল্পী নাছিল; তেওঁ অসমৰ সংগীত, সংস্কৃতি আৰু নতুন প্ৰজন্মৰ আৱেগৰ সৈতে একাত্ম হৈ পৰা এক শক্তিশালী সত্তা আছিল। তেওঁৰ অমৰ সৃষ্টিয়ে অসমৰ সংগীতক দেশ-বিদেশৰ বিভিন্ন প্ৰান্তলৈ লৈ যোৱাৰ লগতে অসংখ্য যুৱক-যুৱতীক নিজৰ ভাষা, সংস্কৃতি আৰু পৰিচয়ক লৈ গৌৰৱান্বিত হ'বলৈ অনুপ্ৰাণিত কৰিছিল। সেয়েহে 'জুবিন দিৱস' কেৱল স্মৃতি সোঁৱৰণৰ এটা অনুষ্ঠানতে সীমাবদ্ধ নাৰাখি শিল্পীগৰাকীৰ সৃষ্টিশীলতা, সমাজ-সচেতনতা আৰু অসমৰ প্ৰতি থকা গভীৰ দায়বদ্ধতাক নতুন প্ৰজন্মৰ মাজলৈ লৈ যোৱাই এই আয়োজনৰ অন্যতম উদ্দেশ্য বুলি আয়োজকসকলে প্ৰকাশ কৰিছে। ১৯ ছেপ্টেম্বৰৰ সন্ধিয়া বিভিন্ন প্ৰজন্মৰ শিল্পী, সংগীতপ্ৰেমী, সাহিত্যিক, সাংবাদিক, যুৱ সমাজৰ প্ৰতিনিধি আৰু সাধাৰণ ৰাইজে একেলগে অংশগ্ৰহণ কৰি প্ৰাণৰ শিল্পীগৰাকীক শ্ৰদ্ধাৰে সোঁৱৰণ কৰিব। গীতে-মাতে জুবিনক স্মৰণ কৰাৰ সমান্তৰালভাৱে তেওঁৰ মৃত্যুৰ উচিত ন্যায়ৰ দাবীত ডিব্ৰুগড়ৰ পৰাও এক ঐক্যবদ্ধ বাৰ্তা প্ৰেৰণ কৰা হ'ব। 'জুবিন দিৱস'ৰ জৰিয়তে ডিব্ৰুগড়ৰ পৰা উচ্চাৰিত হ'ব একেই বাৰ্তা— জুবিন গাৰ্গ শাৰীৰিকভাৱে আমাৰ মাজত নাথাকিলেও তেওঁৰ গান, সুৰ আৰু সৃষ্টি অসমৰ জনমানসত সদায় জীয়াই থাকিব। ১৯ ছেপ্টেম্বৰৰ সন্ধিয়া ৫ বজাৰ পৰা থানা চাৰিআলিত অনুষ্ঠিত হ'বলগীয়া এই ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত ডিব্ৰুগড়বাসী ৰাইজক উপস্থিত থাকিবলৈ বৃহত্তৰ ডিব্ৰুগড় প্ৰেছক্লাবৰ সভাপতি মনজিৎ বৰা আৰু সম্পাদক ৰাতুল বুঢ়াগোহাঁই, ডিব্ৰুগড় যুৱ সমাজৰ সভাপতি খগেন দত্ত আৰু সম্পাদক টমাচ বুঢ়াগোহাঁই, ডিব্ৰুগড় সাহিত্য সভাৰ উপ-সভাপতি যাদৱ গগৈ আৰু সহকাৰী সম্পাদক মীনাক্ষী দাস বৰুৱাই আহ্বান জনাইছে।

নাৰ্চিং শিক্ষাৰ লগতে জাপানীজ-জাৰ্মান ভাষাৰ প্ৰশিক্ষণ, অসম চৰকাৰৰ সৈতে চুক্তিবদ্ধ

গাঁৱৰ চোতালৰ পৰা জাপানৰ মাটিলৈ; স্ব-নিৰ্ভৰশীলতাৰ অনন্য যাত্ৰা চাৰি যুৱতীৰ

নুমলীগড় শোধনাগাৰৰ সামাজিক দায়বদ্ধতা আঁচনিৰ পৃষ্ঠপোষকতাত VK-NRL School of Nursingৰ চমকপ্ৰদ সফলতা

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১১ ছেপ্টেম্বৰ ঃ এয়া কেৱল এখন নাৰ্চিং স্কুলৰ সফলতাৰ কাহিনী নহয়; এয়া এখন গাঁৱৰ ঘৰৰ পৰা সাত সাগৰ তেৰ নদী পাৰ হৈ জাপানৰ মাটিত আত্মনিৰ্ভৰশীলতাৰ নতুন ঠিকনা বিচাৰি পোৱা অসমীয়া যুৱতীৰ সপোনৰ কাহিনী। কোনে কয় অসমৰ শিক্ষিত যুৱক-যুৱতীৰ কৰ্মোদ্যম নাই? কোনে কয় সুযোগ পালেও অসমীয়া যুৱ প্ৰজন্মই নিজকে প্ৰতিষ্ঠা কৰিব নোৱাৰে? সুযোগ, সঠিক পথনিৰ্দেশনা আৰু উপযুক্ত প্ৰশিক্ষণ লাভ কৰিলে অসমৰ গ্ৰামাঞ্চলৰ যুৱতীয়েও যে বিশ্বৰ কৰ্মক্ষেত্ৰত নিজৰ দক্ষতাৰ পৰিচয় দিব পাৰে—তাৰেই জীৱন্ত প্ৰতিচ্ছবি এতিয়া নুমলীগড় শোধনাগাৰৰ VK-NRL School of Nursing। নুমলীগড় শোধনাগাৰ লিমিটেডৰ সামাজিক দায়বদ্ধতা আঁচনিৰ পুঁজিৰে পৰিচালিত আৰু বিবেকানন্দ কেন্দ্ৰ, কন্যাকুমাৰীৰ তত্বাৱধানত চলি থকা এই নাৰ্চিং বিদ্যালয়খনে বিগত সময়ছোৱাত কেৱল গুণগত নাৰ্চিং শিক্ষা প্ৰদান কৰাই নহয়, ছাত্ৰীসকলৰ সন্মুখত মুকলি কৰি দিছে বিশ্বৰ কৰ্মবজাৰৰ দুৱাৰ। আৰু সেই দুৱাৰেদিয়েই গোলাঘাটৰ গ্ৰামাঞ্চলৰ চাৰিগৰাকী যুৱতীয়ে আজি জাপানত নাৰ্চিং সেৱাত নিয়োজিত হৈ জীৱন প্ৰতিষ্ঠাৰ নতুন অধ্যায় ৰচনা কৰিছে। VK-NRL School of Nursingত নাৰ্চিং শিক্ষা গ্ৰহণ কৰাৰ পিছত জাপানীজ ভাষাত দক্ষতা অৰ্জন কৰি ২০২৫ চনৰ পৰা জাপানত কৰ্মৰত হৈ আছে গোলাঘাট জিলাৰ গ্ৰামাঞ্চলৰ চাৰিগৰাকী যুৱতী। কমাৰগাঁও টেঙাহোলা গাঁৱৰ প্ৰস্তুতি ঠেঙাল বৰ্তমান জাপানৰ টকিঅ'ত কৰ্মৰত। ফৰকাটিং এক নম্বৰ তিৰুৱাল গাঁৱৰ জাহ্নৱী শইকীয়া কৰ্মৰত জাপানৰ ইবাৰাকী কেনত। একেদৰে গোলাঘাটৰ বাদুলিপাৰ অঞ্চলৰ বুঢ়ালিকচন গাঁৱৰ ডিম্পল গগৈ আৰু তৰফাত কোঁচ গাঁৱৰ অৰ্চনা শইকীয়া কৰ্মৰত জাপানৰ য়ামানাশী কেনত। দেশৰ কোনো এখন মহানগৰীত নহয়, নিজৰ গাঁৱৰ পৰিৱেশৰ পৰা ওলাই এই যুৱতীসকলে আজি সুদূৰ জাপানত নাৰ্চিং সেৱা আগবঢ়াইছে। নিজৰ পেছাগত দক্ষতাৰ জৰিয়তে তেওঁলোকে কেৱল আত্মনিৰ্ভৰশীল হোৱাই নহয়, অসমৰ গ্ৰামাঞ্চলৰ অসংখ্য যুৱতীৰ বাবে এক নতুন সম্ভাৱনাৰ বাট মুকলি কৰিছে। **নাৰ্চিংৰ সৈতে বিদেশী ভাষাৰ পাঠঃ** সাধাৰণতে নাৰ্চিং শিক্ষাৰ অৰ্থ হ'ল চিকিৎসা সেৱা সম্পৰ্কীয় জ্ঞান আৰু ব্যৱহাৰিক প্ৰশিক্ষণ। কিন্তু VK-NRL School of Nursingৰ শিক্ষণ পদ্ধতিত সংযোজিত হৈছে ইয়াতকৈও বহল পৰিসৰ। নাৰ্চিং পাঠ্যক্ৰমৰ সমান্তৰালভাৱে ছাত্ৰীসকলক প্ৰশিক্ষণ দিয়া হয় জাপানীজ আৰু জাৰ্মান ভাষাত। ইয়াৰ উপৰি নিয়মীয়া যোগাভ্যাস, আধ্যাত্মিক শিক্ষা আৰু মটিভেচনেল শিক্ষাৰ জৰিয়তে ছাত্ৰীসকলৰ শাৰীৰিক-মানসিক উৎকৰ্ষ সাধনৰ ওপৰতো গুৰুত্ব দিয়া হয়। ফলত নাৰ্চিং সেৱাত দক্ষতা অৰ্জনৰ লগতে ছাত্ৰীসকল বিশ্বৰ বিভিন্ন দেশত কৰ্মসংস্থাপনৰ বাবে নিজকে প্ৰস্তুত কৰিবলৈ সক্ষম হৈছে। এই নাৰ্চিং স্কুলখন নুমলীগড় শোধনাগাৰ লিমিটেডৰ সামাজিক দায়বদ্ধতাৰ এক বাস্তৱ সফলতা। ২০১৭ চনত প্ৰতিষ্ঠা হোৱা VK-NRL School of Nursingত গোলাঘাট জিলাৰ শিক্ষিত যুৱতীৰ বাবে ৬০ শতাংশ আসন সংৰক্ষিত। দৰিদ্ৰ পৰিয়ালৰ যোগ্য ছাত্ৰীৰ বাবে শিক্ষাগ্ৰহণৰ সুযোগ বিনামূলীয়া। বিদ্যালয়খনৰ অধ্যক্ষ কবিতা দেৱী আৰু উপাধ্যক্ষ কেথলিন কুজুৰে কয় যে বিদ্যালয়খনৰ পৰা উত্তীৰ্ণ ছাত্ৰীসকলৰ সংস্থাপনৰ ক্ষেত্ৰত উল্লেখযোগ্য সফলতা লাভ কৰা হৈছে। তেওঁলোকৰ মতে, নুমলীগড় শোধনাগাৰৰ মানৱ সম্পদ বিভাগৰ মুখ্য মহাপ্ৰবন্ধক মিণ্টু সন্দিকৈৰ বিশেষ উদ্যোগ আৰু তৎপৰতাত জাপানীজ ভাষা শিকি গোলাঘাটৰ গ্ৰামাঞ্চলৰ যুৱতীয়ে জাপানত কৰ্মসংস্থাপন লাভ কৰাটো বিদ্যালয়খনৰ বাবে অত্যন্ত গৌৰৱৰ বিষয়। বিদ্যালয় কৰ্তৃপক্ষই লগতে উল্লেখ কৰে যে নুমলীগড় শোধনাগাৰৰ পৰিচালন সঞ্চালক ভাস্কৰজ্যোতি ফুকনৰ বিদ্যালয়খনৰ নাৰ্চিং উত্তীৰ্ণ ছাত্ৰীসকলে জাপানীজ ভাষা শিকি জাপানত সেৱা আগবঢ়োৱা এক সপোন আছিল। জাপানত কৰ্মৰত যুৱতীসকলে ভাৰতীয় মূল্যত মাহিলী প্ৰায় ডেৰ লাখ টকা পৰ্যন্ত দৰমহা লাভ কৰাৰ লগতে অতিৰিক্ত কৰ্তব্যৰ বাবে ঘণ্টাপ্ৰতি অতিৰিক্ত পাৰিতোষিক লাভ কৰে বুলি নাৰ্চিং বিদ্যালয়ৰ অধ্যক্ষ কবিতা দেৱীয়ে দৈনিক অগ্ৰদূতৰ আগত প্ৰকাশ কৰিছে। অৰ্থাৎ, এটা দৰিদ্ৰ পৰিয়ালৰ পৰা অহা এগৰাকী ছাত্ৰীৰ বাবে নাৰ্চিং শিক্ষা এতিয়া কেৱল চাকৰি লাভৰ মাধ্যম নহয়—ই হৈ পৰিছে পৰিয়ালৰ অৰ্থনৈতিক পৰিৱৰ্তন আৰু সামাজিক মৰ্যাদা লাভৰ এক শক্তিশালী সঁজুলি। এই সমগ্ৰ প্ৰক্ৰিয়াত নুমলীগড় শোধনাগাৰৰ সামাজিক দায়বদ্ধতা আঁচনিৰ ভূমিকা বিশেষভাৱে উল্লেখযোগ্য। উক্ত নাৰ্চিং স্কুলখন নুমলীগড় শোধনাগাৰৰ সামাজিক দায়বদ্ধতা আঁচনিৰ পুঁজিৰে পৰিচালিত হোৱাৰ লগতে এগৰাকী নাৰ্চিং প্ৰশিক্ষাৰ্থীক জাপানীজ ভাষাত দক্ষ কৰি তুলিবলৈ শোধনাগাৰটোৱে CSR আঁচনিৰ জৰিয়তে প্ৰায় ৮০ হাজাৰ টকা ব্যয় কৰে। বৰ্তমান বিদ্যালয়খনৰ ১১ গৰাকী ছাত্ৰীয়ে জাপানীজ ভাষাৰ প্ৰশিক্ষণ গ্ৰহণ কৰি আছে। আনহাতে ৩ গৰাকী ছাত্ৰীয়ে জাৰ্মান ভাষাৰ শিক্ষাও গ্ৰহণ কৰি আছে। এই পদক্ষেপে নাৰ্চিং শিক্ষাক কেৱল পৰম্পৰাগত শিক্ষাৰ সীমাৰ ভিতৰত আবদ্ধ নাৰাখি আন্তঃৰাষ্ট্ৰীয় কৰ্মসংস্থাপনৰ সৈতে সংযোগ স্থাপন কৰিবলৈ সক্ষম হৈছে নুমলীগড় শোধনাগাৰ। আৰু এখোজ আগুৱাই এইবৰ্ষৰ পৰা VK-NRL School of Nursingত নাৰ্চিং পাঠ্যক্ৰমৰ সৈতে জাপানীজ ভাষাৰ শিক্ষণ বাধ্যতামূলক কৰা হৈছে। বিশ্বমানৰ কৰ্মক্ষেত্ৰত অসমৰ দক্ষ মানৱ সম্পদ গঢ়ি তোলাৰ লক্ষ্যৰে নুমলীগড় শোধনাগাৰ লিমিটেডে অসম চৰকাৰৰ CM-FLIGHT Scheme (Chief Minister's Foreign Language Initiative for Global Human Talent)-ৰ সৈতেও এই সন্দৰ্ভত চুক্তিবদ্ধ হৈছে। ইয়াৰ জৰিয়তে ৰাজ্যখনৰ শিক্ষিত যুৱ প্ৰজন্মক বিদেশৰ কৰ্মক্ষেত্ৰৰ বাবে প্ৰস্তুত কৰাৰ এক নতুন দুৱাৰ মুকলি হোৱাৰ সম্ভাৱনা সৃষ্টি হৈছে। উল্লেখ্য যে, VK-NRL School of Nursingৰ সামাজিক দায়বদ্ধতা নাৰ্চিং শিক্ষাতে সীমাবদ্ধ নহয়। সমীপৱৰ্তী বিভিন্ন শিক্ষানুষ্ঠানত বিনামূলীয়াকৈ যোগ শিক্ষা, মটিভেচনেল প্ৰগ্ৰাম আদি অনুষ্ঠিত কৰি বিদ্যালয়খনে ছাত্ৰ-ছাত্ৰীৰ মাজত স্বাস্থ্য, শৃংখলা, আত্মবিশ্বাস আৰু ইতিবাচক জীৱনদৃষ্টিৰ বীজ সিঁচি আহিছে। সেই অৰ্থত বিদ্যালয়খন এতিয়া কেৱল এখন নাৰ্চিং শিক্ষানুষ্ঠান নহয়; ই গ্ৰামাঞ্চলৰ শিক্ষিত যুৱতীৰ সপোনক বাস্তৱ ৰূপ দিয়াৰ এক সামাজিক পৰিৱৰ্তনৰ কেন্দ্ৰ হিচাপে পৰিগণিত হৈছে। ইয়াৰ সফলতাৰ আঁৰত আছে এক সামূহিক প্ৰচেষ্টা। এই অনন্য সফলতাৰ বাবে নুমলীগড় শোধনাগাৰ লিমিটেডৰ পৰিচালন সঞ্চালক ভাস্কৰজ্যোতি ফুকন, মানৱ সম্পদ বিভাগৰ জ্যেষ্ঠ মুখ্য মহাপ্ৰবন্ধক কাজল শইকীয়া, মানৱ সম্পদ বিভাগৰ মুখ্য মহাপ্ৰবন্ধক মিণ্টু সন্দিকৈকে ধৰি সংশ্লিষ্ট বিষয়া-কৰ্মচাৰী আৰু VK-NRL School of Nursingৰ সমগ্ৰ পৰিয়াল নিশ্চিতভাৱে কৃতিত্বৰ দাবীদাৰ। প্ৰকৃতাৰ্থতে এয়া কেৱল চাৰিগৰাকী যুৱতীৰ সফলতা নহয়। এয়া অসমৰ গ্ৰামাঞ্চলৰ কন্যাৰ সপোনৰ সফলতা। এয়া দেখুৱাইছে— সুযোগ দিলে অসমৰ যুৱতীয়ে দেশৰ সীমাৰেখা অতিক্ৰম কৰি বিশ্বৰ কৰ্মক্ষেত্ৰতো নিজৰ যোগ্যতাৰ স্বাক্ষৰ ৰাখিব পাৰে। আৰু সেই সুযোগ সৃষ্টি কৰি নুমলীগড় শোধনাগাৰ লিমিটেডে সামাজিক দায়বদ্ধতাৰ এক নতুন সংজ্ঞা দাঙি ধৰিছে। CSR যদি কেৱল ধন ব্যয় নহয়, মানুহৰ জীৱন সলনি কৰাৰ এক শক্তি হয়— তেন্তে VK-NRL School of Nursing তাৰেই এক উজ্জ্বল বাস্তৱ উদাহৰণ।

নগাঁও লোকসভা উপনিৰ্বাচন; প্ৰথম পৰ্যায়ৰ ইভিএম যাদৃচ্ছিকীকৰণ সম্পন্ন



অসম বাৰ্তা, বঢ়মপুৰ, ১১ ছেপ্টেম্বৰ ঃ অহা ৬ অক্টোবৰত অনুষ্ঠিত হ'বলগীয়া ৯ নং নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে প্ৰথম পৰ্যায়ৰ ইভিএম আৰু ভিভিপেটৰ যাদৃচ্ছিকীকৰণ আজি সম্পন্ন কৰা হয়। জিলা আয়ুক্ত আৰণ্যক শইকীয়াৰ অধ্যক্ষতাত জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত এই প্ৰক্ৰিয়াত ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধিৰ উপস্থিতিত কম্পিউটাৰাইজড লটাৰীৰ জৰিয়তে বিভিন্ন বিধানসভা সমষ্টিলৈ ইভিএম আৰু ভিভিপেট আৱণ্টন কৰা হয়। ৫৫ নং ধিং, ৫৬ নং ৰূপহীহাট, ৫৮ নং চামগুৰি, ৬০ নং নগাঁও-বটদ্ৰৱা আৰু ৬১ নং ৰহা বিধানসভা সমষ্টিৰ বাবে এই যাদৃচ্ছিকীকৰণ সম্পন্ন কৰা হয়। নিৰ্বাচনী প্ৰক্ৰিয়াত স্বচ্ছতা আৰু বৈধতা নিশ্চিত কৰাৰ লক্ষ্যৰে অনুষ্ঠিত কাৰ্যসূচীত নিৰ্বাচনী বিষয়া আৰু বিভিন্ন ৰাজনৈতিক দলৰ প্ৰতিনিধিসকল উপস্থিত থাকে।

শিক্ষিত নিবনুৱাৰ দক্ষতা প্ৰশিক্ষণেৰে নুমলীগড় শোধনাগাৰৰ অভিলাষী পদক্ষেপ

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১১ ছেপ্টেম্বৰ ঃ কামৰূপ সোণাপুৰস্থিত Tata Straveৰ জৰিয়তে শিক্ষিত নিবনুৱা যুৱক-যুৱতীক দক্ষতাপূৰ্ণ হিচাপে গঢ়ি তুলি ১০০ শতাংশ job graentee ৰ বিশেষ লক্ষ্য নুমলীগড় শোধনাগাৰৰ সামাজিক দায়বদ্ধতা আঁচনিৰ। পৰ্যটন মন্ত্ৰালয়, স্কিল ইণ্ডিয়া, IHCL TATA STRIVE। আৰু NRLৰ সুসমন্বয়ৰে আতিথ্য খণ্ডত দক্ষতা বিকাশৰ অৰ্থে শিক্ষিত নিবনুৱা যুৱক-যুৱতীৰ সংস্থাপনৰ ১০০ শতাংশ নিৰ্ভৰযোগ্যতাৰে বিভিন্ন বিভাগত বিনামূলীয়া প্ৰশিক্ষণৰ ব্যৱস্থাৰ নুমলীগড় শোধনাগাৰ লিমিটেডৰ মহৎ লক্ষ্য। আজি এই সন্দৰ্ভত গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত নগৰৰ কেইবাখনো মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত হয় এই সম্পৰ্কীয় কেৰিয়াৰ গাইডেন্স সজাগতামূলক সভা। উক্ত সভাত নুমলীগড় শোধনাগাৰৰ CSR বিভাগৰ উপ-মহাপ্ৰবন্ধক আশিস বৰুৱা, জ্যেষ্ঠ প্ৰবন্ধক ৰূপজিৎ বৈশ্য, গোলাঘাট বাণিজ্য মহাবিদ্যালয় অধ্যক্ষ ডঃ উৎপল শৰ্মা, সমল ব্যক্তি হিচাপে TATA STRIVE ৰ বিষয়াসকল উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত দক্ষতা বিকাশৰ এনে প্ৰশিক্ষণৰ বিষয়ে বিস্তৃতভাৱে আলোকপাত কৰে। আতিথ্য খণ্ডৰ ১৪ সপ্তাহৰ খাদ্য আৰু পানীয় সেৱাৰ ব্যৱহাৰিক প্ৰশিক্ষণ, ফ্ৰণ্ট অফিচ এছ'চিয়েটৰ ১১ সপ্তাহৰ প্ৰশিক্ষণ, হাউছকিপিং অপাৰেচন্সৰ ১৭ সপ্তাহৰ প্ৰশিক্ষণ, কমিছ শ্বেফৰ ১৮ সপ্তাহৰ প্ৰশিক্ষণ, স্পা থেৰাপিষ্টৰ ১২ সপ্তাহৰ প্ৰশিক্ষণৰ লগতে কম্পিউটাৰ আৰু ইংৰাজী ভাষাৰ প্ৰশিক্ষণ আদিৰ বাবে ইতিমধ্যে নাম ভৰ্তি আৰম্ভ হৈছে। নাম ভৰ্তিৰ বাবে ৯৩৬৫১ ৩৯৩২৫, ৭০০২৪ ৫৮৩০০, ৭০০২৪ ৫৮৪০০ এই নম্বৰত যোগাযোগ কৰিব পাৰিব।

মধ্যযুগীয় অসমীয়া সাহিত্যত শংকৰদেৱৰ অৱদান

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনা বিশ্বৰ ভিতৰতে এগৰাকী অদ্বিতীয় বহুগুণী পুৰুষ। জ্ঞান, প্ৰজ্ঞা, মেধা, প্ৰতিভা, আৰু সদিচ্ছাৰ সংমিশ্ৰণত তেওঁ আকাশ চুইছিল। বহুমুখী প্ৰতিভাৰ আকৰ শ্ৰীমন্ত শঙ্কৰদেৱৰ নাম অসমীয়া সাহিত্য, সংস্কৃতি আৰু ধৰ্মীয় ইতিহাসত ভোটা তৰাৰ দৰে জিলিকি আছে আৰু সৰ্বতিকাল জিলিকি থাকিব। তেওঁৰ বহুদৰ্শী চিন্তা আৰু গুণৰ ফলত অসমীয়া জাতিৰ জীৱন ধাৰা, ভাষা, সাহিত্য, ধৰ্ম আৰু সংস্কৃতিৰ ক্ষেত্ৰত এক অভূতপূৰ্ব পৰিৱৰ্তন ঘটিছিল আৰু মৰ্যাদা লাভ কৰিছিল। তেওঁ কেৱল এজন কবি, নাট্যকাৰ বা সংগীতজ্ঞই নাছিল। তেওঁ আছিল এজন দাৰ্শনিক, সমাজ সংস্কাৰক আৰু ধৰ্মীয় গুৰু, যাৰ ভক্তিবাদী দৰ্শনৰ দ্বাৰা অসমীয়া সমাজত নৱজাগৰণৰ সূচনা হৈছিল। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে এক শৰণ হৰিনাম ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰৰ কাৰণে সাহিত্য আৰু সংস্কৃতিক যে শক্তিশালী মাধ্যম হিচাপে ব্যৱহাৰ কৰিছিল সেইটো সৰ্বজন স্বীকৃত। তেওঁৰ দ্বাৰা ৰচিত সাহিত্য ৰাজিত তিনিটা ভাষাৰ প্ৰয়োগ হোৱা দেখা যায়। সেই তিনিটা হ'ল- অসমীয়া, ব্ৰজাৱলী আৰু সংস্কৃত ভাষা। এই তিনিটা ভাষাৰ ভিতৰত প্ৰধানকৈ অসমীয়া আৰু ব্ৰজাৱলী ভাষাৰ সংমিশ্ৰণতেই তেওঁৰ সৰহভাগ ৰচনা ৰচিত হৈছিল। তেওঁৰ ৰচনাৰ সৰলতা, ভক্তিভাৱ আৰু শৈল্পিক উৎকৰ্ষই অসমীয়া সাহিত্যক এক সুকীয়া পৰিচয় প্ৰদান কৰিছিল। আমাৰ এই লেখাত শংকৰদেৱৰ সাহিত্যিক অৱদানৰ লগতে তেওঁৰ কৰ্মৰাজিৰ সামাজিক, সাংস্কৃতিক আৰু ধৰ্মীয় প্ৰভাৱৰ বিষয়ে এটি আলোচনা আগবঢ়াবলৈ চেষ্টা কৰা হৈছে।



সাহিত্য কাণ্ডাৰী, পদ্মনাথ গোহাঞি বৰুৱা দেৱে 'অসমীয়া সাহিত্যৰ মধ্যযুগ' (অভিভাষণ, অসম সাহিত্য সন্মিলন- ১৯১৭) শীৰ্ষক লেখাত মন্তব্য কৰিছে- অসমীয়া সাহিত্যৰ মধ্যযুগকে অসমীয়া সাহিত্যৰ পোহৰৰ যুগ বুলিব পাৰি। এই যুগতে অসমীয়া সাহিত্যই উন্নতিৰ মুধ চুইছিলগৈ বুলি উল্লেখ কৰি তেখেতে লিখিছে যে - (হুবহু) এই যুগতে অসমীয়া সাহিত্যই পূৰ্ণ-শ্ৰী ধৰি জগতৰ সাহিত্য- গগণত এটি অতি উজ্জ্বল নক্ষত্ৰৰ দীপ্তিৰে দীপ্তিমান হৈছিল। ক্ষণজন্মা মহাপুৰুষ শঙ্কৰদেৱৰ উদ্ভৱেই এই যুগত অসমীয়া সাহিত্যৰ অসাধাৰণ শ্ৰীবৃদ্ধিৰ আচল কাৰণ। ঈশ্বৰৰ ইচ্ছাত যি মহৎ উদ্দেশ্যে পৃথিবীত মহাপুৰুষ সকলৰ উদ্ভৱ হয়, মহাপুৰুষ শঙ্কৰদেৱৰ উদ্ভৱতো সেই মহান উদ্দেশ্য বিৰাজমান। শঙ্কৰৰ অৱতাৰী আবিৰ্ভাৱৰ আগলৈকে অসমীয়া সমাজ জ্ঞান ধৰ্ম বিৱৰ্জিত আৰু নৈতিক বলবিহীন হৈ একেবাৰে অধঃপাতে গৈছিল। জ্ঞানৰ অভাৱ, ধৰ্ম বিশ্বাসত কুসংস্কাৰ, নীতি আচাৰাদিৰ বান্ধ- ঢিলা ইত্যাদি হীনতাৰ দোষত কলুসিত হৈ অসমীয়া জাতীয় জীৱনে মৰ-শ্ৰী ধৰিছিল। এনে পতিত অৱস্থাৰ পৰা অসমীয়া জাতিক উদ্ধাৰ কৰাৰ মানসে ভগৱন্তে যথা সময়ত মহাপুৰুষ শঙ্কৰদেৱৰ 'সম্ভৱ' ঘটায়। শঙ্কৰদেৱে স্বীয় অলৌকিক প্ৰতিভাৰ পোহৰত ফটফটীয়াকৈ দেখিলে যে এই পতিত জাতিটোক উদ্ধাৰ কৰিবলৈ হলে তাৰ ধৰ্ম, সমাজ আৰু সাহিত্যৰ সম্বন্ধ একোদালি সূতাৰে এনেভাৱে গাঁঠিব লাগিব যাতে জ্ঞানৰ পোহৰ নাপাই আন্ধাৰত খেপিয়াই ফুৰা অসমীয়া জনসাধাৰণে এটাক ধৰি আনটোক এৰিব নোৱাৰা হয়। সেই উদ্দেশ্যে শঙ্কৰদেৱে ধৰ্মৰ মোহিনী মন্ত্ৰেৰে জাৰি এটি অভিনৱ অসমীয়া সাহিত্য গঢ়িবলৈ সঙ্কল্প কৰিলে। ' মহান মনীষি পদ্মনাথ গোহাঞি বৰুৱা দেৱৰ উল্লিখিত লেখাখিনিৰ জৰিয়তেই মধ্যযুগত অসমীয়া সাহিত্যই কেনেভাৱে গুৰুজনাৰ চেষ্টাত উন্নতিৰ শিখৰত অৱস্থান কৰিছিল সেয়া ফটফটীয়াকৈ প্ৰকাশ পাইছে। এক কথাত মহাপুৰুষ শংকৰদেৱে ধৰ্ম প্ৰচাৰ, শিক্ষা, চিত্ৰবিদ্যা, সমাজ সংস্কাৰ, সাহিত্য সৃষ্টি, সংগীত, অভিনয় সকলো বিষয়তে অসমীয়া জাতি আৰু অসমীয়া ভাষা সাহিত্যক জীৱনী শক্তি প্ৰদান কৰি থৈ গৈছে।

শঙ্কৰদেৱে মহেন্দ্ৰ কণ্ডলিৰ টোলত শিক্ষাগ্ৰহণ কৰি থকা অৱস্থাৰ পৰাই বেদ-উপনিষদ, কাব্য-মহাকাব্য, পুৰাণ-উপ পুৰাণকে ধৰি সমগ্ৰ ভাৰতীয় চিন্তা-চৰ্চা আৰু শিল্প-সাহিত্যৰ লগত গভীৰ ভাৱে পৰিচিত হৈছিল। তেওঁ দুবাৰকৈ তীৰ্থ ভ্ৰমণ কৰি নানা সাধু, সন্ত, মহন্তৰ লগত ধৰ্মালোচনা কৰিছিল। বাৰ বছৰীয়া তীৰ্থ ভ্ৰমণৰ সময়ছোৱাত তেওঁ সকলো প্ৰধান ধৰ্মগ্ৰন্থ আৰু উপগ্ৰন্থ অধ্যয়নৰ দ্বাৰা সাৰ অংশও গ্ৰহণ কৰিছিল। এই সকলো বোৰৰ পৰা লাভ কৰা জ্ঞানৰ আধাৰত অসমীয়া সমাজ জীৱন আৰু সংস্কৃতিক আকোৱালি ধৰি তেওঁ নিজস্ব চিন্তা- চৰ্চাৰে অসমীয়া জাতিটোক একত্ৰিত কৰি সাহিত্য আৰু সংস্কৃতিৰ সৃষ্টিৰে 'এক শৰণ হৰি নাম ধৰ্ম ' প্ৰচাৰৰ মাধ্যমেদি ঐক্যবদ্ধ অসমীয়া জাতি গঠনত সফল কাম হৈছিল। দ্বিতীয়বাৰ তীৰ্থ ভ্ৰমণৰ অন্তত মহাপুৰুষ জনাই অসমৰ নৱবৈষ্ণৱ ধৰ্মৰ পাতনি মেলে আৰু এই ধৰ্মৰ ফলতে অসমৰ জাতীয় জীৱনত এক বৈপ্-ৱিক পৰিৱৰ্তন ঘটে। ধৰ্মক অৱলম্বন কৰিয়ে তেওঁ অসমীয়া জাতি গঠন কৰাৰ লগতে অসমীয়া সাহিত্য সংস্কৃতিৰো স্বৰ্ণসৌধ নিৰ্মাণ কৰে।

শংকৰদেৱৰ জীৱনকাল আছিল অসমৰ বাবে পৰিৱৰ্তনৰ যুগ। সেই সময়ত আহোম, কোচ আৰু চুতীয়া ৰাজ্যৰ শাসনৰ মাজত সমাজত জাতিভেদ প্ৰথা, অন্ধবিশ্বাস আৰু ধৰ্মীয় কু ৰীতিৰ প্ৰভাৱে চানি ধৰি আছিল। তেওঁৰ বাৰ বছৰীয়া তীৰ্থযাত্ৰাৰ সময়তেই বৃন্দাবন, মথুৰা, পুৰী, গয়া, বাৰানসী, প্ৰয়াগ, অযোধ্যা, বদৰিকাশ্ৰম, কুৰুক্ষেত্ৰ, ইন্দ্ৰপ্ৰস্থ আদিৰ দৰে তীৰ্থ স্থান সমূহ ভ্ৰমণৰ সময়ত তেওঁ ভক্তিবাদৰ গভীৰ দৰ্শনৰ সৈতে পৰিচিত হৈছিল, যি তেওঁৰ সাহিত্য আৰু ধৰ্মীয় কৰ্মৰ মূল প্ৰেৰণা হৈ পৰিছিল। এই অভিজ্ঞতাৰ পৰা তেওঁ নৱ-বৈষ্ণৱ ধৰ্মৰ ভেটি স্থাপন কৰে, যাৰ মূলমন্ত্ৰ আছিল 'একদেৱ, এক সেৱ, এক বিনে নাই কেৱ'। এই দৰ্শনে শ্ৰীকৃষ্ণৰ প্ৰতি নিষ্ঠা আৰু ভক্তিৰ গুৰুত্ব বৃদ্ধি পাইছিল, যি তেওঁৰ সাহিত্যৰ মূল বিষয়বস্তুত পৰিণত হৈছিল। শংকৰদেৱৰ সাহিত্যিক সৃষ্টিৰ কেন্দ্ৰবিন্দু আছিল তেওঁৰ ভক্তিবাদী দৰ্শনৰ প্ৰচাৰ। তেওঁৰ ৰচনাৰ সৰলতা আৰু সৰ্বজনীনতাই সাধাৰণ মানুহৰ মাজত ধৰ্মীয় আৰু নৈতিক শিক্ষাৰ প্ৰচাৰৰ এক শক্তিশালী মাধ্যম হৈ পৰিছিল। শঙ্কৰদেৱৰ ৰচনাৱলী সমূহ হ'ল-হৰিচন্দ্ৰ উপাখ্যন, ভক্তি প্ৰদীপ, ৰুক্মিণী হৰণ কাব্য, কীৰ্তন, গুণমালা, বলিচলন, অমৃত মন্থন, অনাদি-পাতন, ভাগৱতৰ প্ৰথম, দ্বিতীয়, ষষ্ঠ, নৱম, দশম, একাদশ আৰু দ্বাদশ স্কন্ধ, নিমি নৱসিদ্ধ সংবাদ, অজামিল উপাখ্যান, উত্তৰাকাণ্ড ৰামায়ণ, পত্নী প্ৰসাদ, কালিয়দমন, কেলিগোপাল, ৰুক্মিণী হৰণ, পাৰিজাত হৰণ, ৰামবিজয় নাট আৰু বৰগীত। ড° মহেশ্বৰ নেওগে শ্ৰীশঙ্কৰদেৱৰ ৰচনাৱলী সময় অনুসাৰে এনেদৰে ভগাইছে- (কীৰ্তন- ঘোষা আৰু নামঘোষা পুথিভাগৰ পাতনিত 'শ্ৰীশঙ্কৰদেৱৰ চমু চিনাকি' খণ্ডৰ পৰা সংগৃহীত তথ্যৰ আধাৰত) ১। আদি বা বাৰভূঞা ৰাজ্যত কটোৱা কালত-ক) হৰিশ্চন্দ্ৰ উপাখ্যান (মাৰ্কণ্ডেয় পুৰাণ), খ) ভক্তি-প্ৰদীপ (গৰুড় পুৰাণ), গ) কীৰ্তন-ঘোষাৰ উৰেষা বৰ্ণন (ব্ৰহ্মাণ্ড পুৰাণ)। ঘ) ৰুক্মিণীহৰণ কাব্য (হৰিবংশ)। ঙ) প্ৰথম বৰগীত 'মন মেৰি ৰাম চৰণ হি লাগু'। চ) ষষ্ঠ স্কন্ধ বা অজামিল উপাখ্যান। ছ) অষ্টম স্কন্ধ বা গজেন্দ্ৰোপাখ্যান আৰু অমৃত-মন্থন (কীৰ্ত্তন-ঘোষাৰ 'হৰমোহন'ৰ সৈতে)। জ) 'কীৰ্ত্তন-ঘোষা'ৰ অজামিল উপাখ্যান (ষষ্ঠ স্কন্ধ), প্ৰহ্লাদ চৰিত্ৰ (তৃতীয়, সপ্তম স্কন্ধ), হৰমোহন, বলি ছলন, গজেন্দ্ৰোপাখ্যান (অষ্টম স্কন্ধ), চতুৰ্বিংশতি অৱতাৰ-বৰ্ণন, ধ্যান-বৰ্ণন। ঝ) গুণমালা, দ্বিতীয়-ষষ্ঠ অধ্যায় (?)

(২) মধ্য বা অসম ৰাজ্যত কটোৱা কালত-ক) কীৰ্ত্তন-ঘোষাৰ পাষণ্ড মৰ্দ্দন, নাম-অপৰাধ (ভাগৱত, পদ্ম, বিষ্ণুধৰ্মোত্তৰ, বৃহন্নাৰদীয় পুৰাণ আৰু সূত সংহিতা)। খ) পত্নী-প্ৰসাদ নাট (ভাগৱত দশম স্কন্ধ)। গ) কীৰ্ত্তন-ঘোষাৰ শিশুলীলা, ৰাস-ক্ৰীড়া, কংস বধ, গোপী উদ্ধৱ সংবাদ, কুঁজীৰ বাঞ্ছা পূৰণ, অক্ৰুৰৰ বাঞ্ছা পূৰণ।

৩) শেষ বা কোচ ৰাজ্যত কটোৱা কালত-ক) বলি-ছলন (অষ্টম স্কন্ধ)। খ) অনাদি-পাতন (তৃতীয় স্কন্ধৰ বামন পুৰাণ আৰু অন্যান্য কথাৰে লিখিত)।

গ) কীৰ্ত্তন-ঘোষাৰ জৰাসন্ধ-যুদ্ধ, কাল-যৱন বধ, মুচুকুণ্ড স্তুতি, স্যামন্ত-হৰণ, নাৰদৰ কৃষ্ণদৰ্শন, বিপ্ৰ পুত্ৰ-আনয়ন, দামোদৰ বিপ্ৰৰ আখ্যান, দৈৱকীৰ পুত্ৰ-আনয়ন, বেদ-স্তুতি, লীলা-মালা, ৰুক্মিণীৰ প্ৰেম কলহ, ভৃগু-পৰীক্ষা, শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ ভাগৱতৰ তাৎপৰ্য।

ঘ) বহুলভাৱে ভাগৱতৰ স্কন্ধৰ ভাঙনি আৰু কাহিনী- দশম স্কন্ধ আদি, একাদশ স্কন্ধ (আন সংমিশ্ৰণেৰে), দ্বাদশ স্কন্ধ, প্ৰথম স্কন্ধ দ্বিতীয় স্কন্ধ; নৱম স্কন্ধ, (কুৰুক্ষেত্ৰ), নিমি-নৱসিদ্ধ-সংবাদ, গুণমালা, প্ৰথম অধ্যায়, ৰাম কথা- ৰামায়ণ উত্তৰাকাণ্ড,

ঙ) গীত- বৰগীত, তোটয়, ভটিমা। চ) প্ৰকৰণ গ্ৰন্থ- ভক্তি ৰত্নাকৰ।

ছ) নাট- কালিয়-দমন, কেলি গোপাল ৰুক্মিণী হৰণ, পাৰিজাত হৰণ, ৰাম বিজয়।



নলিনী ৰঞ্জন ভূঞা

শঙ্কৰদেৱৰ কাব্য, ভক্তিতত্ত্ব প্ৰকাশক গ্ৰন্থ, অনুবাদমূলক ৰচনা, অংকীয়া নাট, বৰগীত, ভটিমা আৰু নাম প্ৰসংগৰ দৰে বিচিত্ৰ সৃষ্টি সমূহে তেওঁৰ সাহিত্যিক প্ৰতিভাৰ অপৰিমেয় গভীৰতা প্ৰতিফলিত কৰিছে। তেওঁৰ ৰচনাৰ সৰলতা, ছন্দময়তা আৰু ভক্তিৰসৰ সমন্বয়ে অসমীয়া মানুহৰ হৃদয়ত চিৰস্থায়ী ছাপ সৃষ্টি কৰাৰ লগতে সকলোকে একেদাল সূতাৰে বান্ধিবলৈ সক্ষম হৈছিল।

কীৰ্ত্তন-ঘোষা মহাপুৰুষ শংকৰদেৱৰ ধৰ্মীয় আৰু সাহিত্যিক জীৱনৰ শ্ৰেষ্ঠ সৃষ্টি। এক শৰণ হৰি নাম ধৰ্মৰ মহান আদৰ্শই হৈছে কীৰ্তন-ঘোষাৰ মূল উপজীৱ্য। ইয়াৰ ভাষা অতি সৰল, মৃদু আৰু হৃদয়স্পৰ্শী, যাৰ জৰিয়তে শঙ্কৰদেৱে জটিল ধাৰ্মিক তত্ত্ববোৰ সাধাৰণ মানুহৰ বাবে সহজবোধ্য কৰি তুলিছিল। সেই সময়ৰ প্ৰতিকূল পৰিৱেশ আৰু ধৰ্ম প্ৰচাৰৰ বাবে শঙ্কৰদেৱ গুৰুজনাই বিভিন্ন ঠাই ঘূৰি ফুৰিব লগা হৈছিল। সেয়ে তেখেতে বিভিন্ন ঠাইত পুথি সমূহ ৰচনা কৰিছিল। কীৰ্তন-ঘোষাৰ অন্তৰ্গত বিভিন্ন খণ্ড সমূহো একে কাৰণতেই ভিন ভিন ঠাইত ৰচনা কৰিব লগা হৈছিল। শঙ্কৰদেৱৰ পৰলোকৰ পিছত তেওঁৰ প্ৰিয়তম শিষ্য মাধৱদেৱে তেওঁৰ ভাগিনীয়েক ৰামচৰণ ঠাকুৰক 'কীৰ্তন ঘোষা'ৰ বিভিন্ন অংশ বিলাক সংগ্ৰহ কৰি সম্পাদনা কৰিবলৈ উপদেশ দিয়ে। সেই উপদেশ অনুসৰি ৰামচৰণ ঠাকুৰে কীৰ্তনৰ অন্তৰ্গত খণ্ড সমূহ সংগ্ৰহ কৰি ১৫৯৬ খৃঃত মাধৱদেৱৰ হাতত অৰ্পণ কৰিছিল। ২৭টা খণ্ডৰে ৰচিত এই গ্ৰন্থত সৃষ্টিতত্ত্ব, ভক্তিতত্ত্ব আৰু সামাজিক জীৱনধাৰাক এক জীৱন্ত ৰূপত তুলি ধৰি শ্ৰীকৃষ্ণৰ জীৱনৰ বিভিন্ন পৰ্যায়—জন্মৰ পৰা আৰম্ভ কৰি বৃন্দাবনৰ লীলা, কংস বধ, মথুৰা আৰু দ্বাৰকাৰ ঘটনাৱলী—কাব্যিক আৰু সুৰময় ৰূপত বৰ্ণনা কৰা হৈছে। মহাপুৰুষ শঙ্কৰদেৱৰ কীৰ্তন-ঘোষাত নৱিধ ভক্তিৰ কথা উল্লেখ কৰা হৈছে। শ্ৰৱণ, কীৰ্তন, স্মৰণ, পাদসেৱন, অৰ্চন, বন্দন, দাস্য, সখ্য আৰু আত্মনিৱেদন—এই নৱিধ ভক্তিৰ দ্বাৰা ঈশ্বৰ সেৱাৰ আধ্যাত্মিক পথ সমূহ সুন্দৰ ভাৱে প্ৰতিফলিত কৰা হৈছে। শ্ৰৱণ ভক্তিত- ঈশ্বৰৰ কথা শুনাৰ মাহাত্ম্য বৰ্ণনা কৰা হৈছে, তেওঁৰ গুণগান যে কীৰ্তন ভক্তিৰ মূল বিষয় সেইটো প্ৰকাশ কৰা হৈছে। স্মৰণ ভক্তিত- সদায় ঈশ্বৰক মনত ৰখাৰ কথা কোৱা হৈছে। পাদসেৱন আৰু অৰ্চন ভক্তিত- যথাক্ৰমে তেওঁৰ সেৱা আৰু পূজা-অৰ্চনাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। বন্দন ভক্তিৰ জৰিয়তে- ভক্তিৰে প্ৰণাম কৰাৰ কথা বৰ্ণনা কৰা হৈছে। দাস্য ভক্তিত নিজকে ঈশ্বৰৰ সেৱক বুলি ভাৱিবলৈ শিকোৱা হৈছে আৰু সখ্য ভক্তিত তেওঁক বন্ধুৰূপে গণ্য কৰাৰ কথা উল্লেখ কৰা হৈছে। শেষৰ আত্ম নিৱেদন ভক্তিত আত্ম সমৰ্পণৰ মহান আদৰ্শ ফুটাই তোলা হৈছে। এইনৱিধ ভক্তিয়ে কীৰ্তন-ঘোষাক এক গভীৰ আধ্যাত্মিক গ্ৰন্থ ৰূপে প্ৰতিষ্ঠা কৰিছে। একেদৰে 'গুণমালা' পুথিখনত গুৰু জনাৰ বৰ্ণনা শক্তিৰ পৰিচয় পোৱা যায়। 'গুণমালা' ভাগৱতৰ সাৰ ভাগৰ পৰা যুগুতাই ছয় আখৰীয়া কুসুমমালা ছন্দত ৰচনা কৰা ৩৩৭টা পদৰ অকণমান গ্ৰন্থ। এই পুথিভাগ শঙ্কৰদেৱৰ সাহিত্যিক প্ৰতিভাৰ এক উজ্জ্বল নিদৰ্শন।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ দ্বাৰা বিৰচিত কাব্য সমূহৰ ভিতৰত প্ৰধান হ'ল - হৰিচন্দ্ৰ উপাখ্যান আৰু ৰুক্মিণী হৰণ। 'হৰিচন্দ্ৰ উপাখ্যান' গুৰুজনাৰ প্ৰথম ৰচনা। হৰিচন্দ্ৰ উপাখ্যান কাব্যৰ মূল বিষয়বস্তু, মাৰ্কণ্ডেয় পুৰণাৰ ৭ ম ৮ম অধ্যায়ৰ পৰা লোৱা হৈছিল। এই কাব্যত হৰিচন্দ্ৰ ৰজাৰ জীৱনৰ দুৰ্দশা আৰু বিষ্ণু ভক্তিৰ জৰিয়তে তেওঁৰ মুক্তিৰ কাহিনী অতি সাৱলীলভাৱে বৰ্ণিত হৈছে। এই ৰচনাই তেওঁৰ কাব্যিক দক্ষতাৰ সুস্পষ্ট পৰিচয় দিয়ে। আনহাতে, 'ৰুক্মিণী হৰণ' কাব্যৰ মূল কাহিনী হৰিবংশ পুৰাণ আৰু ভাগৱতৰ পৰা লোৱা হৈছে। এই কাব্যত শ্ৰীকৃষ্ণৰ চৰিত্ৰৰ জৰিয়তে হাস্যৰস আৰু ভক্তিৰসৰ এক অনুপম সংমিশ্ৰণ ঘটোৱাৰ লগতে অসমীয়া সমাজৰ জীৱন ধাৰা, হাস্য-পৰিহাস আৰু সামাজিক পৰিৱেশৰ জীৱন্ত চিত্ৰণে কাব্যখন উপভোগ্য কৰি তুলিছে। শঙ্কৰদেৱৰ 'ভক্তি ৰত্নাকৰ' সংস্কৃত ভাষাত ৰচিত এক মহৎ গ্ৰন্থ, য'ত নৱিধ ভক্তিৰ বিশদ ব্যাখ্যাৰ জৰিয়তে শ্ৰৱণ আৰু কীৰ্তনৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছে। 'নিমি নৱসিদ্ধ সংবাদ'ত ভাগৱতৰ একাদশ স্কন্ধৰ পৰা লোৱা আধ্যাত্মিক আলোচনাই পাঠকৰ মনত গভীৰ প্ৰভাৱ পেলায়। 'ভক্তিপ্ৰদীপ' আৰু 'অনাদি পাতন'ৰ দৰে গ্ৰন্থই ভক্তি আৰু আধ্যাত্মিকতাৰ পথ প্ৰশস্ত কৰি তেওঁৰ দাৰ্শনিক গভীৰতাৰ পৰিচয় দিয়ে। এই ৰচনা সমূহে ভক্তিৰ সহজ পথৰ জৰিয়তে সাধাৰণ মানুহকো আধ্যাত্মিক জীৱনৰ প্ৰতি আকৰ্ষিত কৰে।

শঙ্কৰদেৱৰ অনুবাদ মূলক ৰচনাই অসমীয়া সাহিত্যৰ ভাণ্ডাৰক অপৰিমিত ভাৱে সমৃদ্ধ কৰিছে। তেওঁ ভাগৱতৰ বিভিন্ন স্কন্ধৰ অনুবাদ কৰিছিল, যাৰ ভিতৰত 'দশম স্কন্ধ'ৰ 'আদি দশম' বিশেষভাৱে উল্লেখযোগ্য। এই গ্ৰন্থত শ্ৰীকৃষ্ণৰ জীৱন আৰু লীলাক অতি জীৱন্ত আৰু সাৱলীল ভাৱে বৰ্ণনা কৰা হৈছে। তদুপৰি, উত্তৰাকাণ্ড ৰামায়ণৰ অনুবাদৰ জৰিয়তে তেওঁ এই মহাকাব্যক অসমীয়া পাঠকৰ বাবে সুলভ কৰি তুলিছিল। তেওঁৰ ভাষাৰ সৰলতা আৰু ছন্দময়তাই পৌৰাণিক কাহিনী সমূহক সাধাৰণ মানুহৰ বোধগম্য কৰি তুলিছিল, যাৰ ফলত অসমীয়া সাহিত্যই উচ্চ শিখৰলৈ গতি কৰিছিল।

অসমীয়া নাট্য সাহিত্যৰ ক্ষেত্ৰত শঙ্কৰদেৱৰ অংকীয়া নাট এক অগ্ৰণী সৃষ্টি। 'পত্নীপ্ৰসাদ', 'কালিয় দমন', 'কেলি গোপাল', 'ৰুক্মিণী হৰণ', 'পাৰিজাত হৰণ' আৰু 'ৰাম বিজয়'ৰ দৰে নাট সমূহ ব্ৰজাৱলী ভাষাত ৰচনা কৰা হৈছিল। যাৰ ফলত এইবোৰ সাধাৰণ দৰ্শকৰ বাবে সহজবোধ্য হৈ পৰিছিল। এই নাট সমূহত সংগীত, নৃত্য আৰু অভিনয়ৰ সমন্বয়ত এক নতুন শৈল্পিক ৰূপৰ জন্ম হৈছিল, যিয়ে অসমীয়া সংস্কৃতিত এক অভিনৱ মাত্ৰা যোগ কৰিছিল। শঙ্কৰদেৱৰ এই অংকীয়া নাটৰ জৰিয়তে ভক্তিৰ বাৰ্তা সাধাৰণ জনতাৰ মাজলৈ সহজতে বিয়পি পৰিছিল। একেদৰে বৰগীত আৰু ভটিমাও অসমীয়া সংগীতৰ এক অমূল্য সম্পদ হিচাপে পৰিগণিত হৈছে। বৰগীতৰ শাস্ত্ৰীয় সুৰ আৰু গভীৰ ভক্তিভাৱে অসমীয়া সংস্কৃতিৰ এক অনন্য পৰিচয় গঢ়ি তুলিছে। ভটিমা হ'ল এক প্ৰকাৰ প্ৰশস্তি বা গুণ গৰিমা প্ৰকাশক গীত। প্ৰকাশ ভংগীৰ গাম্ভীৰ্য ইয়াৰ বিশেষ লক্ষ্ম। ভটিমা সমূহক তিনি ভাগত ভগোৱা হৈছে - ১। নাট ভটিমা ২। দেৱ ভটিমা আৰু ৩। ৰাজ ভটিমা। তাৰ লগত মাধৱদেৱে 'গুৰু ভটিমা' সংযোগ কৰি চাৰি শ্ৰেণীৰ ভটিমাৰ পৰম্পৰা সৃষ্টি কৰে। ভটিমাৰ গীতসমূহে শঙ্কৰদেৱৰ সংগীতৰ প্ৰতি থকা অগাধ জ্ঞান আৰু ভক্তিৰ প্ৰতি তেওঁৰ অটল নিষ্ঠাৰ পৰিচয় দিয়ে।

পৰিশেষত ক'ব পাৰি যে-শঙ্কৰদেৱৰ সাহিত্যিক অৱদানে অসমীয়া ভাষা আৰু সাহিত্যৰ ভিত্তি সুদৃঢ় কৰাৰ লগতে এক নৱজাগৰণৰ সূচনা কৰিছিল। তেওঁৰ ৰচনাসমূহে ধৰ্মীয় ভাৱনাৰ প্ৰচাৰৰ লগতে অসমীয়া জাতিৰ সাংস্কৃতিক আৰু সামাজিক পৰিচয়ক এক নতুন উচ্চতালৈ লৈ গৈছিল। তেওঁৰ কাব্য, নাট্য, গীত আৰু অনুবাদৰ জৰিয়তে অসমীয়া সাহিত্য এক স্বৰ্ণযুগৰ সাক্ষী হৈছিল, যাৰ প্ৰভাৱ আজিও অসমীয়া সমাজত অটুট হৈ আছে। শঙ্কৰদেৱৰ এই অমৰ সৃষ্টি সমূহ অসমীয়া জাতিৰ গৌৰৱ আৰু পৰিচয়ৰ এক অবিচ্ছেদ্য অংশ হৈ চিৰদিন জিলিকি থাকিব।

শংকৰদেৱৰ পাছত নৱ-বৈষ্ণৱ ধৰ্মৰ গতিধাৰা

দিলীপ কুমাৰ ৰয়

অসমত বৈষ্ণৱ ধৰ্মৰ অমোঘ বীজ কেতিয়া কেনেকৈ কোনে ৰোপণ কৰিছিল, সেই কথাৰ আঁতিগুৰি সঠিককৈ পোৱা টান। কেৱল এইটোকে জনা যায় যে অসমৰ পটভূমিত ৰচিত প্ৰাচীন তথা প্ৰসিদ্ধ গ্ৰন্থ কালিকাপুৰাণ আৰু যোগিনীতন্ত্ৰত প্ৰাচীন কালৰে পৰা অসমৰ বিভিন্ন স্থানত অসংখ্য বিষ্ণুমূৰ্তি আৰু বাসুদেৱ মূৰ্তিসমূহৰ উল্লেখ আছে আৰু সেইবোৰৰ পূজা-অৰ্চনা চলি আহিছে। কালিকাপুৰাণৰ কেবাটাও অধ্যায়ত ভগৱান শ্ৰীবিষ্ণু আৰু বৰাহ অৱতাৰৰ মহত্ব বৰ্ণনা কৰাৰ উপৰিও এই পুৰাণৰ অষ্টাশীতিতম অধ্যায়ত বিষ্ণু যজ্ঞৰ এক বহল বিধি বৰ্ণিত হৈছে। কালিকাপুৰাণে দেৱীক স্তুতি কৰোঁতে 'বিষ্ণুমায়া' বুলি কোৱাটোও যথেষ্ট তাৎপৰ্যপূৰ্ণ (তত্ৰ-তত্ৰ জগদ্ধাত্ৰীং বিষ্ণুমায়া জগন্ময়ীম, ৫/১৪; ততঃ প্ৰত্যক্ষতো দৃষ্টবা বিষ্ণুমায়াং জগন্ময়ীম, ৮/৮)। এনেবোৰ কাৰণতে বহুতেই কালিকাপুৰাণক বৈষ্ণৱ-শাস্ত্ৰ বুলিও ক'ব খোজে। সাহিত্যাচাৰ্য ড° হৰিনাথ শৰ্মাদলৈৰ মতে কালিকাপুৰাণৰ ৰচকজন খুব সম্ভৱ শক্তিপূজা আৰু শক্তি সাধনৰ বিভিন্ন তাত্বিক দিশৰ বিশেষজ্ঞ, অথচ বৈষ্ণৱ ভাৱাপন্ন কোনোবা ব্ৰাহ্মণ পণ্ডিত আছিল। কালিকাপুৰাণৰ দৰে যোগিনীতন্ত্ৰতো উত্তৰখণ্ডৰ নৱম পটলৰ শেষৰফালে মহাবিষ্ণুৰ হয়গ্ৰীৱ-মাধৱ ৰূপৰ পূজাৰ এক বহল বিধানৰ উল্লেখ আছে। শাক্ত-তন্ত্ৰ গ্ৰন্থসমূহত এই ধৰণৰ বিষ্ণু-মহাত্ম্য-প্ৰকাশ হোৱা কথাবিলাকে প্ৰাচীন অসমত বিষ্ণু-ভক্তিৰ কথা নিশ্চিতভাৱে স্পষ্ট কৰি তোলে আৰু পাছলৈ অসমত আৰম্ভ হোৱা বিষ্ণুভক্তিৰ ধাৰা বা বৈষ্ণৱ সাধনাই মহাপুৰুষ শঙ্কৰদেৱ, মাধৱদেৱ আৰু দেৱদামোদৰদেৱ আৰু হৰিদেৱত হাতত প্ৰাণ পাই অসমৰ নৱবৈষ্ণৱ ধৰ্মৰ ধাৰা ভক্তি ধৰ্ম হিচাপে গঢ় লয়।

শঙ্কৰদেৱ, মাধৱদেৱ, দামোদৰদেৱ আৰু হৰিদেৱ-অসমত নৱ-বৈষ্ণৱ আন্দোলনৰ এই চাৰিগৰাকী প্ৰধান নায়ক আৰু তেৰাসৱৰ প্ৰত্যক্ষ অনুগামীসকলৰ নেতৃত্বত ভালেমান দিনলৈ অসম নৱ-বৈষ্ণৱ ভক্তিবাদৰ সূচনা হোৱাৰ পাছত ১৫শ শতিকাত শ্ৰীমন্ত শঙ্কৰদেৱৰ অসাধাৰণ নেতৃত্বত নৱ-বৈষ্ণৱ আন্দোলনৰ ঢৌৱে সমগ্ৰ অসম বুৰাই পেলাই অসমত নৱ-বৈষ্ণৱবাদৰ সাঁচ দকৈ বহুৱাইছিল। উদাৰ মানৱীয় আদৰ্শৰে পয়োভৰ এই ধৰ্মীয় ধাৰাত কিন্তু পাছলৈ ৰাজনৈতিক আৰু সমাজতাত্ত্বিক বিভিন্ন কাৰণ যেনে - ধৰ্মৰ প্ৰধান গুৰু মাধৱদেৱৰ মহাপ্ৰয়াণৰ পিছত ধৰ্মীয় নীতি-নিয়ম পৰিচালনা কৰিবলৈ কোনো এজন সৰ্বজনস্বীকৃত কেন্দ্ৰীয় গুৰু নথকাৰ বাবে সত্ৰসমূহ ভিন্ন মতাৱলম্বী হৈ পৰা, গুৰুজনাই প্ৰৱৰ্তন কৰা সৰল ধৰ্মীয় ৰীতি-নীতিতকৈ শিষ্যসকলে নিজ নিজ সুবিধা আৰু দৃষ্টিভংগী অনুসৰি ধৰ্ম চৰ্চাৰ পথ গ্ৰহণ কৰা, শংকৰদেৱৰ বিশুদ্ধ 'এক শৰণ' ধৰ্মৰ বিৰুদ্ধে আন একাংশই জ্ঞান-ভক্তি বা অন্যান্য দেৱ-দেৱীৰ উপাসনাৰ সংমিশ্ৰণেৰে পৃথক ধাৰা গঢ়ি তোলা, শংকৰদেৱৰ পৰিয়ালৰ উত্তৰাধিকাৰীক কেন্দ্ৰ কৰি সৃষ্টি হোৱা পুৰুষ সংহতি নামৰ নতুন পন্থাৰ প্ৰৱৰ্তন আৰু বৈষ্ণৱ-সংগঠনৰ কিছুমান অভ্যন্তৰীণ দুৰ্বলতাৰ ফলত বৈষ্ণৱ গুৰুসকলৰ আৰু সত্ৰসমূহৰ সৰ্বজনীন প্ৰভাৱ ভালেখিনি হ্ৰাস পাই আহে আৰু সি ভকত আৰু প্ৰত্যক্ষ শিষ্যসমাজৰ মাজলৈ সীমিত হৈ আহে।

'কৃষ্ণস্তু ভগৱান স্বয়ম'ৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰাৰ উদাৰ ধৰ্মীয় মতবাদ স্থাপনৰ উদ্দেশ্যেই শঙ্কৰদেৱ, মাধৱদেৱ, দামোদৰদেৱ, হৰিদেৱ, গোপালদেৱ, বংশীগোপালদেৱ, ভট্টদেৱ আদি সন্তসকলে সত্ৰানুষ্ঠানৰ মাধ্যমেৰে নৱবিধা ভক্তিক প্ৰচাৰ কৰিছিল। কিন্তু শঙ্কৰদেৱৰ তিৰোধানৰ পাছত অসমৰ নৱবৈষ্ণৱ সম্প্ৰদায়—ব্ৰহ্ম, কাল, নিকা আৰু পুৰুষ— এই চাৰিটা সংহতিত বিভক্ত হৈ পৰে। এই সংহতি কৃত্ৰিম আৰু ভেদভাৱৰ পৰা উদ্ভৱ হোৱা বুলি ড° মহেশ্বৰ নেওগে তেখেতৰ 'শ্ৰীশ্ৰীশঙ্কৰদেৱ' গ্ৰন্থত উল্লেখ কৰিছে। শংকৰদেৱৰ পিছত ভিন ভিন কাৰণত নৱ-বৈষ্ণৱ ধৰ্মৰ ঘাই খুটা লৰি চাৰি সংহতিৰে ই ভাগ ভাগ হ'ল। আই কনকলতাৰ যত্নত শঙ্কৰৰ জীয়াৰী বংশই অসম ৰাজ্যত থিতাপি লোৱাৰ পৰাই সংহতি গা কৰি উঠিল। অৱশ্যে শংকৰদেৱে প্ৰৱৰ্তিত ধৰ্মীয় নীতি-নিয়ম আৰু সংস্কাৰসমূহ ইয়াত কোনো পৰিৱৰ্তন নোহোৱাকৈ অবিকলভাৱে অটুট আছিল।

অতি সাম্প্ৰতি শংকৰদেৱ, দামোদৰদেৱ, হৰিদেৱ আৰু মাধৱদেৱ প্ৰৱৰ্তিত এই বৈষ্ণৱী ধাৰাৰ পৰা মানুহ ক্ৰমে আঁতৰি আহিব লাগিছে যেন অনুমান হয়। ইয়াৰ মূলতে পশ্চিমীয়া আৰ্হিৰ শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰ, কৃষি-নিৰ্ভৰ গ্ৰাম-ভিত্তিক গাঁথনিৰ পৰা উদ্যোগমুখী নগৰকেন্দ্ৰিক গাঁথনিলৈ সমাজৰ ক্ষিপ্ৰ ৰূপান্তৰৰ প্ৰৱণতা আদি । সম্প্ৰতি ঐতিহ্যপূৰ্ণ বৈষ্ণৱ ধৰ্মীয় আদৰ্শ আৰু জীৱন-ধাৰাৰ ধাৰক আৰু বাহকৰূপে কেৱল মুষ্টিমেয় গোসাঁই-মহন্ত আৰু ভকত-শিষ্যহে আছে। এতিয়াৰ সত্ৰসমূহ পৰ্য্যবসিত হৈছে সৰ্বসাধাৰণ লোকৰ বাবে তীৰ্থস্থান আৰু পৰ্যটকৰ দৰ্শনীয় স্থানলৈ। সৰ্বসাধাৰণ লোকেই হওক কিম্বা ভকতজনেই হওক ধৰ্মীয় দিশৰ এনে ধ্যান ধাৰণাৰ মূল কাৰণসমূহ আমি এনেদৰে ফঁহিয়াই চাব পাৰোঁ - ১) বৈজ্ঞানিক যুক্তিবাদী বিচাৰ-ধাৰাৰে পৰিচালিত এচাম শিক্ষিতই ধৰ্মৰ লগত জড়িত সংস্কাৰমুখিতাক এৰাই চলিছে। অৱশ্যে ধৰ্মৰ মৌলিক নৈতিকতাৰ আদৰ্শৰে লগত এইচামৰ হয়তো বিৰোধ নাই। (২) তথাকথিত শিক্ষাৰে শিক্ষিত বহুতেই পৰম্পৰাগত ধৰ্মীয় আচাৰ আৰু ৰীতি-নীতিসমূহক "পুৰণি কলীয়া" কথা বুলি উপেক্ষা কৰি চলিব লাগিছে। (৩) বৈষয়িক সুখ-ভোগৰ ব্যস্ততা আৰু সাফল্যৰ সাম্প্ৰতিক সমাজ-জীৱনত ইমান দকৈ শিপাইছে যে ধৰ্মৰ লগত জড়িত নৈতিক অনুশাসনে মানুহক বান্ধি ৰখাত ব্যৰ্থ হৈছে। অৱশ্যে এনে দুৰৱস্থা কেৱল অসমৰ আকাশতেই নহয় সামগ্ৰিকভাৱে ভাৰতৰ সকলো ধৰ্মৰ ক্ষেত্ৰতেই সমানে প্ৰযোজ্য। তথাপি অসমত বৈষ্ণৱ ধৰ্মৰ ক্ষেত্ৰত ইয়াৰ প্ৰাসঙ্গিকতা আৰু তাৎপৰ্য অধিক।

শংকৰদেৱৰ লগতে বাকী তিনি গুৰু দামোদৰদেৱ, হৰিদেৱ আৰু মাধৱদেৱৰ পাছত যদিও নৱ-বৈষ্ণৱ ভক্তি ধাৰাত কিছু নেতিবাচক চিন্তা সোমাল তথাপি কিছু কিছু ইতিবাচক দিশো নথকা নহয়। অতি সম্প্ৰতি বৈষ্ণৱ গুৰুসকলৰ তিথি-পালনৰ নতুন ধাৰণাটোৰ কথালৈ মন কৰিলে দেখা যায় যে পূৰ্বতে বৈষ্ণৱ গুৰুসকলৰ তিৰোভাৱ-তিথি পালিত হৈছিল অনুগামী-সকলৰ দ্বাৰা ধৰ্মীয় আচাৰ-অনুষ্ঠান পালনৰ মাজেদি কেৱল সত্ৰ, নাম-ঘৰ আৰু ব্যক্তিগত আৱাস-গৃহত। কিন্তু সম্প্ৰতি গুৰুসকলৰ তিথি অতি উৎসাহ আৰু আড়ম্বৰেৰে পালিত হ'ব লাগিছে অকল ধৰ্মীয় অনুষ্ঠান ৰূপে নহয়, জাতি-ধৰ্ম-সম্প্ৰদায় নিৰ্বিশেষে বিভিন্ন গোষ্ঠীৰ অংশগ্ৰহণেৰে। বিশেষকৈ শঙ্কৰদেৱৰ তিৰোভাৱ-তিথি ইতিমধ্যে এটা অসমীয়া জাতীয় উৎসৱত পৰিণত হৈছে বুলি ক'লেও অত্যুক্তি কৰা নহ'ব যেন লাগে। এতিয়া চৰকাৰী পৃষ্ঠপোষকতাত গুৰুসকলৰ জন্ম-মৃত্যুৰ তিথিবোৰ পালন কৰা হয়। প্ৰকৃতাৰ্থত বৈষ্ণৱ গুৰুসকলৰ প্ৰতি এনে আগ্ৰহে ধৰ্মীয় চেতনাতকৈ অসমীয়া জাতীয় চেতনাহে অধিক টনকিয়াল কৰা বুলি ক'ব লাগিব। অৱশ্যে এনে আগ্ৰহৰ ফলত সৃষ্টি হোৱা জাতীয় চেতনাৰ গুৰিতে লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰভাৱ বাৰুকৈয়ে মনকৰিবলগীয়া। বেজবৰুৱাদেৱে শঙ্কৰ-মাধৱ, দামোদৰ, হৰিদেৱ আদি গুৰুসকল অকল যে শিষ্য-ভকতৰ পূজ্য ধৰ্মগুৰুৱেই নাছিল, তেৰাসকল যে অসাধাৰণ ব্যক্তিত্ব আৰু দুৰদৃষ্টি-সম্পন্ন সংস্কাৰক আৰু সংগঠকো আছিল সেই কথা প্ৰথমতে আঙুলিয়াই নিদিয়া হ'লে সেই গুৰুসকলক আজি হয়তো সৰ্বসাধাৰণ লোকে চিনিকেই নাপালেহেতেঁন। সেই দিশেৰে লক্ষ্মীনাথ বেজবৰুৱাই শংকৰদেৱক দ্বিতীয়বাৰ জন্ম দিছিল বুলি ক'ব লাগিব । দ্বিতীয়তে , জ্যোতিপ্ৰসাদ আৰু বিষ্ণু ৰাভাই শঙ্কৰদেৱৰ ভিতৰত থকা বৈপ্-বিক সামাজিক চিন্তাৰ লগতে সংস্কৃতিগত আৰু কলাগত চিন্তা আৰু কৰ্মৰ অসাধাৰণত্বৰ প্ৰতি অসমীয়া সমাজৰ দৃষ্টি আকৰ্ষণ নকৰা হ'লে কোনে জানিলেহেতেঁন যে শংকৰদেৱ সৰ্বকলাৰ বিশাৰদো আছিল! জ্যোতিপ্ৰসাদ আৰু বিষ্ণুৰাভাৰ বৰ-অসমৰ কল্পনাত শঙ্কৰদেৱৰ স্থান আছিল কেন্দ্ৰত আৰু তেতিয়াৰ পৰাই শঙ্কৰ-মাধৱক অসমীয়া জাতীয় সত্তাৰ নিৰ্মাতাৰূপে চোৱাৰ ফলত অসমৰ সাহিত্য, সঙ্গীত, নাট্য, চিত্ৰ আদি বিভিন্ন কলাসমূহত বৈষ্ণৱ পৰম্পৰাৰ অৱদানৰ মহত্বৰ ওপৰতো নতুনকৈ চিন্তা-চৰ্চাৰ ন-আলোক পৰিস্ফুট হৈছে। সেইদৰে সত্ৰসমূহৰ প্ৰতিও সচেতন অসমীয়া সমাজৰ লগতে চৰকাৰেও নতুনকৈ দৃষ্টিপাত কৰি অধিক গুৰুত্ব দিয়া দেখা গৈছে। চৰকাৰে সত্ৰসমূহৰ পূৰ্বৰ মাটি-ভেটি উদ্ধাৰ কৰিন ৰূপত গঢ়াৰ যি প্ৰচেষ্টা হাতত লৈছে ইয়াৰ জৰিয়তে অসমীয়া সমাজৰ সংহতি আৰু সমন্বয় পুনৰ সাধন কৰাৰ ব্ৰতত সকলোৱে থিয় হৈছে। সত্ৰসমূহেও সত্ৰীয়া নৃত্য-গীত-নাট্য আদিৰ পৰিৱেশন আৰু প্ৰচাৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছে, যাৰ ফলত সত্ৰীয়া সংস্কৃতিয়ে অসমীয়া জন-জীৱনত নতুনকৈ প্ৰতিষ্ঠাৰ বাট সুচল হৈছে।

অসমৰ বৈষ্ণৱ ধৰ্ম আৰু সংগঠনৰ দিশটো পুনৰ ঠন ধৰাৰ ক্ষেত্ৰত অৱশ্যে বৈষ্ণৱ সমাজৰ নিজৰ ভিতৰত থকা বিভাজনৰ দিশটো এৰাই চলিব নোৱাৰি। এই কথা ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে নৱ-বৈষ্ণৱ ধৰ্মৰ ভক্তিৰ আদৰ্শত মৌলিক একতা থকা সত্ত্বেও অসমৰ বৈষ্ণৱ সমাজ শঙ্কৰদেৱৰ তিৰোধানৰ পিছতেই বিভিন্ন সংহতিত বিভক্ত হৈ পৰিছিল আৰু সিয়েই নানা সময়ত বিবাদৰ বিষয়ো হৈ পৰিছিল। শেহতীয়াকৈ এনে বিভাজন আৰু বেছি প্ৰকট হৈ উঠা যেন অনুভৱ হয় সামাজিক ক্ষেত্ৰৰ ভিন ভিন আচাৰ-বিচাৰক কেন্দ্ৰ কৰি। ভালদৰে লক্ষ্য, কৰিলে দেখা যায় যে এহাতে বৈষ্ণৱ গুৰুসকলৰ প্ৰতি আগ্ৰহ আৰু শ্ৰদ্ধাৰ পৰিসৰ বৃদ্ধি হোৱাৰ বিপৰীতে সামগ্ৰিকভাৱে নৱ-বৈষ্ণৱ আদৰ্শৰ আধ্যাত্মিক আৰু নৈতিক অনুশাসন দুৰ্বল হোৱা পৰিলক্ষিত হৈছে। পৰিণতিত সমাজৰ ওপৰত সত্ৰ-নামঘৰৰ প্ৰভাৱ স্তিমিত হৈছে। তেনেকৈ বৰগীত, সত্ৰীয়া নৃত্য, ভাওনা আদি বৈষ্ণৱ পৰম্পৰাৰ সুকুমাৰ কলাৰ প্ৰতি আগ্ৰহ সচেতনতা ব্যাপক হৈছে আৰু সেইবোৰৰ ঐকান্তিক অনুশীলন আৰু বিভিন্ন মাধ্যমৰ মাজেদি প্ৰচাৰৰ মাত্ৰাও যথেষ্ট বৃদ্ধি পাইছে যদিও তাৰ কলা-মাধ্যমবোৰৰ লগত জড়িত থকা আধ্যাত্মিক প্ৰমূল্যবোধ লাহে লাহে বিচ্ছেদ হৈ গৈ সেইবোৰ অকল কলা-ৰীতি (art form) হিচাপেহে প্ৰতিষ্ঠিত হোৱা দেখা গৈছে। লোক-পৰ্যায় (folk level)-ৰ কিছুমান দিশত বিষ্ণুভক্তিৰ তথাকথিত ভক্তিতহে বেছি পয়োভৰ হৈছে। উদাহৰণ স্বৰূপে দেউল, ভঠেলি বা সুৱঁৰি, ৰাসোৎসৱ আদিত নতুন নতুন বৈচিত্ৰ্যময় অনুষ্ঠানে উজান দিছেহি। এইবোৰে কৃষ্ণভক্তি তথা বৈষ্ণৱ পৰম্পৰাৰ ভেটি বহল হোৱাৰ কথা সূচায় যদিও নৱ-বৈষ্ণৱ আন্দোলনৰ লগত জড়িত উচ্চ আধ্যাত্মিক আৰু নৈতিক প্ৰমূল্যৰ লগত এইবোৰৰ বিশেষ সম্পৰ্ক আছে বুলি ক'ব নোৱাৰি। বৰং পৰাম্পৰাগত কলা-ৰীতিৰ ঠাইত অৰ্বাচীন ৰীতিৰ আগমনহে ঘটা দেখা গৈছে।

মহাপুৰুষ মাধৱদেৱৰ তিৰোভাৱ তিথি পালনৰ প্ৰাসংগিকতা

নিবেদিতা হাজৰিকা

শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথি অসমীয়া সমাজ আৰু সংস্কৃতিৰ বাবে এক অত্যন্ত পৱিত্ৰ আৰু তাৎপৰ্যপূৰ্ণ উৎসৱ। ১৫-১৬ শতিকাৰ মহান বৈষ্ণৱ সন্ত, সমাজ সংস্কাৰক আৰু অসমীয়া সংস্কৃতিৰ জনক শ্ৰীমন্ত শঙ্কৰদেৱৰ বৈকুণ্ঠগামী হোৱাৰ পৱিত্ৰ ক্ষণটোক স্মৰণ কৰি ভাদ মাহৰ শুক্লা দ্বিতীয়া তিথিত সমগ্ৰ অসমতে এই তিথি পালন কৰা হয়। এই পৱিত্ৰ দিনটোৱে নতুন প্ৰজন্মক সমতা, ক্ষমতা, মানৱপ্ৰেম আৰু অহিংসাৰ দৰে গুৰুজনাৰ মহান মানৱীয় আদৰ্শ সমূহ অনুসৰণ কৰিবলৈ অনুপ্ৰাণিত কৰে। আজিৰ গোলকীকৰণ আৰু আধুনিকতাৰ যুগত আমাৰ যুৱ প্ৰজন্মই নিজৰ শিপা পাহৰি যোৱাৰ উপক্ৰম হৈছে। শংকৰদেৱৰ তিথিৰ দৰে দিন বা অনুষ্ঠান সমূহে নতুন প্ৰজন্মক গুৰুজনাৰ মহান ব্যক্তিত্ব, উদাৰতা আৰু দেশপ্ৰেমৰ বিষয়ে জানিবলৈ অনুপ্ৰাণিত কৰে। গুৰুজনাই প্ৰৱৰ্তন কৰা একশৰণ নামধৰ্ম আৰু ইয়াৰ মূল দৰ্শনক এই দিনটোতে পুনৰুজ্জীৱিত কৰা হয়। শংকৰদেৱৰ তিথি কেৱল এটা ধৰ্মীয় অনুষ্ঠান বা উৎসৱ নহয়। ই অসমীয়া জাতিৰ আধ্যাত্মিক, সাংস্কৃতিক আৰু সামাজিক ঐক্যৰ পুৰ্নজাগৰণৰ এক মহান উৎসৱ।

মহাপুৰুষ শ্ৰীশংকৰদেৱৰ তিথিৰ তাৎপৰ্য তথা পালনৰ প্ৰয়োজনীয়তা অসমীয়া সমাজ জীৱনত অসীম। অসমীয়া জাতিৰ ধৰ্মীয়, সামাজিক আৰু সাংস্কৃতিক প্ৰাণপ্ৰতিষ্ঠাতা গৰাকীৰ জন্ম আৰু প্ৰয়াণ তিথি কেৱল আনুষ্ঠানিক ধৰ্মীয় ৰীতি-নীতি নহয়, ইয়াৰ আঁৰত লুকাই আছে গভীৰ আধ্যাত্মিক আৰু সামাজিক গুৰুত্ব। গুৰুজনাৰ তিথি পালনৰ প্ৰয়োজনীয়তা কেৱল অতীতক সোঁৱৰণ কৰিবৰ বাবেই নহয় , বৰঞ্চ বৰ্তমান আৰু ভৱিষ্যতৰ অসমীয়া সমাজখনক পতনৰ পৰা ৰক্ষা কৰি এক সুস্থ, সবল আৰু সংস্কৃতিৱান জাতি হিচাপে বৰ্তাই ৰাখিবলৈ ই অত্যন্ত প্ৰয়োজনীয়।

ভূমিকম্প, অগ্নিকাণ্ড আৰু প্ৰাথমিক চিকিৎসা বিষয়ক মক ড্ৰিল অনুষ্ঠিত




অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ১১ ছেপ্টেম্বৰ ঃ জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ (DDMA), মৰিগাঁৱৰ উদ্যোগত জিলা প্ৰশাসনৰ পৃষ্ঠপোষকতাত আৰু অগ্নি আৰু জৰুৰীকালীন সেৱা কেন্দ্ৰ, মৰিগাঁৱৰ সহযোগত আজি মৰিগাঁও চহৰৰ KDR Plaza-ত ভূমিকম্প, অগ্নিকাণ্ড আৰু প্ৰাথমিক চিকিৎসা বিষয়ক এক মক ড্ৰিল সফলতাৰে অনুষ্ঠিত হয়। দুৰ্যোগৰ সময়ত জৰুৰী সঁহাৰি ব্যৱস্থা অধিক ফলপ্ৰসূ কৰি তোলা, জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধি কৰা আৰু সমন্বিত দুৰ্যোগ মোকাবিলাৰ সক্ষমতা শক্তিশালী কৰাৰ লক্ষ্যৰে এই অনুশীলনৰ আয়োজন কৰা হয়। ভূমিকম্প বিষয়ক অনুশীলনত "Drop, Cover and Hold" পদ্ধতি, সুৰক্ষিতভাৱে স্থানত্যাগ আৰু নিৰ্ধাৰিত সমবেত স্থানলৈ সুশৃংখল স্থানান্তৰৰ প্ৰদৰ্শন কৰা হয়। অগ্নিকাণ্ড বিষয়ক মক ড্ৰিলত অগ্নিকাণ্ডৰ সাধাৰণ কাৰণ, অগ্নি নিৰ্বাপক যন্ত্ৰৰ সঠিক ব্যৱহাৰ, প্ৰাথমিক উদ্ধাৰ কৌশল আৰু অগ্নি দুৰ্ঘটনাৰ সময়ত পালনীয় সাৱধানতাসমূহ প্ৰদৰ্শন কৰা হয়। ইয়াৰ সমান্তৰালভাৱে চিকিৎসা দলে প্ৰাথমিক চিকিৎসা, কাৰ্ডিঅ'পালম'নেৰী ৰিচাচিটেচন (CPR) আৰু আহত ব্যক্তিক উন্নত চিকিৎসা লাভ নকৰালৈকে সঠিকভাৱে সহায় আগবঢ়োৱাৰ ব্যৱহাৰিক প্ৰদৰ্শন কৰে। অনুষ্ঠানত সহকাৰী আয়ুক্ত তথা DDMA-ৰ শাখা বিষয়া অংকিতা দত্ত, ACS, DDMA-ৰ জিলা প্ৰকল্প বিষয়া শ্ৰীমতী ৰঞ্জু শৰ্মা, দুৰ্যোগ ব্যৱস্থাপনা ক্ষেত্ৰ বিষয়া, চিকিৎসা দল, যান-বাহন নিয়ন্ত্ৰণত নিয়োজিত আৰক্ষী, অগ্নি আৰু জৰুৰীকালীন সেৱাৰ কৰ্মী, ভিলেজ ডিফেন্স পাৰ্টি (চিভিল ডিফেন্স) স্বেচ্ছাসেৱক, KDR Plaza-ৰ কৰ্মচাৰী আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ, মৰিগাঁৱে জিলাজুৰি এনে সজাগতা কাৰ্যসূচী আৰু মক ড্ৰিল অব্যাহত ৰাখি দুৰ্যোগ-সচেতন, সুৰক্ষিত আৰু অধিক স্থিতিস্থাপক সমাজ গঢ়ি তোলাৰ দিশত নিৰন্তৰ প্ৰয়াস চলাই আহিছে।

খৈৰাবাৰীত এদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে নাগাৰা নামৰ শিল্পী সমাৰোহ

অসম বাৰ্তা, খৈৰাবাৰী, ১১ ছেপ্টেম্বৰ ঃ খৈৰাবাৰীৰ বালিসিঠা শ্ৰীশ্ৰীবিষ্ণু মন্দিৰ প্ৰাঙ্গণত (ভেকুলীকান্দা) মধ্য অসমৰ জনপ্ৰিয় ধৰ্মীয় লোক পৰিবেশ্য কলা 'নাগাৰা নাম'ৰ প্ৰচাৰ আৰু প্ৰসাৰৰ মহান উদ্দেশ্য আগত ৰাখি অহা ২৭ ছেপ্তেম্বৰত এদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে নাগাৰা নামৰ শিল্পী সমাৰোহ অনুষ্ঠিত হ'ব। ওদালগুৰি জিলা নাগাৰা নাম সংঘৰ সৌজন্যত আৰু খৈৰাবাৰী আঞ্চলিক নাগাৰা নাম সংঘৰ আতিথ্যত অনুষ্ঠিত হ'বলগীয়া এই সমাৰোহৰ সূচীনুসৰি পুৱা ৫.৩০ বজাত পৰিবেশ নিকাকৰণেৰে কাৰ্যসূচী আৰম্ভ হ'ব। ইয়াৰ পিছত বন্তি প্ৰজ্বলন কৰিব শ্ৰীশ্ৰীবিষ্ণু মন্দিৰৰ দেউৰী বামল দাসে, ভাগৱত পাঠ কৰিব সংগীত প্ৰশিক্ষক পুৰাৰাম ডেকাই। পুৱা ৭ বজাত খৈৰাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ হেমন্ত দাসে তোৰণ উন্মোচন কৰিব আৰু ৭.৩০ বজাত ওদালগুৰি জিলা নাগাৰা নাম সংঘৰ সভাপতি দেৱজিৎ চহৰীয়া আৰু প্ৰতিখন আঞ্চলিকৰ সভাপতিসকলে পতাকা উত্তোলন কৰিব। পুৱা ৯ বজাত এক বিশাল সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব। শোভাযাত্ৰা উদ্বোধন কৰিব ভেৰগাঁৱৰ এছ ডি অ' ৰিংখাং মুছাহাৰীয়ে। দিনৰ ১০ বজাৰ পৰা নাগাৰা নামৰ শিল্পী সম্বৰ্ধনা আৰু মূল সমাৰোহ অনুষ্ঠিত হ'ব। অনুষ্ঠান উদ্বোধন কৰিব নৰেশ্বৰ শৰ্মা বৰুৱা সোঁৱৰণী নাগাৰা নাম বিদ্যামন্দিৰৰ প্ৰশিক্ষক গণেশ ডেকাই। আবেলি ১.৩০ বজাত মুকলি সভা অনুষ্ঠিত হ'ব। মুকলি সভাত সভাপতিত্ব কৰিব ওদালগুৰি জিলা নাগাৰা নাম সংঘৰ সভাপতি দেৱজিৎ চহৰীয়াই, উদ্বোধক হিচাপে থাকিব সদৌ অসম নাগাৰা নাম সংঘৰ প্ৰাক্তন সদস্য দুৰ্গেশ্বৰ কুমাৰ। আদৰণি সমিতিৰ সভাপতিৰ অভিভাষণ দিব মুনিন্দ্ৰ ৰাজবংশীয়ে। নিৰ্দিষ্ট বক্তা হিচাপে থাকিব দৰঙী সংস্কৃতি সাধক তৰুণ আজাদ ডেকা। মুখ্য অতিথি হিচাপে উপস্থিত থাকিব সদৌ অসম নাগাৰা নাম সংঘৰ সভাপতি কৈলাস তালুকদাৰ। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অসম চৰকাৰৰ পৰিবহণ মন্ত্ৰী চৰণ বড়ো, বিটিচিৰ কাৰ্যবাহী সদস্য লৌমশ্ৰাও দৈমাৰী আৰু সদৌ অসম নাগাৰা নাম সংঘৰ সম্পাদক নৃপন দত্ত কলিতা উপস্থিত থাকিব। ইয়াৰ উপৰিও সম্বৰ্ধিত ব্যক্তি হিচাপে ভেৰগাঁও সমষ্টিৰ বিধায়ক মহেশ্বৰ বড়ো, টংলা সমষ্টিৰ বিধায়ক বিকন চন্দ্ৰ ডেকা, বিটিচিৰ কাৰ্যবাহী সদস্য গণেশ কছাৰী, পাৰিষদ দাওবৈচা বড়ো, দিগন্ত বৰুৱা, প'ল টস্কো আদি উপস্থিত থাকিব। সন্ধিয়া পতাকা অৱতৰণ আৰু সামূহিক নাগাৰা নাম প্ৰদৰ্শনেৰে অনুষ্ঠানৰ সামৰণি পৰিব। আয়োজক সমিতিয়ে সকলো নাগাৰা নাম প্ৰেমী ৰাইজৰ সহায়-সহযোগিতা আৰু উপস্থিতি কামনা কৰিছে।

হাম্ৰো স্বাভিমান আৰু দিল্লী চৰকাৰৰ সহযোগত হাম্ৰো গৌৰৱ বঁটা

বিহালী বটিয়ামাৰীৰ কলা শ্ৰীবিনোদ খনালক ৰাষ্ট্ৰীয় সন্মান



অসম বাৰ্তা, জিনজিয়া, ১১ ছেপ্টেম্বৰ ঃ বিহালীৰ বটিয়ামাৰীৰ কলা শ্ৰী বিনোদ খনালক হাম্ৰো স্বাভিমানৰ উদ্যোগত আৰু দিল্লী চৰকাৰৰ সহযোগত অহা ২০চেপ্তেম্বৰত দিল্লীত হাম্ৰো গৌৰৱ বঁটা প্ৰদান কৰিব। লোক কলা আৰু সাংস্কৃতিক ক্ষেত্ৰত কৰা কামৰ স্বিকৃতি স্বৰূপে এই বঁটাৰ বাবে বাছনি কৰিছে। অসমীয়া গোৰ্খা সমাজৰ কলা, সংস্কৃতি আৰু লোকপৰম্পৰাৰ সংৰক্ষণত জীৱন উৎসৰ্গা কৰা এক উজ্জ্বল নাম হ'ল কলাশ্ৰী বিনোদ খনাল। তেওঁ কেৱল এগৰাকী শিল্পী নহয়, এক জীৱন্ত সাংস্কৃতিক প্ৰতিষ্ঠান। ১৯৬৩ চনৰ ২ আগষ্টত তদানীন্তন দৰং জিলাৰ বটিয়ামাৰীত প্ৰজাপতি খনাল আৰু বৃন্দা দেৱীৰ পুত্ৰ হিচাপে তেওঁৰ জন্ম। শৈশৱৰ পৰাই ৰংগমঞ্চৰ প্ৰতি আকৰ্ষিত বিনোদ খনালৰ অভিনয় জীৱনৰ আৰম্ভণি হয় উত্তৰ-পূব ভাৰতৰ প্ৰথম ৰংগমঞ্চ হিচাপে খ্যাত বটিয়ামাৰীৰ পণ্ডিত হৰিনাৰায়ণ উপাধ্যায় বিদ্যাভূষণ ৰংগমঞ্চৰ পৰা। পৰৱৰ্তী সময়ত তেওঁ অসমীয়া ভ্ৰাম্যমাণ নাট্যজগতত খোজ পেলায়। ধেমাজিৰ সুমন থিয়েটাৰৰ পৰা আৰম্ভ কৰি অসমী, ভাস্কৰ, নটৰাজ, আৰাধনা থিয়েটাৰত অভিনেতা আৰু পৰিচালক হিচাপে কাম কৰে। ১৯৯২-৯৩ চনত তেওঁ ভাৰতৰ প্ৰথম গোৰ্খালী ভ্ৰাম্যমাণ নাট্যদল 'লালীগুৰাঁস থিয়েটাৰ'ৰ সৈতে জড়িত হয়, যিয়ে তেওঁক গোৰ্খা নাট্যক্ষেত্ৰত বিশেষ পৰিচয় দিয়ে। 'গৰীবকো আঁচু', 'ৰগতকো চাইনো', 'বাৰুদ' আৰু গোৰ্খা বিবাহ পৰম্পৰাৰ ওপৰত আধাৰিত 'ডল্লীকো বিহে ঝিল্কেলাইকো দিয়ে' তেওঁৰ উল্লেখযোগ্য সৃষ্টি। ১৯৮৯ চনত তেওঁৰ প্ৰযোজনা আৰু পৰিচালনাত নিৰ্মাণ হয় অসমৰ প্ৰথম গোৰ্খা চলচ্চিত্ৰ 'পৰিবাৰ', যি আছিল এক ঐতিহাসিক আৰু সাহসী পদক্ষেপ। নাটক আৰু চলচ্চিত্ৰৰ উপৰিও তেওঁৰ আটাইতকৈ ডাঙৰ অৱদান লোকসংস্কৃতিৰ সংৰক্ষণ। তেওঁ অসমৰ ইমূৰৰ পৰা সিমূৰলৈ গৈ তামাং চেলো, ডম্ফু, মাৰুণী, বালন, খুকুৰী, সংগিনী, মগৰ, নেৱাৰী নৃত্যৰ প্ৰশিক্ষণ দি আহিছে। বটিয়ামাৰীত তেওঁ স্থাপন কৰা 'আমা কলা কুঞ্জ'ত গোৰ্খা সমাজৰ পুৰণি বাচন-বৰ্তন, বাদ্যযন্ত্ৰ, কৃষি সঁজুলি আদি সংৰক্ষণ কৰা হৈছে, যাৰ এক অংশ কাজিৰঙাৰ অৰ্কিড পাৰ্কতো প্ৰদৰ্শিত হৈছে। তেওঁৰ এই সাধনাৰ বাবে মধ্যপ্ৰদেশ হিন্দী বিদ্যাপীঠৰ 'ভাৰত গৌৰৱ', অসম সাংস্কৃতিক মহাসভাৰ 'আজীৱন সাংস্কৃতিক সাধক', 'গোৰ্খা গৌৰৱ', 'নাট্যাচাৰ্য', পঞ্জাৱ কলা-সাহিত্য একাডেমীৰ 'কলাশ্ৰী' আৰু অসম চৰকাৰৰ শিল্পী পেঞ্চনকে ধৰি বহু সন্মান লাভ কৰিছে। ছয় দশকৰো অধিক কাল ধৰি কলা-সংস্কৃতিৰ সাধনাত ব্ৰতী বিনোদ খনাল অসমীয়া গোৰ্খা সমাজৰ আকাশৰ এক উজ্জ্বল নক্ষত্ৰ, যাৰ পোহৰে অতীতক বৰ্তমানৰ সৈতে আৰু বৰ্তমানক ভৱিষ্যতৰ সৈতে সংযোগ কৰি ৰাখিব।

মাজুলীত আছুৰ মানৱ শৃংখল; লোকনিৰ্মাণ বিভাগক সকীয়নি

অসম বাৰ্তা, উজনী মাজুলী, ১১ ছেপ্টেম্বৰ ঃ সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানত সমগ্ৰ অসমৰ লগতে মাজুলীত সদৌ মাজুলী জিলা সন্থাই আজি ৰাষ্ট্ৰীয় ঘাই পথকে ধৰি জিলাখনৰ জৰাজীৰ্ণ বাট-পথসমূহ মেৰামতি আৰু পুনৰ নিৰ্মাণৰ দাবীত মানৱ শৃংখল কাৰ্যসূচী ৰূপায়ণ কৰে।



প্ৰতিবাদ স্থলীত উপস্থিত থাকি আছুৰ কেন্দ্ৰীয় সাংস্কৃতিক সম্পাদক বিতোপন শৰ্মাই কয় যে মাজুলীৰ ফুলনিৰ পৰা বনগাঁও সংযোগী, গড়মূৰৰ পৰা নামনি মাজুলী বালিচাপৰি সংযোগী, কমলাবাৰীৰ পৰা বনগাঁও সংযোগী, বনগাঁৱৰ পৰা অফলামুখ ঘাট সংযোগী, ফুলনিৰ পৰা অভয়পুৰীয়া, ভকতি দুৱাৰ মাজৰ দেউৰী সংযোগী মূলপথৰ অৱস্থা অতি শোচনীয়। সৰ্বসাধাৰণ ৰাইজে কৰ দি ভাগৰি গৈছে আজি পৰ্যন্ত যাতায়াত ব্যৱস্থা সুচল নহ'ল। তাৰ পিছতো লোক নিৰ্মাণ বিভাগে কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে এই কথা কোনো কাৰণতে মানি লোৱা নহ'ব বুলি প্ৰতিবাদ স্থলীৰ পৰা সকীয়নি প্ৰদান কৰে। ৰাজ্যিক কাৰ্যনিৰ্বাহক ৰংগৰস মহন্তই কয় যে মাজুলীৰ বহু গ্ৰামাঞ্চলৰ পথ ভাঙি চুড়মাৰ হৈ গ'ল। মাজুলীৰ লোকনিৰ্মাণ বিভাগৰ কুম্ভকৰ্ণ নিদ্ৰা। বাৰম্বাৰ কোৱাৰ পিছতো এই পথ সমূহ মেৰামতি বা পুনৰ নিৰ্মাণ নকৰিলে। বিষয়া কৰ্মচাৰী আৰু ঠিকাদাৰৰ মইমতালিৰ বাবে জীয়াতু ভুগিছে সৰ্বসাধাৰণ জনতাই। অতি শীঘ্ৰে এই পথ সমূহ পুনৰ নিৰ্মাণ কৰি ৰাইজক সকাহ দিবলৈ আহ্বান জনাইছে। জিলা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি প্ৰাঞ্জল শইকীয়া আৰু সাধাৰণ সম্পাদক দিপাংকৰ ৰাজখুৱাই কয় যে এই পথ সমূহৰ দুৰৱস্থাৰ বাবে ছাত্ৰ-ছাত্ৰী বিদ্যালয়/মহাবিদ্যালয়লৈ যাব নোৱাৰা পৰিৱেশ, ৰোগী চিকিৎসালয়লৈ যাব নোৱাৰা পৰিৱেশ। নিতৌ পথ দুৰ্ঘটনা/ ইয়াৰ পিছতো চকুমুদি আছে মাজুলীৰ লোকনিৰ্মাণ বিভাগে। ভিতৰৰ অঞ্চলৰ বহু পথে বৰ্তমানলৈকে শিলগুটি এটাও দেখি পোৱা নাই। কাগজে পত্ৰই, কথাইবতৰাই ডাঙৰ ডাঙৰ কথা কোৱা চৰকাৰ আৰু লোকনিৰ্মাণ বিভাগ কৰ্ম ক্ষেত্ৰত চূড়ান্ত বিফল বুলি প্ৰতিবাদ স্থলীৰ পৰা উল্লেখ কৰে। সমান্তৰাল ভাৱে দাবী জনাই যে- মাজুলী জিলাৰ অন্তৰ্গত জৰাজীৰ্ণ অৱস্থাত থকা বাট-পথসমূহ অসম চৰকাৰ তথা লোক নিৰ্মাণ বিভাগে অতি শীঘ্ৰে পুনৰ নিৰ্মাণ কৰাৰ লগতে মেৰামতি কৰিব লাগে। অন্যথা অনাগত দিনত এই আন্দোলন অব্যাহত থাকিব বুলি অভিহিত কৰে। প্ৰতিবাদ স্থলীত জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা অজিত হাজৰিকা সমন্বিতে তিনিশতাধিক ছাত্ৰ - ছাত্ৰী উপস্থিত থাকে।

দিনজোৰা কাৰ্যসূচীৰে উখল-মাখল পৰিৱেশ

দক্ষিণ বিজনী ডিগ্ৰী মহাবিদ্যালয়ত ১১ সংখ্যক নৱাগত আদৰণি সভা

অসম বাৰ্তা, শালবাৰী, ১১ ছেপ্টেম্বৰ ঃ বাক্সা জিলাৰ শালবাৰী মহকুমাৰ আনন্দ বজাৰৰ সমীপৱৰ্তী অঞ্চলৰ অগ্ৰণী উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান দক্ষিণ বিজনী ডিগ্ৰী মহাবিদ্যালয়ত আজি উৎসাহ-উদ্দীপনাৰে ১১ সংখ্যক নৱাগত আদৰণি সভা অনুষ্ঠিত হৈ যায়। নৱাগত ছাত্ৰ-ছাত্ৰীসকলক আদৰণি জনোৱাৰ উদ্দেশ্যে আয়োজিত এই বিশেষ অনুষ্ঠানক কেন্দ্ৰ কৰি সমগ্ৰ মহাবিদ্যালয় চৌহদত দিনটো এক উৎসৱমুখৰ তথা উখল-মাখল পৰিৱেশে বিৰাজ কৰে। নিৰ্ধাৰিত কাৰ্যসূচী অনুসৰি পুৱা ৮ বজাত মহাবিদ্যালয়ৰ পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে অধ্যক্ষ অমৃত বড়োৱে। ইয়াৰ লগে লগে অনুষ্ঠিত হয় শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাপক সভাপতি তথা বৰ্তমানৰ পৰিচালনা সমিতিৰ উপদেষ্টা দেৱেন্দ্ৰ বিজয় দাসে বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰি বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অনুষ্ঠানৰ অংশস্বৰূপে মহাবিদ্যালয়ৰ ২০২৬-২৭ বৰ্ষৰ নৱতম প্ৰাচীৰ পত্ৰিকাখন আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। প্ৰাচীৰ পত্ৰিকাখন উন্মোচন কৰে বিশিষ্ট সমাজকৰ্মী তথা প্ৰতিষ্ঠানখনৰ প্ৰাক্তন ছাত্ৰ বীনাৰাম বড়োৱে। বিভিন্ন কাৰ্যসূচীৰ সামৰণিত মহাবিদ্যালয়খনৰ মুকলি সভা অনুষ্ঠিত হয়। এই মুকলি সভাত ৪১ নং মানস বিধানসভা সমষ্টিৰ বিধায়ক থানেশ্বৰ বসুমতাৰীয়ে মুখ্য অতিথি হিচাপে উপস্থিত থাকি ভাষণ প্ৰদান কৰে। তেওঁ নতুনকৈ ভৰ্তি হোৱা ছাত্ৰ-ছাত্ৰীসকলক শৈক্ষিক তথা ব্যক্তিগত জীৱনৰ উত্তৰোত্তৰ উন্নতিৰ বাবে শুভকামনা জনায়। সভাত উপস্থিত থকা শিক্ষক-শিক্ষয়িত্ৰী আৰু বিশিষ্ট ব্যক্তিসকলে মত প্ৰকাশ কৰে যে অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকলৰ উচ্চ শিক্ষাৰ পথ প্ৰশস্ত কৰাত দক্ষিণ বিজনী ডিগ্ৰী মহাবিদ্যালয়ে ধাৰাবাহিকভাৱে এক গুৰুত্বপূৰ্ণ আৰু উল্লেখনীয় ভূমিকা পালন কৰি আহিছে। নতুন ছাত্ৰ-ছাত্ৰীসকলৰ উপস্থিতি আৰু সাংস্কৃতিক অনুষ্ঠানৰ আনন্দ-উচ্ছ্বাসেৰে সমগ্ৰ অনুষ্ঠানটো অতি সাফল্যমণ্ডিত হৈ পৰে।

বিকশিত ভাৰত কুইজত যুৱক-যুৱতীক অংশগ্ৰহণৰ আহ্বান মাই ভাৰত তিনিচুকীয়াৰ

অসম বাৰ্তা, তিনিচুকীয়া বিশেষ, ১১ ছেপ্টেম্বৰ ঃ ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ অধীনস্থ যুৱ সম্পৃক্ততাৰ অন্যতম গুৰুত্বপূৰ্ণ পদক্ষেপ 'বিকশিত ভাৰত যুৱ নেতা সংলাপ (Viksit Bharat Young Leaders Dialogue—VBYLD) ২০২৭'ৰ কাৰ্যসূচী আৰম্ভ হৈছে। এই কাৰ্যসূচীৰ জৰিয়তে ১৫ৰ পৰা ২৯ বছৰ বয়সৰ যুৱক-যুৱতীসকলক 'বিকশিত ভাৰত @2047' গঢ়াৰ ক্ষেত্ৰত নিজৰ চিন্তা, উদ্ভাৱনীমূলক ধাৰণা আৰু সমাধানৰ প্ৰস্তাৱ আগবঢ়োৱাৰ সুযোগ প্ৰদান কৰা হৈছে। এই যাত্ৰাৰ প্ৰথম পদক্ষেপ হিচাপে 'বিকশিত ভাৰত কুইজ' অনুষ্ঠিত কৰা হৈছে। কুইজত অংশগ্ৰহণৰ বাবে যুৱক-যুৱতীসকলে MY Bharat Portal (mybharat.gov.in)-ৰ জৰিয়তে অনলাইনত পঞ্জীয়ন কৰি কুইজত অংশগ্ৰহণ কৰিব পাৰিব। জিলা পৰ্যায়ৰ পৰা যোগ্যতা অৰ্জন কৰা প্ৰতিযোগীসকলে পৰৱৰ্তী সময়ত ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত অংশগ্ৰহণ কৰাৰ সুযোগ লাভ কৰিব। এই কাৰ্যসূচীৰ জৰিয়তে নিৰ্বাচিত যুৱ নেতাসকলে যুৱ সংসদ, হেকাথন, উদ্যোগিতা প্ৰত্যাহ্বান, আলোচনা-চক্ৰ, সাংস্কৃতিক অনুষ্ঠান আদি বিভিন্ন যুৱকেন্দ্ৰিক কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ সুযোগ লাভ কৰিব। ৰাষ্ট্ৰীয় পৰ্যায়ৰ মূল অনুষ্ঠানটো ২০২৭ চনৰ ১২ৰ পৰা ১৬ জানুৱাৰীলৈ নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত হোৱাতো প্ৰায়ে নিশ্চিত। VBYLD ২০২৭ৰ মূল উদ্দেশ্য হৈছে দেশৰ যুৱ সমাজক নেতৃত্বৰ গুণ বিকাশ, নতুন চিন্তা-ধাৰা প্ৰকাশ, ৰাষ্ট্ৰীয় পৰ্যায়ত অভিজ্ঞতা লাভ আৰু ভাৰতৰ উন্নয়নৰ যাত্ৰাত সক্ৰিয়ভাৱে অংশগ্ৰহণৰ বাবে এক উপযুক্ত মঞ্চ প্ৰদান কৰা। সেয়ে মাই ভাৰত তিনিচুকীয়াই জিলাখনৰ ১৫ৰ পৰা ২৯ বছৰ বয়সৰ সকলো যোগ্য যুৱক-যুৱতীক 'বিকশিত ভাৰত কুইজ'ত অংশগ্ৰহণ কৰি বিকশিত ভাৰত গঢ়াৰ যাত্ৰাত নিজৰ প্ৰথম পদক্ষেপ আগবঢ়াবলৈ আহ্বান জনাইছে।

টংলা বিধানসভা সমষ্টিৰ অন্তৰ্গত সকলো পথৰ দাঁতি হাবি বননিৰে ভৰপূৰ

ক'ত হেৰাল লোক নিৰ্মাণ বিভাগে নিয়োগ কৰা পথৰ কাষৰ হাবি বননি কটা কৰ্মচাৰীসকল

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, টংলা, ১১ ছেপ্টেম্বৰ ঃ কিছু বছৰ আগলৈকে দেখিছিলো চৰকাৰী পথসমূহৰ দাঁতিত গজি উঠা হাবি বননিবোৰ গড়কাপ্তানী (লোক নিৰ্মাণ বিভাগ) বিভাগৰ কাৰ্যালয়ৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকলে দীঘল নলীয়া দাৰে কাটি পথৰ দুই কাষ পৰিষ্কাৰ কৰিছিল আৰু তেওঁলোকৰ কাম কাজ চোৱা চিতা কৰিবলৈ একোজন মোহৰি(যি সকল বৰ্তমান এছ এ) আছিল। কিন্তু বৰ্তমান সকলোবোৰ চৰকাৰী পথৰ দাঁতিৰ দুই কাষ ওখ ওখ হাবি বননিৰে ভৰি পৰিছে। ফলত বাট পথত সঘনাই সৰু বৰ পথ দুৰ্ঘটনা সংঘটিত হ'ব লৈছে। এই ক্ষেত্ৰত বিশেষকৈ ওদালগুৰি জিলাৰ ভেৰগাঁও মহকুমা অঞ্চলক সামৰি লোৱা ওদালগুৰি জিলা লোক নিৰ্মাণ বিভাগৰ টংলা উপ সংমণ্ডল কাৰ্য্যালয়ৰ অন্তৰ্গত সকলোবোৰ বাট পথৰ দাঁতিৰ দুই কাষ হাবি বননিৰে ভৰি পৰিছে। এই ক্ষেত্ৰত কব পাৰি টংলা-ভেৰগাঁও পথ, ভেৰগাঁও-চেউনি পথ, মঙলদৈ-ভূটিয়াচাং চমুকৈ এম বি ৰোড, টংলা-দেওৰ পথ, টংলা কলেজ হৈ মেকেনজি পথ সংযোগী পথ, মেকেনজি পথ, কুকুৰাকাটা-সোণাখাট পথ ইত্যাদি লোক নিৰ্মাণ বিভাগৰ সকলোবোৰ বাট পথৰ দাঁতিৰ দুই কাষে হাবি বননিৰে আবৰি ধৰিছে। ফলত বিশেষকৈ পথচাৰী, চাইকেল আৰোহী সকলৰ যাতায়াতৰ ক্ষেত্ৰত সমস্যাৰ সৃষ্টি হৈছে। পথৰ কাষৰ পদপথ বুলিবলৈ বৰ্তমান একো নাইকিয়া হৈছে হাবি বননিৰ বাবে। লোক নিৰ্মাণ বিভাগৰ টংলা সংমণ্ডলত বহুবোৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰী আছে যদিও বিভাগটোত থকা শীৰ্ষ বিষয়াসকলৰ আওকাণ মনোভাৱৰ বাবে সকলোবোৰ গুৰুত্বপূৰ্ণ বাট পথৰ কাষৰ হাবি বননিৰে পৰিপূৰ্ণ হোৱাত সৰ্বসাধাৰণ ৰাইজৰ যাতায়াতৰ ক্ষেত্ৰত অসুবিধাৰ সৃষ্টি হৈছে। পথৰ কাষৰ হাবি বননিৰ বাবে বহু কেইটা দুৰ্ঘটনা ইতিমধ্যেই সংঘটিত হৈছে। কাৰ্যবাহী অভিযন্তা, সহকাৰী কাৰ্যবাহী অভিযন্তা, সহকাৰী অভিযন্তা, কনিষ্ঠ অভিযন্তা আদি বিভাগীয় বিষয়াৰ কথাত গা নলৰা একাংশ চতুৰ্থ বৰ্গৰ কৰ্মচাৰীয়ে সঠিক ৰূপত কোনো কাম কাজ নকৰি বহি বহি চৰকাৰী বেতন উপভোগ কৰি পাহৰি গৈছে তেওঁলোকৰ কাম কাজ। ফলত যাতনা ভুগিছে সাধাৰণ ৰাইজে। লোক নিৰ্মাণ বিভাগৰ এই বাট পথ সমূহৰ পৰা বিভাগীয় ভাবে হাবি বননি কাটি পৰিষ্কাৰ কৰিবনে। ৰাইজৰ যাতায়াতৰ ক্ষেত্ৰত সুবিধা আৰু সুচল কৰিবনে বিভাগটোৱে।

নিৰ্মাণৰ দাবীত পথ অৱৰোধ সুৰক্ষা দলৰ

চাৰি বছৰেও নিৰ্মাণ সম্পূৰ্ণ নহ'ল ভুৱন চন্দ্ৰ গগৈ (বিজি)পথ

অসম বাৰ্তা, নামতি, ১১ ছেপ্টেম্বৰ ঃ ১২১কোটি টকাৰে ২০২৩চনৰ পৰা নিৰ্মীয়মান অৱস্থাত থকা শিৱসাগৰ নগৰৰ পৰা নাজিৰাৰ শিমলুগুৰি গড়মূৰ চোমনী গাঁৱলৈ প্ৰায় ১৮কিলোমিটাৰ দৈৰ্ঘ্যৰ ভুৱন চন্দ্ৰ গগৈ পথ তথা বি জি ৰোডৰ নিৰ্মাণ গতি অতি লেহেমীয়া হোৱাত পথচোৱা জৰাজীৰ্ণ হৈ পৰাত জনগণে যাতায়তৰ ক্ষেত্ৰত যমৰ যাতনা ভুগিব লগীয়া হৈছে। ইয়াৰ উপৰিও পথটো নিৰ্মাণ কৰোঁতে ব্যৱহৃত সামগ্ৰী সমূহ অতি নিম্নমাদণ্ডৰ। পথচোৱা পকীকৰণৰ মানদণ্ড ইমানেই নিম্নমাদণ্ডৰ যে সামান্য এজাক বৰষুণ দিলেই গধুৰ ওজন পৰিবাহী যান-বাহন পাৰ হৈ গ'লেই ভাগি পৰে। উল্লেখ যে এই পথচোৱাত বিগত সময়ছোৱাত ইতিমধ্যেই দুৰ্ঘটনাত পতিত হৈ কাৰোবাৰ জীৱন চিৰদিনৰ বাবে ঘূণীয়া হোৱাৰ লগতে নিহত হৈছে বহু লোক। লেহেমীয়া গতিত নিৰ্মাণ হৈ থকা এই পথচোৱা অতিশীঘ্ৰেই নিৰ্মাণৰ দাবীৰে আজি সুৰক্ষা দল অসমে শিৱসাগৰৰ কুজিবালিত পথ অৱৰোধ কাৰ্যসূচী গ্ৰহণ কৰে স্থানীয় ৰাইজৰ সহযোগত। প্ৰতিবাদকাৰীয়ে দাবী জনায় যে এই বি জি ৰোডৰ কাম অতি লেহেমীয়া গতিৰে নিৰ্মাণ হৈছে নিৰ্মাণকাৰ্য ক্ষিপ্ৰতাৰ হ'ব লাগে। এই পথটোৰেদি অহা যোৱা কৰা সাধাৰণ জনতা যিমান দুৰ্ঘটনাত আঘাতপ্ৰাপ্ত হৈছে তেওঁলোকৰ বাবে দায়ী বুলি ঠিকাদাৰে মূৰ পাতি ল'ব লাগিব। দুৰ্ঘটনাত আঘাতপ্ৰাপ্ত সকলৰ দায়িত্ব ল'ব লাগিব। এনেধৰণৰ কেইবাটাও দাবী উত্থাপন কৰি অসম চৰকাৰ হায় হায়, লোক নিৰ্মাণ বিভাগ গ'বেক, ঠিকাদাৰ শিৱা হাৰলালকা মুৰ্দাবাদ শ্ল'গান দি শতাধিক প্ৰতিবাদকাৰীয়ে ২ ঘণ্টা পৰ্যন্ত পথ অৱৰোধ কাৰ্যসূচী গ্ৰহণ কৰে। অৱশেষত লোক নিৰ্মাণ বিভাগৰ বিষয়া আৰু ঠিকাদাৰ প্ৰতিষ্ঠানৰ প্ৰতিনিধি উপস্থিত হোৱাত সুৰক্ষা দল অসমৰ সভাপতি ভাস্কৰ বৰুৱা আৰু সম্পাদক চৈয়দ ইকবাল মজিদৰ স্বাক্ষৰিত এখনি স্মাৰক পত্ৰ প্ৰদান কৰে। লগতে অহা ৩০ ছেপ্টেম্বৰ ভিতৰত পথচোৱা মেৰামতি কৰি তোলাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে ঠিকাদাৰ আৰু লোক নিৰ্মাণ বিভাগৰ বিষয়-ববীয়াই।

নাজিৰাৰ পথ মেৰামতিৰ দাবীত নাজিৰা মহাবিদ্যালয় ছাত্ৰ সমাজৰ স্মাৰকপত্ৰ প্ৰদান

অসম বাৰ্তা, গেলেকী, ১১ ছেপ্টেম্বৰ ঃ নাজিৰা সমজিলাৰ অন্তৰ্গত নাজিৰা কলেজ তিনিআলিৰ পৰা সমজিলা আয়ুক্তৰ কাৰ্যালয় আৰু লোক নিৰ্মাণ বিভাগৰ। কাৰ্যালয়লৈ সংযোগী পথটোৰ গুৰুত্বপূৰ্ণ অংশত দীৰ্ঘদিন ধৰি সৃষ্টি হৈ থকা কৃত্ৰিম সমস্যাৰ স্থায়ী সমাধানৰ দাবীত আজি নাজিৰা মহাবিদ্যালয় ছাত্ৰ সমাজে এখনি স্মাৰকপত্ৰ প্ৰদান কৰে। জানিব পৰা মতে, উক্ত পথটোৰ হাতী-সৰকা দলঙৰ তলত আৰু কাষৰ অংশত দীৰ্ঘদিন ধৰি বৃহৎ বৃহৎ গাঁতৰ সৃষ্টি হৈছে। সামান্য বৰষুণতেই এই অংশত পানী জমা হৈ যাতায়াতৰ অনুপযোগী হৈ পৰে, যাৰ ফলত পথচাৰীসকল চৰম দুৰ্ভোগৰ সন্মুখীন হৈছে। বিশেষকৈ নাজিৰা মহাবিদ্যালয়, শংকৰদেৱ বিদ্যা নিকেতন আৰু অসম জাতীয় বিদ্যালয়কে ধৰি কেইবাখনো শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীয়ে দৈনিক এই পথেৰে অহা-যোৱা কৰোঁতে অকথ্য দুৰ্দশা ভুগিবলগীয়া হৈছে।



স্থানীয় ৰাইজ আৰু ছাত্ৰ সমাজৰ অভিযোগ অনুসৰি, বিভাগে কেৱল সাময়িকভাৱে মাটি-মাজেৰে গাঁতসমূহ ভৰোৱাৰ প্ৰয়াস কৰে। ফলস্বৰূপে, ৰ'দ দিলে ধূলি-বালি আৰু বৰষুণ দিলে বোকা-পানীৰে পথটোৰ অৱস্থা অধিক শোচনীয় হৈ পৰে। পথটোৰ এই দুৰ্দশাৰ প্ৰতি লোক নিৰ্মাণ বিভাগে চকু মুদা কুলিৰ ভাও ধৰিছে বুলি ছাত্ৰ সমাজে তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। অহা ৭ দিনৰ ভিতৰত পথটোৰ বিপদজনক গাঁতসমূহ স্থায়ীভাৱে মেৰামতি কৰি যাতায়াতৰ বাবে সম্পূৰ্ণ বিপদমুক্ত কৰি তুলিবলৈ ছাত্ৰ সমাজে সমজিলা আয়ুক্তৰ জৰিয়তে চৰকাৰ তথা সংশ্লিষ্ট বিভাগক কঠোৰ হুচিয়াৰী প্ৰদান কৰে।

হাজোত আৰক্ষীৰ বৃহৎ সফলতা

খেদি খেদি জব্দ অবৈধ ইউৰিয়া সাৰ ভৰ্তি ট্ৰাক; আটক চালক মোবাৰক আলী

অসম বাৰ্তা, হাজো, ১১ ছেপ্টেম্বৰ ঃ সমগ্ৰ ৰাজ্যজুৰি সাৰৰ ক'লা বজাৰখন আৰু অবৈধ সৰবৰাহৰ বিৰুদ্ধে আৰক্ষী তথা প্ৰশাসনে অভিযান তীব্ৰতৰ কৰি তোলাৰ সময়তে হাজোত পোহৰলৈ আহিছে এক বৃহৎ সফলতা। হাজো আৰক্ষী থানাৰ এক বিশেষ অভিযানত জব্দ হৈছে বস্তাই বস্তাই অবৈধ ইউৰিয়া সাৰ। হাজো-গুৱাহাটী সংযোগী পথৰ ক্ষুদ্ৰদধিত হাজো আৰক্ষীয়ে নিশা চলোৱা এক অভিযানত অবৈধ সাৰ কাঢ়িয়াই অনা এখন ট্ৰাক জব্দ কৰিবলৈ সক্ষম হয়। প্ৰাপ্ত তথ্য অনুসৰি, হাজোৰ বুল্লুটৰ পৰা যোৱাবাট অভিমুখে এখন অবৈধ ইউৰিয়া সাৰ ভৰ্তি ট্ৰাক গৈ থকা বুলি হাজো আৰক্ষীয়ে এক গোপন সূত্ৰৰ পৰা তথ্য লাভ কৰিছিল। এই তথ্যৰ ভিত্তিত হাজো আৰক্ষীৰ এটা দলে হাজো-গুৱাহাটী পথত খাপ পিটি বহিছিল। নিশা প্ৰায় ৯ বজাত সন্দেহজনক ট্ৰাকখন উক্ত স্থানত উপস্থিত হোৱাত আৰক্ষীয়ে বাহনখন ৰ'বলৈ সংকেত দিয়ে। কিন্তু আৰক্ষীৰ উপস্থিতি প্ৰত্যক্ষ কৰি চালকজনে গাড়ীখনৰ গতি তীব্ৰ কৰি পলাবলৈ চেষ্টা কৰে। পৰৱৰ্তী সময়ত আৰক্ষীৰ দলটোৱে পিছে পিছে খেদি খেদি ক্ষুদ্ৰদধিত ট্ৰাকখন কৰায়ত্ত কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে ট্ৰাকখনত তালাচী চলাই ওপৰত ট্ৰিপাল মেৰিয়াই অনা অৱস্থাত ১০০ বস্তা অবৈধ ইউৰিয়া সাৰ উদ্ধাৰ কৰে। সাৰখিনিৰ কোনো বৈধ্য নথিপত্ৰ চালকজনে প্ৰদৰ্শন কৰিব নোৱাৰাত আৰক্ষীয়ে AS-25-FC-7860 পঞ্জীয়ন নম্বৰৰ ট্ৰাকখনৰ লগতে সাৰখিনি জব্দ কৰে। অভিযানৰ সময়তে আৰক্ষীয়ে ট্ৰাকখনৰ চালক মোবাৰক আলীক আটক কৰে। বৰ্তমান চালক মোবাৰকক হাজো থানাত ৰাখি তীব্ৰ জেৰা চলাই থকা হৈছে। এই অবৈধ সাৰ সৰবৰাহৰ সৈতে কোনো ডাঙৰ ক'লা ব্যৱসায়ী চক্ৰ জড়িত থকাৰ সন্দেহ কৰা হৈছে। এই সাৰখিনি ক'ৰ পৰা অনা হৈছিল আৰু যোৱাবাটৰ কাৰ ওচৰলৈ নিয়াৰ পৰিকল্পনা কৰা হৈছিল, সেই সমগ্ৰ বিষয়টোক লৈ হাজো আৰক্ষীয়ে এক বিস্তৃত তদন্ত আৰম্ভ কৰিছে।

ব্ৰিকছ ব্যৱসায়িক মঞ্চত ইৰাণৰ

হৈ গৈছে। ভূ-ৰাজনৈতিক অনিশ্চয়তা, যোগান শৃংখলত ব্যাঘাত আৰু ৰাজনৈতিক হেঁচা প্ৰয়োগৰ বাবে অৰ্থনৈতিক যন্ত্ৰৰ ব্যৱহাৰ বৃদ্ধিয়ে দেশসমূহৰ অৰ্থনৈতিক পৰিৱেশ অধিক জটিল কৰি তুলিছে। এনে প্ৰেক্ষাপটত ব্ৰিকছে কেনে সঁহাৰি দিব-সেয়া এতিয়া গুৰুত্বপূৰ্ণ প্ৰশ্ন। ইৰাণৰ ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, "ব্ৰিকছৰ প্ৰকৃত শক্তি কেৱল ইয়াৰ সদস্যসকলৰ অৰ্থনীতিৰ আকাৰত সীমাবদ্ধ নহয়। এই ক্ষমতাসমূহ যেতিয়া বাণিজ্য, বিনিয়োগ আৰু যৌথ বিত্তীয় সাহায্যৰ নেটৱৰ্কলৈ ৰূপান্তৰিত হয়, তেতিয়া ই অধিক স্পষ্ট হৈ পৰে।" তেওঁ সম্ভাব্য সহযোগিতাৰ পৰা কাৰ্যকৰী সহযোগিতালৈ ৰূপান্তৰৰ বাবে আহ্বান জনায়। ব্ৰিকছ বিজনেছ ফ'ৰামৰ নেতা শীৰ্ষক অনুষ্ঠানত ব্ৰাজিলৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী মাউৰো ভিয়েৰাই কয় যে বিগত কেইটামান দশকত গ্ল'বেল ছাউথৰ অবিৰত উত্থান ঘটিছে। ১৯৬০ চনৰ পৰা বৰ্তমানলৈকে বিশ্বৰ জিডিপিত কম আৰু মধ্যম আয়ৰ দেশসমূহৰ অংশ ২০ শতাংশৰ পৰা ৫০ শতাংশতকৈ অধিকলৈ বৃদ্ধি পাইছে। আজি বিশ্বৰ মুঠ অৰ্থনৈতিক উৎপাদনৰ ৪০ শতাংশ ব্ৰিকছৰ সদস্য ৰাষ্ট্ৰসমূহৰ অৰ্থনীতি। তেওঁ কয় যে বিশ্ব অৰ্থনীতিয়ে সুৰক্ষাবাদ, অৰ্থনৈতিক চাপ আৰু একপক্ষীয় নিষেধাজ্ঞাৰ ভাবুকিৰ সন্মুখীন হোৱা সময়ত উৎপাদন খণ্ডসমূহক ওচৰলৈ অনাটো পূৰ্বতকৈ অধিক গুৰুত্বপূৰ্ণ হৈ পৰিছে। আনহাতে, এই বৈঠকত ভাষণ দি কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে উল্লেখ কৰে যে ব্ৰিকছ ৰাষ্ট্ৰসমূহৰ পৰা বিশ্বলৈ সামগ্ৰীৰ ৰপ্তানি ২০০৩ চনত প্ৰায় ৯০০ বিলিয়ন ডলাৰ আছিল, যি ২০২৪ চনত প্ৰায় ৬ ট্ৰিলিয়ন ডলাৰলৈ বৃদ্ধি পাইছে। ইয়াৰ ফলত বিশ্বৰ ৰপ্তানিৰ ক্ষেত্ৰত ব্ৰিকছৰ অংশ প্ৰায় ৰচ শতাংশৰ পৰা প্ৰায় ২৪ শতাংশলৈ বৃদ্ধি পাইছে। তেওঁ কয়, "এই বৃহৎ সম্প্ৰসাৰণে ব্ৰিকছৰ বজাৰৰ বিশাল আকাৰ আৰু আগন্তুক বছৰবোৰত বাণিজ্য অধিক বৃদ্ধি কৰাৰ সম্ভাৱনাক প্ৰতিফলিত কৰে।" এতিয়াৰ কাম হৈছে এই বৃদ্ধিৰ গতিবেগক শক্তিশালী বাণিজ্য, সবল যোগান শৃংখল আৰু ব্যৱসায়ৰ বাবে উন্নত সুযোগলৈ ৰূপান্তৰ কৰা। মন্ত্ৰী গোৱেলে জনায় যে এই বৈঠকত সদস্য দেশ আৰু অংশীদাৰ দেশৰ ২০০০ৰো অধিক ব্যৱসায়িক নেতা তথা প্ৰতিনিধি সমবেত হৈছে। এয়া এতিয়ালৈকে অনুষ্ঠিত সৰ্ববৃহৎ ব্ৰিকছ ব্যৱসায়িক মঞ্চৰ বৈঠক। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্বত ভাৰতে এই সহযোগিতাৰ জৰিয়তে অৰ্থনীতিৰ মেৰুদণ্ড গঠন কৰাসকলৰ কাষ চাপিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। ইয়াৰ দ্বাৰা কৃষকসকল উপকৃত হ'ব লাগে, ব্যৱসায় আৰু অন্যান্য খণ্ডত মহিলাসকল সবলীকৃত হ'ব লাগে, লগতে যুৱ উদ্যোগী আৰু এমএছএমইসকলে ধন-সম্পত্তি আৰু সমৃদ্ধিৰ অধিক সুযোগ লাভ কৰিব লাগে। উল্লেখ্য, শনিবাৰে নতুন দিল্লীত ব্ৰিকছ শীৰ্ষ সন্মিলন অনুষ্ঠিত হ'ব। তাৰ এদিন পূৰ্বে শুকুৰবাৰে ব্ৰিকছ বিজনেছ ফ'ৰামৰ এই বৈঠক অনুষ্ঠিত হয়।

আজিৰে পৰা নতুন দিল্লীত ব্ৰিকছ শীৰ্ষ

নেতা শীৰ্ষক অনুষ্ঠানত ব্ৰাজিলৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী মাউৰো ভিয়েৰাই কয় যে বিগত কেইটামান দশকত গ্ল'বেল ছাউথৰ অবিৰত উত্থান ঘটিছে। ১৯৬০ চনৰ পৰা বৰ্তমানলৈকে বিশ্বৰ জিডিপিত কম আৰু মধ্যম আয়ৰ দেশসমূহৰ অংশ ২০ শতাংশৰ পৰা ৫০ শতাংশতকৈ অধিকলৈ বৃদ্ধি পাইছে। আজি বিশ্বৰ মুঠ অৰ্থনৈতিক উৎপাদনৰ ৪০ শতাংশ ব্ৰিকছৰ সদস্য ৰাষ্ট্ৰসমূহৰ অৰ্থনীতি। তেওঁ কয় যে বিশ্ব অৰ্থনীতিয়ে সুৰক্ষাবাদ, অৰ্থনৈতিক চাপ আৰু একপক্ষীয় নিষেধাজ্ঞাৰ ভাবুকিৰ সন্মুখীন হোৱা সময়ত উৎপাদন খণ্ডসমূহক ওচৰলৈ অনাটো পূৰ্বতকৈ অধিক গুৰুত্বপূৰ্ণ হৈ পৰিছে। আনহাতে, এই বৈঠকত ভাষণ দি কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে উল্লেখ কৰে যে ব্ৰিকছ ৰাষ্ট্ৰসমূহৰ পৰা বিশ্বলৈ সামগ্ৰীৰ ৰপ্তানি ২০০৩ চনত প্ৰায় ৯০০ বিলিয়ন ডলাৰ আছিল, যি ২০২৪ চনত প্ৰায় ৬ ট্ৰিলিয়ন ডলাৰলৈ বৃদ্ধি পাইছে। ইয়াৰ ফলত বিশ্বৰ ৰপ্তানিৰ ক্ষেত্ৰত ব্ৰিকছৰ অংশ প্ৰায় ৰচ শতাংশৰ পৰা প্ৰায় ২৪ শতাংশলৈ বৃদ্ধি পাইছে। তেওঁ কয়, "এই বৃহৎ সম্প্ৰসাৰণে ব্ৰিকছৰ বজাৰৰ বিশাল আকাৰ আৰু আগন্তুক বছৰবোৰত বাণিজ্য অধিক বৃদ্ধি কৰাৰ সম্ভাৱনাক প্ৰতিফলিত কৰে।" এতিয়াৰ কাম হৈছে এই বৃদ্ধিৰ গতিবেগক শক্তিশালী বাণিজ্য, সবল যোগান শৃংখল আৰু ব্যৱসায়ৰ বাবে উন্নত সুযোগলৈ ৰূপান্তৰ কৰা। মন্ত্ৰী গোৱেলে জনায় যে এই বৈঠকত সদস্য দেশ আৰু অংশীদাৰ দেশৰ ২০০০ৰো অধিক ব্যৱসায়িক নেতা তথা প্ৰতিনিধি সমবেত হৈছে। এয়া এতিয়ালৈকে অনুষ্ঠিত সৰ্ববৃহৎ ব্ৰিকছ ব্যৱসায়িক মঞ্চৰ বৈঠক। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্বত ভাৰতে এই সহযোগিতাৰ জৰিয়তে অৰ্থনীতিৰ মেৰুদণ্ড গঠন কৰাসকলৰ কাষ চাপিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। ইয়াৰ দ্বাৰা কৃষকসকল উপকৃত হ'ব লাগে, ব্যৱসায় আৰু অন্যান্য খণ্ডত মহিলাসকল সবলীকৃত হ'ব লাগে, লগতে যুৱ উদ্যোগী আৰু এমএছএমইসকলে ধন-সম্পত্তি আৰু সমৃদ্ধিৰ অধিক সুযোগ লাভ কৰিব লাগে। উল্লেখ্য, শনিবাৰে নতুন দিল্লীত ব্ৰিকছ শীৰ্ষ সন্মিলন অনুষ্ঠিত হ'ব। তাৰ এদিন পূৰ্বে শুকুৰবাৰে ব্ৰিকছ বিজনেছ ফ'ৰামৰ এই বৈঠক অনুষ্ঠিত হয়।

জৰাজীৰ্ণ পথৰ মেৰামতিৰ দাবীত

গুৱাহাটীৰ পাথৰকোঁৱৰীত সদৌ অসম ছাত্ৰ সন্থাই মানৱ শৃংখল কাৰ্যসূচী ৰূপায়ণ কৰে। ৰাজ্য চৰকাৰ আৰু লোকনিৰ্মাণ বিভাগৰ বিৰুদ্ধে প্ৰতিবাদকাৰীসকলে ক্ষোভ উজাৰে। চিৰাঙৰ বিজনীস্থিত ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দহলাপাৰা টোল প্লাজাত শুকুৰবাৰে আছুৱে মানৱ শৃংখল কাৰ্যসূচী ৰূপায়িত কৰে। ৰাষ্ট্ৰীয় ঘাইপথকে আদি কৰি জৰাজীৰ্ণ বাট-পথসমূহ মেৰামতি আৰু পুনৰ নিৰ্মাণৰ দাবীত সদৌ চিৰাং জিলা ছাত্ৰ সন্থা আৰু সদৌ বঙাইগাঁও জিলা ছাত্ৰ সন্থাৰ যৌথ উদ্যোগত এই কাৰ্যসূচী ৰূপায়ণ কৰা হয়। সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানত ৰাষ্ট্ৰীয় ঘাইপথটোৰ বিজনীৰ দহলাপাৰাস্থিত টোল প্লাজাত অনুষ্ঠিত এই মানৱ শৃংখল কাৰ্যসূচীত "ৰাষ্ট্ৰীয় ঘাইপথ মেৰামতি কৰিব লাগিবই", "বিজেপি চৰকাৰৰ কাম নাই", "বিজেপি চৰকাৰ গ' বেক", "সদৌ অসম ছাত্ৰ সন্থা জিন্দাবাদ" আদি শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলা হয়। গোৱালপাৰা জিলাতো আছুৱে প্ৰতিবাদ সাব্যস্ত কৰে। গোৱালপাৰাৰ শোলমাৰীত জিলা আছুৱে এই কাৰ্যসূচী ৰূপায়ণ কৰে। চৰকাৰ বিৰোধী শ্ল'গানেৰে পৰিৱেশ আকাশ-বতাহ কঁপাই তোলে। সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানত ৰাজ্যজুৰি চলা প্ৰতিবাদৰ অংশ হিচাপে সদৌ মাজুলী জিলা ছাত্ৰ সন্থাই পূব মাজুলী মহাবিদ্যালয়ৰ সন্মুখত এক মানৱ শৃংখল কাৰ্যসূচী ৰূপায়ণ কৰে। ৰাষ্ট্ৰীয় ঘাইপথকে ধৰি জিলাখনৰ জৰাজীৰ্ণ হৈ পৰা বাট-পথসমূহৰ শীঘ্ৰে মেৰামতি আৰু পুনঃনিৰ্মাণৰ দাবীত ছাত্ৰ সন্থাই এই প্ৰতিবাদ সাব্যস্ত কৰে। পুৱা ৰৰ বজাৰ পৰা মহাবিদ্যালয়ৰ সন্মুখৰ পথত ছাত্ৰ-ছাত্ৰীসকলে হাতে হাত ধৰি মানৱ শৃংখল গঢ়ি তোলে। তেওঁলোকে "জৰাজীৰ্ণ পথ মেৰামতি কৰক", "মাজুলীৰ উন্নয়নৰ পথ মুকলি কৰক", "আছু জিন্দাবাদ" আদি শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। দক্ষিণ কামৰূপৰ ছয়গাঁৱত ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ বিধ্বস্ত ৰূপ আৰু সম্প্ৰসাৰণৰ লেহেমীয়া গতিৰ বিৰুদ্ধে আছুৱে ধাৰাবাহিক প্ৰতিবাদ অব্যাহত ৰাখিছে। আজি পুনৰ ছয়গাঁৱত আছুৰ নেতৃত্বত বৃহৎ মানৱ শৃংখল কাৰ্যসূচী ৰূপায়ণেৰে ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰা হয়। সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বান মৰ্মে সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ উদ্যোগত ৰাষ্ট্ৰীয় ঘাইপথকে ধৰি জৰাজীৰ্ণ বাট-পথসমূহৰ মেৰামতি আৰু পুনৰ নিৰ্মাণৰ দাবীত ছয়গাঁৱত এই কাৰ্যসূচী ৰূপায়ণ কৰা হয়। অসম চৰকাৰ হায় হায় শ্ল'গানেৰে চিলাপথাৰতো উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে আছুৱে। বিধ্বস্ত পথৰ মেৰামতি আৰু পুনৰ নিৰ্মাণৰ দাবীত ধেমাজি জিলা ছাত্ৰ সন্থাই চিলাপথাৰ নগৰত মানৱ শৃংখল কাৰ্যসূচী গ্ৰহণ কৰে। পাঁচ শতাধিক ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণেৰে চিলাপথাৰত সংগঠনটোৱে এই কাৰ্যসূচী ৰূপায়ণ কৰে। "অসম চৰকাৰ হায় হায়", "জৰাজীৰ্ণ পথ নিৰ্মাণ কৰক", "আমাৰ দাবী মানিবই লাগিব" আদি শ্ল'গানেৰে প্ৰতিবাদ সাব্যস্ত কৰা হয়। জৰাজীৰ্ণ ৰাষ্ট্ৰীয় পথসমূহ মেৰামতিৰ দাবীত ওদালগুৰিতো আছুৰ মানৱ শৃংখল কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

BRICS শীৰ্ষ সন্মিলনৰ পূৰ্বে

সন্মিলনত ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিন, চীনৰ ৰাষ্ট্ৰপতি শ্বি জিনপিং, দক্ষিণ আফ্ৰিকাৰ ৰাষ্ট্ৰপতি চিৰিল ৰামাফোছা, ইৰাণৰ ৰাষ্ট্ৰপতি মাছুদ পেজেশকিয়ানকে ধৰি কেইবাখনো দেশৰ ৰাষ্ট্ৰপ্ৰধান আৰু প্ৰধানমন্ত্ৰীয়ে অংশগ্ৰহণ কৰিব। ইয়াৰ পূৰ্বে শুকুৰবাৰে নতুন দিল্লীত উপস্থিত হয় ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভলাডিমিৰ পুটিন। উচ্চপৰ্যায়ৰ প্ৰতিনিধি দলৰ সৈতে পালম এয়াৰ ফ'ৰ্চ ষ্টেচনত অৱতৰণ কৰা পুটিনক বৈদেশিক পৰিক্ৰমা ৰাজ্যিক মন্ত্ৰী কীৰ্তি বৰ্ধন সিঙে আদৰণি জনায়। ২০২২ চনত মস্কোৱে ইউক্ৰেইনৰ বিৰুদ্ধে পূৰ্ণাংগ সামৰিক অভিযান আৰম্ভ কৰাৰ পাছত ৰাছিয়াৰ বাহিৰত অনুষ্ঠিত কোনো ট্ৰষ্মচট্ৰত্ৰ শীৰ্ষ সন্মিলনত এয়া তেওঁৰ প্ৰথম অংশগ্ৰহণ। তিনিদিনীয়া ভ্ৰমণসূচীৰে ভাৰতত উপস্থিত হৈ পুটিনে ভাৰত-ৰাছিয়াৰ দ্বিপাক্ষিক সম্পৰ্কক 'বহুমুখী আৰু দীৰ্ঘদিনীয়া' বুলি প্ৰশংসা কৰে। শুকুৰবাৰে বিয়লি ৩.৩০ বজাত ৰাছিয়াৰ ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰী মোদীৰ মাজত দ্বিপাক্ষিক বৈঠক হোৱাৰ কথা আছে। ইউক্ৰেইন আৰু পশ্চিম এছিয়াৰ সংঘাতৰ পৰিপ্ৰেক্ষিতত বৰ্তমানৰ ভূ-ৰাজনৈতিক পৰিস্থিতি আৰু বিভিন্ন ক্ষেত্ৰত সহযোগিতা অধিক শক্তিশালী কৰাৰ বিষয়টো এই বৈঠকত গুৰুত্ব পাব বুলি আশা কৰা হৈছে। ট্ৰষ্মচট্ৰত্ৰ শীৰ্ষ সন্মিলনত খাদ্য, শক্তি, দুৰ্যোগ মোকাবিলা আৰু গুৰুত্বপূৰ্ণ যোগান শৃংখলকে ধৰি বিভিন্ন ক্ষেত্ৰত সামূহিক স্থিতিস্থাপকতা অধিক শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব দিয়া হ'ব বুলি আশা কৰা হৈছে। উল্লেখ্য, ইৰাণৰ বিৰুদ্ধে আমেৰিকা-ইজৰাইলৰ সংঘাতৰ ফলত সৃষ্টি হোৱা উত্তেজনাপূৰ্ণ ভূ-ৰাজনৈতিক পৰিস্থিতিৰ মাজতে ১৮ সংখ্যক ট্ৰষ্মচট্ৰত্ৰ শীৰ্ষ সন্মিলন অনুষ্ঠিত হ'ব। সন্মিলনত অংশগ্ৰহণ কৰা বিশ্বনেতাসকলৰ ভিতৰত আছে-চীনৰ ৰাষ্ট্ৰপতি শ্বি জিনপিং, ইৰাণৰ ৰাষ্ট্ৰপতি মাছুদ পেজেশকিয়ান, ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিন, দক্ষিণ আফ্ৰিকাৰ ৰাষ্ট্ৰপতি চিৰিল ৰামাফোছা, ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতি প্ৰাবোৱো ছুবিয়ান্তো, ইজিপ্তৰ ৰাষ্ট্ৰপতি আব্দেল ফাত্তাহ আল-ছিছি, মালয়েছিয়াৰ প্ৰধানমন্ত্ৰী আনোৱাৰ ইব্ৰাহিম, সংযুক্ত আৰব আমিৰশ্বাহীৰ ক্ৰাউন প্ৰিন্স মহম্মদ বিন জায়েদ আল নাহিয়ান, ইথিঅ'পিয়াৰ প্ৰধানমন্ত্ৰী আবি আহমেদ আৰু ভিয়েটনামৰ প্ৰধানমন্ত্ৰী লে মিন হুং।

ব্ৰিকছ সন্মিলনৰ পূৰ্বে পুটিনৰ

ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনে শুকুৰবাৰে পুৱা তিনিদিনীয়া ভ্ৰমণসূচীৰে নতুন দিল্লীত অৱতৰণ কৰে। ইতিমধ্যে শক্তিশালী হৈ থকা প্ৰতিৰক্ষা সহযোগিতা সম্প্ৰসাৰণৰ ক্ষেত্ৰতো দুয়োগৰাকী নেতাই গভীৰভাৱে আলোচনা চলাব বুলি আশা কৰা হৈছে। ক্ৰেমলিনৰ মুখপাত্ৰ ডিমিট্ৰি পেস্ক'ভে মঙলবাৰে কয় যে দুয়োপক্ষই ব্ৰহ্মছ ক্ষেপণাস্ত্ৰ উন্নীতকৰণৰ বিষয়েও অন্বেষণ কৰি আছে। লগতে মস্কোৱে নিজৰ বাকী থকা এছ-৪০০ ছিষ্টেম ডেলিভাৰী সম্পূৰ্ণ কৰিবলৈ আৰু সুখোই-৫৭ যুঁজাৰু বিমানৰ প্ৰস্তাৱিত যোগানৰ বিষয়ে আলোচনা কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ হৈ আছে। ৰাছিয়াৰ বিষয়াগৰাকীয়ে কয় যে দুয়োখন দেশৰ মাজত শক্তিৰ সম্পৰ্ক সুদৃঢ় হৈ আছে। ভাৰতত নতুন অসামৰিক পাৰমাণৱিক ৰিয়েক্টৰ স্থাপনৰ পৰিকল্পনাৰ বাবে দুয়োপক্ষই আলোচনা অনুষ্ঠিত কৰাৰ দিশত দৃষ্টি ৰাখিছে। ইয়াৰ পূৰ্বে যোৱা সপ্তাহত বিষ্কেকত অনুষ্ঠিত এছচিঅ' শীৰ্ষ সন্মিলনৰ পাৰঞ্জশ্বীয় বৈঠকত মোদী আৰু পুটিনৰ সাক্ষাৎ হৈছিল। সেই বৈঠকত প্ৰধানমন্ত্ৰীয়ে সংঘাতৰ তাৎক্ষণিক অন্ত পেলাবলৈ আহ্বান জনাইছিল আৰু ৰাছিয়াৰ নেতাগৰাকীক 'অন্তহীন যুদ্ধক অন্ত পেলাবলৈ' আহ্বান জনাইছিল। ইউক্ৰেইনৰ সংঘাত আৰু শান্তিৰ ৰোডমেপ তেওঁলোকৰ আগন্তুক আলোচনাত বিশেষভাৱে স্থান পাব বুলি আশা কৰা হৈছে। বিগত কেইদিনমানৰ পৰা এই সংঘাত সমাধানৰ উপায় বিচাৰি ট্ৰাম্প প্ৰশাসনকে ধৰি নতুন প্ৰচেষ্টা চলাইছে। মোদী-পুটিনৰ আলোচনাৰ পূৰ্বে সূত্ৰসমূহে জনোৱা মতে, ২০৩০ চনৰ ভিতৰত দুয়োপক্ষই ১০০ বিলিয়ন মাৰ্কিন ডলাৰৰ অভিলাষী বাণিজ্যিক লক্ষ্যত উপনীত হোৱাত গুৰুত্ব প্ৰদান কৰিব। ৰাছিয়াৰ সৈতে ঔদ্যোগিক সহযোগিতা সম্প্ৰসাৰণ, ৰে'ল খণ্ড আৰু সুৰংগ, তীখাৰ মূল্য শৃংখলৰ বিকাশ আৰু ভাৰতীয় ৰপ্তানিকাৰকসকলৰ বাবে ৰাছিয়াৰ বজাৰত প্ৰৱেশ বিস্তৃত কৰা আদিয়েও এই আলোচনাত স্থান পাব বুলি সূত্ৰসমূহে প্ৰকাশ কৰিছে। ইন্ধনচক্ৰ আৰু জীৱনচক্ৰৰ সমৰ্থনকে ধৰি নাগৰিক পাৰমাণৱিক সহযোগিতা শক্তিশালী কৰাৰ ক্ষেত্ৰতো দুয়োগৰাকী নেতাই আলোচনা কৰাৰ সম্ভাৱনা আছে। ৰাছিয়ালৈ ভাৰতীয় দক্ষ শ্ৰমিকৰ গতিশীলতা বৃদ্ধি আৰু জটিল খনিজ পদাৰ্থৰ ক্ষেত্ৰত সহযোগিতাৰ বিষয়েও আলোচনা হ'ব বুলি সূত্ৰসমূহে প্ৰকাশ কৰিছে।

বাংলাদেশক পৰাস্ত কৰি টি-২০ এছিয়া

প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লৈ ভাৰতক বেটিং কৰিবলৈ আমন্ত্ৰণ জনাইছিল। প্ৰথমে বেট ধৰি ভাৰতীয় দলে নিৰ্ধাৰিত ২০ অভাৰত ছটা উইকেটৰ বিনিময়ত ১৪৯ ৰাণ সংগ্ৰহ কৰি বাংলাদেশৰ সন্মুখত জয়ৰ বাবে ১৫০ ৰানৰ এক প্ৰত্যাহ্বানজনক লক্ষ্য নিৰ্ধাৰণ কৰে। ভাৰতৰ হৈ অপেনিং বেটাৰ শ্বেফালী বাৰ্মাই আক্ৰমণাত্মক শৈলীৰে ৬৪ ৰানৰ এক অনবদ্য আৰু ধুমুহাময় ইনিংছ খেলে। টীম ইণ্ডিয়াৰ জয়ত মুখ্য ভূমিকা পালন কৰা শ্বেফালীক এই অনবদ্য প্ৰদৰ্শনৰ বাবে 'প্লেয়াৰ অৱ দ্য মেচ' খিতাপেৰে সন্মানিত কৰা হয়। ইয়াৰ প্ৰত্যুত্তৰত ১৫০ ৰানৰ লক্ষ্য অনুসৰণ কৰিবলৈ গৈ বাংলাদেশ দলটোৱে তীব্ৰ চাপৰ সন্মুখীন হয় আৰু ২০ অভাৰত ৭টা উইকেট হেৰুৱাই মাত্ৰ ১০৯ ৰানহে সংগ্ৰহ কৰিবলৈ সক্ষম হয়। ভাৰতীয় বলাৰসকলৰ ভিতৰত স্পিনাৰ দীপ্তি শৰ্মাই সৰ্বাধিক্‌ টা উইকেট দখল কৰাৰ লগতে নন্দনী শৰ্মাই দুটা আৰু শ্ৰীচৰাণী তথা প্ৰেমা ৰাৱটে এটাকৈ গুৰুত্বপূৰ্ণ উইকেট লাভ কৰে। মেচৰ অন্তত অধিনায়ক হৰমনপ্ৰীত কৌৰে দলৰ সামগ্ৰিক প্ৰদৰ্শনত গভীৰ সন্তুষ্টি প্ৰকাশ কৰে। তেওঁ বিশেষকৈ এনে কঠিন পিটচত গঞ্জ উঠা সৰু সৰু অংশীদাৰিত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ৰিচা ঘোষে খেলা গুৰুত্বপূৰ্ণ শ্বট আৰু দীপ্তি শৰ্মাই কেইটামান মূল্যৱান উইকেট দখল কৰি মেচখনলৈ অনা পৰিৱৰ্তনক তেওঁ বিশেষভাৱে শলাগ লয়। হৰমনপ্ৰীতে লগতে উল্লেখ কৰে যে স্পিন-অনুকূল পিটচত বেটাৰসকলৰ বাবে ৰান সংগ্ৰহ কৰাটো যথেষ্ট কঠিন আছিল যদিও দুয়োটা দলৰ স্পিনাৰসকলে পিটচৰ সঠিক ব্যৱহাৰ কৰি সুন্দৰ বলিং প্ৰদৰ্শন কৰিলে। উল্লেখযোগ্য যে, ২০০৪ চনত এছিয়া কাপ আৰম্ভ হোৱাৰ পৰা বিগত চচ বছৰত ভাৰতীয় দলে প্ৰতিটো সংস্কৰণৰ ফাইনেলত প্ৰৱেশ কৰি এক বিৰল অভিলেখ গঞ্জছে। এইবাৰকৈ একেৰাহে ১০ম বাৰৰ বাবে ভাৰতে ফাইনেল খেলিব। আনহাতে, আজি দ্বিতীয়খন ছেমিফাইনেলত শ্ৰীলংকা আৰু পাকিস্তান মুখামুখি হ'ব, যিখন খেল ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব। এই মেচৰ বিজয়ী দলটোৱে অহা দেওবাৰে ডুবাইতেই অনুষ্ঠিত হ'বলগীয়া চূড়ান্ত মেচখনত ভাৰতৰ সন্মুখীন হ'ব।

মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰৰ অধ্যক্ষতাত

বিস্তৃতভাৱে আলোচনা কৰা হয়। সভাত মন্ত্ৰীগৰাকীয়ে বিগত বৰ্ষত গ্ৰহণ কৰা বিভিন্ন উন্নয়নমূলক আন্তঃগাঁথনিমূলক কাম-কাজৰ অগ্ৰগতি পৰ্যালোচনা কৰে। তেওঁ অসম্পূৰ্ণ কামসমূহ আগন্তুক এটা মাহৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ সংশ্লিষ্ট বিভাগ আৰু ৰূপায়ণকাৰী সংস্থাসমূহক কঠোৰ নিৰ্দেশ দিয়ে। কামৰ গুণগত মান অক্ষুণ্ণ ৰখাৰ লগতে নিৰ্ধাৰিত সময়সীমা কোনো কাৰণতে উলংঘা নকৰিবলৈও তেওঁ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ প্ৰদান কৰে। কামত গাফিলতি আৰু নিৰ্ধাৰিত সময়সীমা উলংঘাৰ অভিযোগৰ পৰিপ্ৰেক্ষিতত মন্ত্ৰীগৰাকীয়ে Meechfeb Engineering Industries Pvt. Ltd.-ক ব্লেকলিষ্ট কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। তেওঁ কয় যে সংখ্যালঘু সম্প্ৰদায়ৰ সৰ্বাংগীণ উন্নয়ন নিশ্চিত কৰাৰ ক্ষেত্ৰত আন্তঃগাঁথনিৰ উন্নয়নে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সেয়ে চৰকাৰী আঁচনিৰ অধীনত গ্ৰহণ কৰা প্ৰতিটো কাম সময়মতে, স্বচ্ছভাৱে আৰু নিৰ্ধাৰিত গুণগত মান বজাই সম্পূৰ্ণ কৰাটো সংশ্লিষ্ট সকলো পক্ষৰ দায়িত্ব। মন্ত্ৰীগৰাকীয়ে লগতে উন্নয়নমূলক প্ৰকল্পসমূহৰ নিয়মীয়া পৰিদৰ্শন, কামৰ অগ্ৰগতিৰ নিৰন্তৰ নিৰীক্ষণ আৰু ক্ষেত্ৰভিত্তিক সমস্যাসমূহ তাৎক্ষণিকভাৱে সমাধানৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ সংশ্লিষ্ট বিষয়াসকলক প্ৰকল্পসমূহৰ অগ্ৰগতিৰ বিষয়ে নিয়মীয়াকৈ প্ৰতিবেদন দাখিল কৰিবলৈও নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ অধীনত ৰূপায়ণ হৈ থকা আন্তঃগাঁথনিমূলক উন্নয়নমূলক কাম-কাজৰ মুখ্য ৰূপায়ণকাৰী সংস্থা হাউচফেড, অসম গৃহ নিৰ্মাণ পৰিষদ (Housing Board) আৰু লোক নিৰ্মাণ বিভাগ (PWD)-ৰ জ্যেষ্ঠ বিষয়াসকল এই সভাত উপস্থিত থাকে। সভাত সংশ্লিষ্ট বিষয়াসকলে নিজ নিজ সংস্থাৰ অধীনত চলি থকা প্ৰকল্পসমূহৰ অগ্ৰগতি আৰু ৰূপায়ণৰ ক্ষেত্ৰত দেখা দিয়া সমস্যাসমূহৰ বিষয়ে মন্ত্ৰীগৰাকীক অৱগত কৰে।

বিশ্ব নেতৃত্বৰ ঐতিহাসিক দায়িত্ব

পৰিস্থিতিৰ মাজত ব্ৰিকছৰ ওপৰত বিশ্বক নেতৃত্ব দিয়াৰ ঐতিহাসিক দায়িত্ব আছে। তেওঁ আশা প্ৰকাশ কৰে যে এই সন্মিলনত একগোট হ'বলগীয়া বিশ্বৰ আগশাৰীৰ নেতাসকলে শান্তি আৰু সমৃদ্ধিৰ স্বাৰ্থত কাম কৰিব। ভাৰতে ব্ৰিকছ সন্মিলন আয়োজন কৰাটো এক বৃহৎ সফলতা বুলি অভিহিত কৰি মুখ্যমন্ত্ৰী শৰ্মাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বক আদৰণি জনায়। তেওঁ কয়, "ভাৰতত ব্ৰিকছ শীৰ্ষ সন্মিলন অনুষ্ঠিত কৰাটো এক অনন্য কৃতিত্ব। সমগ্ৰ বিশ্বতে চলি থকা সংকটৰ মাজত, বিশেষকৈ হৰমুজ প্ৰণালী আৰু আন সকলো দিশত বিশ্বক নেতৃত্ব দিয়াৰ ক্ষেত্ৰত ব্ৰিকছৰ বহু ঐতিহাসিক দায়িত্ব আছে।" তেওঁ এই সন্মিলনৰ জৰিয়তে বিশ্বজনীন প্ৰত্যাহ্বানসমূহ মোকাবিলা কৰাৰ বাবে সুনিৰ্দিষ্ট ব্যৱস্থাৰ উন্মেষ ঘটিব বুলি আস্থা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই লগতে কয়, "মই অতিশয় সুখী যে ভাৰতে বৰ্তমান প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত ব্ৰিকছৰ নেতৃত্ব বহন কৰিছে। নিঃসন্দেহে ব্ৰিকছে বিশ্ব শান্তি আৰু সমৃদ্ধিৰ বাবে এক সুনিৰ্দিষ্ট কাৰ্য পৰিকল্পনা আগবঢ়াব পাৰিব।" নতুন দিল্লীত শনিবাৰৰ পৰা অনুষ্ঠিত হ'বলগীয়া চলিত বৰ্ষৰ ব্ৰিকছ সন্মিলনৰ মূল বিষয়বস্তু হৈছে "স্থিতিস্থাপকতা, উদ্ভাৱন, সহযোগিতা আৰু বহনক্ষমতাৰ বাবে নিৰ্মাণ", য'ত উন্নয়ন, বহনক্ষমতা আৰু উদ্ভাৱনৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে।

৯/১১ আক্ৰমণৰ ২৫ বছৰ

ভয়ংকৰ ৯১১১১ আক্ৰমণৰ ২৫ বছৰ পাৰ হৈছে। সেই মৰ্মান্তিক ঘটনাত প্ৰাণ হেৰুওৱা সকলো নিৰীহ লোকক তেওঁ গভীৰ শ্ৰদ্ধাৰে স্মৰণ কৰে। লগতে সেই ভয়াবহ দিনটোৰ পাছত যিসকল পৰিয়ালৰ জীৱন চিৰদিনৰ বাবে সলনি হৈ গৈছিল, তেওঁলোকৰ প্ৰতি ভাৰতৰ সমবেদনা আৰু সহমৰ্মিতা আজিও অটুট বুলি তেওঁ উল্লেখ কৰে। বিশ্বজুৰি সন্ত্ৰাসবাদৰ ভয়াৱহতা সন্দৰ্ভতো কঠোৰ বাৰ্তা দিয়ে প্ৰধানমন্ত্ৰীগৰাকীয়ে। তেওঁ কয় যে সন্ত্ৰাসবাদে পৃথিৱীৰ বিভিন্ন প্ৰান্তত অসংখ্য নিৰীহ লোকৰ প্ৰাণ কাঢ়ি নিছে। এই ভয়ংকৰ ভাবুকিৰ বিৰুদ্ধে একেলগে যুঁজ দিয়াৰ প্ৰয়োজনীয়তাৰ কথাও তেওঁ পুনৰ দোহৰে। সীমান্ত পাৰ হৈ অহা সন্ত্ৰাসবাদৰ প্ৰত্যক্ষ ক্ষতি ভোগ কৰা দেশ হিচাপে ভাৰত বিগত কেইবাদশক ধৰি এই যুঁজৰ অগ্ৰভাগত আছে বুলি মোদীয়ে উল্লেখ কৰে। সন্ত্ৰাসবাদৰ সকলো ৰূপ আৰু হিংস্ৰ মতাদৰ্শৰ বিৰুদ্ধে ভাৰত সদায় দৃঢ়ভাৱে থিয় দি আহিছে বুলিও তেওঁ স্পষ্ট কৰে। ৯১১ আক্ৰমণৰ ২৫ বছৰীয়া স্মৃতিৰ দিনটোত মোদীৰ এই বাৰ্তাই সন্ত্ৰাসবাদৰ বিৰুদ্ধে বিশ্বজোৰা ঐক্য আৰু কঠোৰ পদক্ষেপৰ প্ৰয়োজনীয়তাক পুনৰ আগলৈ আনিছে। নিৰীহ লোকৰ ওপৰত হিংসা আৰু আতংক সৃষ্টি কৰা যিকোনো শক্তিৰ বিৰুদ্ধে ভাৰত আগন্তুক দিনতো সন্মুখৰ শাৰীত থাকিব বুলি বাৰ্তাটোত স্পষ্ট ইংগিত পোৱা যায়।

নগাঁও লোকসভা সমষ্টিৰ উপ

সন্দৰ্ভত এক গুৰুত্বপূৰ্ণ প্ৰতিক্ৰিয়া ব্যক্ত কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে দেৱাশিস শৰ্মাৰ সামাজিক কৰ্মৰ প্ৰশংসা কৰাৰ লগতে তেওঁৰ বিৰুদ্ধে বিৰোধী কংগ্ৰেছে অনা অভিযোগসমূহক তীব্ৰ ভাষাৰে খণ্ডন কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে দেৱাশিস শৰ্মাই দীৰ্ঘদিন ধৰি 'দীপশিখা ফাউণ্ডেশ্যন'ৰ জৰিয়তে বহু কৰ্কট ৰোগীক সহায় কৰি আহিছে। তেওঁৰ এই মানৱীয় আৰু সামাজিক অৱদান অনন্য। কংগ্ৰেছে দেৱাশিস শৰ্মা সন্দৰ্ভত অভিযোগ উত্থাপন কৰাৰ পিছত প্ৰত্যুত্তৰত মুখ্যমন্ত্ৰীয়ে কয়, দেৱাশিস শৰ্মাই চৰকাৰী চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পিছতহে বিজেপিত যোগদান কৰিছে। গতিকে ইয়াত কোনো অনিয়ম হোৱা নাই। বিৰোধী দলটোক পুৰণি কথা সোঁৱৰাই দি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে যে শিৰামণি বৰাও এসময়ত এগৰাকী চৰকাৰী বিষয়া আছিল। তেওঁ চাকৰি এৰি কংগ্ৰেছত যোগদান কৰি নিৰ্বাচন খেলিছিল। দেৱাশিস শৰ্মাৰ নাম ঘোষণা কৰাৰ পিছতেই নগাঁৱৰ বিজেপি কৰ্মীসকলৰ মাজত এতিয়া ব্যাপক উৎসাহ দেখিবলৈ পোৱা গৈছে। আনহাতে, শাসক-বিৰোধীৰ এই বাকযুদ্ধই নগাঁও লোকসভা সমষ্টিৰ নিৰ্বাচনী যুঁজখন অধিক আমোদজনক কৰি তুলিছে।

অখিল গগৈলৈ দেৱব্ৰত শইকীয়াৰ মুকলি পত্ৰ

আক্ৰমণাত্মকভাৱে প্ৰত্যুত্তৰ দিছে, সেয়া এগৰাকী জ্যেষ্ঠ নেতাৰ বাবে শোভনীয় নহয়। ড° গোহাঁইৰ বক্তব্যৰ প্ৰতি অসমৰ সাধাৰণ ৰাইজেও একে অনুভৱ কৰে। লগতে ড° গোহাঁয়ে অতীতত কংগ্ৰেছকো কঠোৰ সমালোচনা কৰিছে; সেই সমালোচনাক কংগ্ৰেছে আত্মবিশ্লেষণৰ সুযোগ হিচাপে গ্ৰহণ কৰিব লাগে। শইকীয়াৰ মতে, ড° গোহাঁয়ে বিৰোধী ৰাজনীতিৰ বৃহত্তৰ স্বাৰ্থত বিৰোধী দলসমূহৰ মাজত ঐক্য আৰু মিত্ৰতাবোধ গঢ়ি তোলাৰ পোষকতা কৰি আহিছে। শাসকীয় স্বেচ্ছাচাৰী দলটোক পৰাস্ত কৰিবলৈ হ'লেও বিৰোধী দলসমূহে উমৈহতীয়া উদ্দেশ্য লৈ আগবাঢ়িব লাগে বুলি তেওঁ মন্তব্য কৰে। পত্ৰত শইকীয়াই অখিল গগৈৰ সঘনাই সলনি হোৱা ৰাজনৈতিক স্থিতিক লৈও প্ৰশ্ন উত্থাপন কৰিছে। তেওঁ কয়, উজনি অসমৰ বানপানীৰ সময়ত এদিন গগৈয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক কঠোৰ সমালোচনা কৰে, কিন্তু তাৰ পিছদিনা আকৌ একেজন মুখ্যমন্ত্ৰীৰ গুণগান কৰে। এনে দ্বৈত স্থিতিয়ে ৰাইজৰ মনত প্ৰশ্নৰ সৃষ্টি কৰে। শইকীয়াই লগতে কয় যে তেওঁলোকৰ মাজত মতাদৰ্শগত পাৰ্থক্য আছে; সেই কথা তেওঁ অস্বীকাৰ নকৰে। কিন্তু আজিৰ সময়ত সমালোচনাৰ লক্ষ্য শাসনত থকা ফেচিষ্ট বিজেপিক কৰা উচিত নে বিৰোধীক কৰা উচিত-এই প্ৰশ্নৰ উত্তৰ ৰাইজে বিচাৰে। ৰাইজৰ দলে বিৰোধী দলক লক্ষ্য কৰি লোৱাৰ ফলত পৰোক্ষভাৱে বিজেপিয়ে লাভৱান হ'ব বুলি তেওঁ আশংকা প্ৰকাশ কৰে। তেওঁ উল্লেখ কৰে যে বিজেপি চৰকাৰে কেলেংকাৰী কৰিছে, বানাক্ৰান্তক সাহায্য দিয়া নাই, বানপীড়িতৰ বাবে কোনো পেকেজ ঘোষণা কৰা নাই, যুৱক-যুৱতীৰ চাকৰি নাই, বিদেশত অসমীয়াৰ মৃত্যুৰ খবৰ আহি আছে, ৰাস্তা-দুৰাৱস্থা, বিদ্যালয়-চিকিৎসালয়ৰ আন্তঃগাঁথনিৰ অভাৱ, শিক্ষক-ডাক্তৰ-নাৰ্চৰ অভাৱ, জৈৱপৰিৱেশ ধ্বংস আৰু আদানী-আম্বাণী-বেদান্ত-পতঞ্জলিৰ দৰে গোটে অসমৰ সম্পদ কিনি শেষ কৰিছে। এই সকলোবোৰৰ প্ৰতি লক্ষ্য নকৰি অখিল গগৈয়ে কংগ্ৰেছক শত্ৰু সাজি কৰা কচৰতে বিৰোধী শক্তিৰ ছবি ম্লান কৰিছে আৰু বিজেপিক সহায় কৰিছে বুলি শইকীয়াই অভিযোগ কৰে। নগাঁও সংসদীয় উপ-নিৰ্বাচনৰ প্ৰসংগত শইকীয়াই কয় যে এই সময়ত অখিল গগৈয়ে বিজেপিতকৈ কংগ্ৰেছক বেছিকৈ তিৰস্কাৰ কৰিছে আৰু ক্ষতি কৰিবলৈ চেষ্টা কৰিছে। নগাঁও লোকসভা সমষ্টিত ৰাইজৰ দলৰ এগৰাকী বিধায়ক আছে; সেয়ে ৰাইজৰ দলে কোন পক্ষক সমৰ্থন কৰিব সেই বিষয়ে স্পষ্ট স্থিতি গ্ৰহণ কৰা উচিত। তেওঁৰ মতে, বৰ্তমান সময়ত নিৰপেক্ষ ভূমিকা মানেই শাসকীয় বিজেপিক পৰোক্ষভাৱে সমৰ্থন জনোৱা। শইকীয়াই ড° হীৰেন গোহাঁইৰ দৰে প্ৰাতঃস্মৰণীয় তথা নমস্য ব্যক্তিয়ে অখিল গগৈলৈ প্ৰেৰণ কৰা বাৰ্তাৰ অন্তৰ্নিহিত অৰ্থ বুজিবলৈও আহ্বান জনায়। ইয়াৰোপৰি শিৱসাগৰ জিলাৰ বৰ্তমান সংকটপূৰ্ণ পৰিস্থিতিৰ উল্লেখ কৰি দেৱব্ৰত শইকীয়াই পুনৰ PM CARES বা অন্য উৎসৰ পৰা বিশেষ পেকেজ দিয়াৰ লগতে প্ৰতিগৰাকী হিতাধিকাৰীক ১০ লাখ টকাকৈ সহায় দিয়াৰ দাবী জনায়।

দেশজুৰি আজি চলিত বৰ্ষৰ তৃতীয়খন

পাৰিবাৰিক বিবাদ, মটৰ দুৰ্ঘটনাৰ ক্ষতিপূৰ্ণ, বেংকৰ ঋণ আৰু বিদ্যুৎ সম্পৰ্কীয় গোচৰৰ লগতে প্ৰাক আদালত পৰ্যায়ত বিবাদ নিষ্পত্তি কৰা হ'ব। ইয়াৰ অংশ হিচাপে দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ফেকামাৰীস্থিত জিলা আদালতৰ চৌহদত কাইলৈ পুৱা ৯ বজাৰ পৰা ৰাষ্ট্ৰীয় লোক আদালতৰ আয়োজন কৰা হৈছে। এইবেলি জিলাখনত প্ৰায় ২ সহস্ৰাধিক গোচৰ নিষ্পত্তিৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইতিমধ্যে বিভিন্ন গোচৰৰ জৰিয়তে প্ৰায় ২০ লাখ টকা জমা হৈছে বুলি জিলা আইনসেৱা বিষয়ৰ প্ৰাধিকৰণৰ উচ্চবৰ্গৰ সহায়ক মেহেবুবুল ইছলাম খিলিজিয়ে প্ৰকাশ কৰিছে।

শ্যামকানু মহন্তৰ স্বাক্ষৰৰ বাবে প্ৰেৰণ

নথিখন সলনি কৰাৰ অভিযোগ উঠিছে। কাৰাগাৰৰ পৰা আদালতলৈ আন এখন নথিহে প্ৰেৰণ কৰা হয়। ইয়াৰ ফলত আদালতত কাৰাগাৰ কৰ্তৃপক্ষই প্ৰেৰণ কৰা নথিখনৰ সৈতে পূৰ্বৰ নথিখনৰ মিল নাই বুলি ধৰা পৰে। শ্যামকানু মহন্তৰ স্বাক্ষৰৰ বাবে প্ৰেৰণ কৰা নথিৰ এই বিসংগতি পোহৰলৈ আহিছে। এই জালিয়াতিৰ তদন্তৰ বাবে আদালতে নিৰ্দেশ দিছে। কাৰাগাৰ মহাপৰিদৰ্শকক তদন্ত কৰাৰ নিৰ্দেশ দিয়া হৈছে। তদন্তৰ অন্তত কি ব্যৱস্থা লোৱা হ'ল, সেই বিষয়ে আদালতক অৱগত কৰিব লাগিব। লগতে শুদ্ধ নথিখন শীঘ্ৰেই আদালতত যোগান ধৰিবলৈও নিৰ্দেশ দিয়া হৈছে।

মালিগাঁৱৰ কামাখ্যা নাৰ্ছিং হোমত

আতংকৰ সৃষ্টি হয়। সেই সময়ত তৃতীয় মহলাৰ খিৰিকীৰে ৰচীৰ সহায়ত এজন কিশোৰে নামি আহি প্ৰাণ ৰক্ষা কৰে। আনহাতে, তৃতীয় মহলাৰ পৰা এজন পুৰুষ জঁপিয়াই পৰে। তেওঁ বৰ্তমান চিকিৎসাধীন হৈ আছে। এই ঘটনাৰ বাবে এতিয়ালৈকে ৭ গৰাকী লোকক হাস্পতালত ভৰ্তি কৰোৱা হৈছে। উদ্ধাৰ আৰু চিকিৎসা কাৰ্য অব্যাহত আছে। অগ্নিকাণ্ডৰ কাৰণ আৰু ক্ষয়ক্ষতিৰ পৰিমাণ সম্পৰ্কে অধিক তথ্য এতিয়ালৈ পোহৰলৈ অহা নাই।

বানাক্ৰান্ত ছাত্ৰ-ছাত্ৰীৰ বাবে

অনুমোদন জনাইছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে বানপানীৰ পাছত শিক্ষাৰ্থীসকলে যাতে নিজৰ পঢ়া-শুনা অব্যাহত ৰাখিব পাৰে, তাৰ বাবে ৫, ১৫৮ গৰাকী স্নাতক আৰু স্নাতকোত্তৰ পৰ্যায়ৰ শিক্ষাৰ্থীক এই সাহায্য প্ৰদান কৰা হ'ব। এখন নিৰ্দেশনা অনুসৰি, বানপীড়িত শিক্ষাৰ্থীসকলক অধ্যয়নৰ সামগ্ৰী ক্ৰয় কৰাত সহায় কৰাৰ বাবে অসমৰ উচ্চ শিক্ষা সঞ্চালকালয়লৈ ১, ৫৬, ৪০, ০০০ টকা হস্তান্তৰ কৰা হৈছে। উচ্চ শিক্ষা সঞ্চালকালয়ৰ জৰিয়তে যোগ্য শিক্ষাৰ্থীসকললৈ এই সাহায্য পুঁজি আগবঢ়োৱা হ'ব। এই সাহায্যৰ মূল উদ্দেশ্য হৈছে বানপীড়িত শিক্ষাৰ্থীসকলক তেওঁলোকৰ শৈক্ষিক প্ৰয়োজনীয়তা পূৰণ কৰাত সহায় কৰা আৰু পঢ়া-শুনা অব্যাহত ৰখাত সহায় কৰা।

কংগ্ৰেছত এতিয়া 'সেনাপতি আছে

পিছতে মুখ্যমন্ত্ৰীগৰাকীয়ে সংবাদ মাধ্যমৰ সন্মুখত কংগ্ৰেছক লৈ কটাক্ষ কৰে। তেওঁ কয়, "অহা ২০ বছৰলৈ অসমত কংগ্ৰেছ নাহে। এইবাৰৰ বিধানসভা নিৰ্বাচনৰ পিছত কংগ্ৰেছ যে সাংঘাতিকভাৱে পুনৰুজ্জীৱিত হ'ব পাৰিব, সেই কথা মই নাভাবো। সেয়ে হতাশাত ভুগি কংগ্ৰেছৰ সকলো কাৰ্যকৰ্তাই বিজেপিত যোগদান কৰাটো স্বাভাৱিক কথা। কংগ্ৰেছ যে অসমত আকৌ ঘূৰি আহিব, সেই কথা মই নাভাবো।" মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয় যে কংগ্ৰেছৰ কিছু কিছু অঞ্চলত ভোট আছে আৰু তাতেই তেওঁলোক সীমিত থাকিব। তেওঁ মন্তব্য কৰে, "কংগ্ৰেছৰ দলত এতিয়া সেনাপতি আছে, কিন্তু সৈন্য নাই।" তেওঁ আৰু কয়, "তাৰ পিছতো তেওঁলোকে কিয় নিজৰ মানুহক গালি-গালাজ কৰিছে, সেয়া মই ক'ব নোৱাৰো।" উল্লেখ্য, শুকুৰবাৰৰ এই ৰাজ্যিক কাৰ্যনিৰ্বাহক সভাত বিজেপিৰ শীৰ্ষ নেতৃত্বই সংগঠন আৰু আগন্তুক ৰাজনৈতিক কাৰ্যসূচী সন্দৰ্ভত আলোচনা কৰে। সভাৰ অন্তত মুখ্যমন্ত্ৰীগৰাকীয়ে কংগ্ৰেছৰ বৰ্তমান অৱস্থা আৰু ৰাজ্যত বিজেপিৰ স্থিতি সন্দৰ্ভত এই মন্তব্য প্ৰকাশ কৰে।

সেৱাৰ সংকল্প ল'লৈহে সমাজত

সেৱা-সমৰ্পণ-সুশাসনৰ উপলব্ধিৰে ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশৰ উদ্যোগত অহা ১৭ ছেপ্তেম্বৰৰ পৰা ১৭ অক্টোবৰলৈ 'সেৱা সংকল্প অভিযান' সম্পন্ন কৰা হ'ব। এই সন্দৰ্ভত আজি সতীৰ্থসকলৰ সৈতে এখন 'প্ৰস্তুতি বৈঠক'ত তেওঁ ভাগ লয়। বৈঠকত আগন্তুক অভিযানৰ কাৰ্যসূচী আৰু প্ৰস্তুতি সন্দৰ্ভত আলোচনা কৰা হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে জনোৱা মতে, আমাৰ আদৰৰ শিল্পী জুবিন গাৰ্গৰ স্মৰণত ১৯ ছেপ্তেম্বৰত ৰাজ্যজুৰি ভাৰতীয় জনতা পাৰ্টিৰ উদ্যোগত ৰক্তদান শিবিৰ অনুষ্ঠিত হ'ব। এই সন্দৰ্ভতো আজিৰ বৈঠকত আলোচনা কৰা হয়। ইয়াৰ পৰৱৰ্তী সময়ত শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত বৰ্ধিত কাৰ্যনিৰ্বাহক সভাত অংশগ্ৰহণ কৰা হয়। উক্ত সভাত বিজেপি অসম প্ৰদেশৰ মাননীয় প্ৰাক্তন ৰাজ্যিক প্ৰভাৰী শ্ৰী হৰিশ দ্বিবেদী ডাঙৰীয়াই দলৰ মাননীয় ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক হিচাপে নতুনকৈ দায়িত্ব লাভ কৰাৰ বাবে তেখেতক আন্তৰিক অভিনন্দন জ্ঞাপন কৰা হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে এই পোষ্টৰ জৰিয়তে 'সেৱা সংকল্প অভিযান'ক সমাজসেৱা আৰু ৰাইজৰ কল্যাণৰ ব্ৰত হিচাপে আগবঢ়াই নিয়াৰ আহ্বান জনায়।

সৰুপথাৰ মহাবিদ্যালয় বীৰাঙ্গনা সাধনী ছাত্ৰী নিবাসত নবাগত আদৰণি সভা

অসম বাৰ্তা, সৰুপথাৰ, ১১ ছেপ্টেম্বৰ ঃ সৰুপথাৰ সমজিলাৰ উচ্চশিক্ষাৰ অন্যতম প্ৰাণকেন্দ্ৰ সৰুপথাৰ মহাবিদ্যালয়ৰ এটা গুৰুত্বপূৰ্ণ অংশ হিচাপে পৰিচিত প্ৰায় ৯৮ গৰাকী আবাসীৰে পৰিপূৰ্ণ 'বীৰাঙ্গনা সাধনী ছাত্ৰী নিৱাস'ত শুক্ৰবাৰে সন্ধিয়া নবাগত ছাত্ৰীসকলৰ উদ্দেশ্যে এখন আদৰণি সভা অনুষ্ঠিত হৈ যায়। ছাত্ৰী নিবাসৰ আবাসী পূৰ্ণিমা বৰুৱা আৰু দীপিকা সোণোৱালে সুন্দৰকৈ আঁত ধৰা এই অনুষ্ঠানটিতে মহাবিদ্যালয়খনৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক তথা ছাত্ৰী নিবাসৰ শিক্ষক তত্ত্বাৱধায়ক সত্যব্ৰত দত্তই 'সূৰ্যোদয়' নামৰ ছাত্ৰী নিবাসৰ প্ৰাচীৰ পত্ৰিকাখন উন্মোচন কৰে, যাৰ চলিত বৰ্ষৰ সম্পাদনাৰ দায়িত্বত আছে বুৰঞ্জী বিভাগৰ পঞ্চম ষাণ্মাসিকৰ ছাত্ৰী অৰ্পিতা ৰয়। নবাগত ছাত্ৰীসকলক আনুষ্ঠানিকভাৱে আদৰণি জনোৱাৰ পিছতে অধ্যাপক সত্যব্ৰত দত্তই ছাত্ৰীসকলক উদ্দেশ্যি এক অনুপ্ৰেৰণামূলক বক্তব্য দাঙি ধৰে আৰু লগতে অনুষ্ঠানত উপস্থিত থকা ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপিকা ৰিণি বেনাৰ্জীয়ে ছাত্ৰী নিৱাসৰ নিয়মানুবৰ্তিতা তথা কৰ্তব্যনিষ্ঠাৰ ওপৰত আলোকপাত কৰি এক চমু অথচ তাৎপৰ্যপূৰ্ণ ভাষণ প্ৰদান কৰে। এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত ছাত্ৰী নিৱাসৰ তত্ত্বাৱধায়ক কাকুমণি গগৈ আৰু শিক্ষয়িত্ৰী ববিতা নাথো উপস্থিত থাকি ছাত্ৰীসকলক উৎসাহিত কৰাৰ লগতে অনুষ্ঠানটোৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

গৰু চোৰৰ দৌৰাত্ম্যত অতিষ্ঠ ৰাইজ; গহপুৰ আৰক্ষীৰ ভূমিকাক লৈ তীব্ৰ ক্ষোভ

কলাবাৰীৰ কেঁকোৰাবাৰীত পুনৰ গৰু চুৰি

অসম বাৰ্তা, গহপুৰ, ১১ ছেপ্টেম্বৰ ঃ গহপুৰত যেন আৰক্ষীৰ চকুৰ সন্মুখতে অব্যাহত আছে গৰু চোৰৰ দৌৰাত্ম্য। আৰক্ষীৰ কঠোৰ ব্যৱস্থাৰ অভাৱত চোৰৰ সাহস ইমানেই বৃদ্ধি পাইছে যে পুনৰ কলাবাৰীৰ কেঁকোৰাবাৰী অঞ্চলত সংঘটিত হৈছে গৰু চুৰিৰ ঘটনা। এই ঘটনাক কেন্দ্ৰ কৰি অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হোৱাৰ লগতে গহপুৰ আৰক্ষী থানা আৰু হাৱাজান আৰক্ষী চকীৰ বিৰুদ্ধে ক্ষোভত ফাটি পৰিছে ভুক্তভোগী ৰাইজ। গহপুৰ আৰক্ষী থানাৰ অন্তৰ্গত হাৱাজান আৰক্ষী চকীৰ এলেকাধীন কেঁকোৰাবাৰীত যোৱা নিশা চোৰে কানু মহন্তৰ গোহালিৰ পৰা এজনী চেউৰী আৰু এটা দমৰা গৰু চুৰি কৰি লৈ যায়। একে নিশাই পদুম মহন্তৰ গোহালিৰ পৰাও চোৰে এজনী চেউৰী গৰু লৈ উধাও হয়। উল্লেখ্য যে বৃহত্তৰ কলাবাৰী অঞ্চলত বিগত কেইবামাহ ধৰি ধাৰাবাহিকভাৱে গৰু চুৰিৰ ঘটনা সংঘটিত হৈ আহিছে। কিন্তু ইমানৰ পাছতো গৰু চোৰৰ বিৰুদ্ধে ফলপ্ৰসূ অভিযান চলোৱাত গহপুৰ আৰক্ষী থানা আৰু হাৱাজান আৰক্ষী চকী ব্যৰ্থ হোৱা বুলি অভিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজে। আৰক্ষীৰ নিষ্ক্ৰিয়তাৰ সুযোগ লৈ চোৰে যেন অঞ্চলটোত নিজৰ ৰাজত্ব চলাইছে। কেৱল কেঁকোৰাবাৰীৰ পৰাই বিগত কেইবামাহৰ ভিতৰত ৭টাকৈ গৰু চুৰি হোৱাৰ অভিযোগ উঠিছে। গৰুৰ সমান্তৰালভাৱে অঞ্চলটোত ছাগলী চুৰিৰ ঘটনাও বৃদ্ধি পাইছে। বিশেষকৈ গৰু-ছাগলী পালন কৰি কোনোমতে পৰিয়াল পোহপাল দিয়া দৰিদ্ৰ পৰিয়ালসমূহৰ বাবে এই চুৰিৰ ঘটনা এতিয়া এক গভীৰ সংকটত পৰিণত হৈছে। দিন-ৰাতি কষ্ট কৰি পালন কৰা পশুধন চোৰে নিশাৰ ভিতৰতে লৈ যোৱাৰ ফলত বহু পৰিয়াল আৰ্থিকভাৱে জুৰুলা হৈ পৰিছে। ধাৰাবাহিক চুৰিৰ পাছতো চোৰৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ নকৰাক লৈ আৰক্ষীৰ ভূমিকাক লৈ প্ৰশ্ন উত্থাপন কৰিছে ৰাইজে। "এটাৰ পাছত এটাকৈ গৰু চুৰি হৈ আছে, কিন্তু আৰক্ষীৰ তৎপৰতা ক'ত?"- এই প্ৰশ্নই এতিয়া কলাবাৰীৰ ভুক্তভোগী ৰাইজক ক্ষুব্ধ কৰি তুলিছে। স্থানীয় ৰাইজৰ দাবী- গৰু আৰু ছাগলী চুৰিৰ ঘটনাসমূহক গুৰুত্বসহকাৰে লৈ শীঘ্ৰে বিশেষ অভিযান চলাই চুৰি চক্ৰটোক উৎখাত কৰিব লাগে আৰু চুৰি হোৱা পশুধন উদ্ধাৰৰ ব্যৱস্থা কৰিব লাগে। অন্যথা আৰক্ষীৰ বিৰুদ্ধে বৃহত্তৰ গণ প্ৰতিবাদ গঢ়ি উঠাৰ সম্ভাৱনাও নুই কৰিব নোৱাৰি।



বিজনীত আছুৰ মানৱ শৃংখল

অসম বাৰ্তা, বিজনী, ১১ ছেপ্টেম্বৰ ঃ আছুৰ কেন্দ্ৰীয় কমিটিৰ নিৰ্দেশ মৰ্মে বিজনীৰ ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দহলাপাৰা টোল প্'লাজাত সদৌ চিৰাং জিলা ছাত্ৰ সন্থা আৰু সদৌ বঙাইগাঁও জিলা ছাত্ৰ সন্থাৰ উদ্যোগত মানৱ শৃংখল কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ৰাষ্ট্ৰীয় ঘাইপথকে আদি কৰি জৰাজীৰ্ণ বাট-পথ সমূহ মেৰামতি আৰু পুনৰ নিৰ্মাণ কৰাৰ দাবীত জিলা ছাত্ৰ সন্থাৰ যৌথ উদ্যোগত মানৱ শৃংখল কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ৰাষ্ট্ৰীয় ঘাইপথটোৰ বিজনীৰ দহলাপাৰাস্থিত টোল প্লাজাত ৰূপায়ণ কৰা এই মানৱ শৃংখল কাৰ্যসূচীত ৰাষ্ট্ৰীয় ঘাইপথ মেৰামতি কৰিব লাগিবই, বিজেপি চৰকাৰৰ কাম নাই, বিজেপি চৰকাৰ গ' বেক, সদৌ অসম ছাত্ৰ সন্থা জিন্দাবাদ আদি শ্লোগান প্ৰদান কৰা পৰিলক্ষিত হয়। কাৰ্যসূচীত সদৌ অসম ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক সদীপ চন্দ অংশগ্ৰহণ কৰি চৰকাৰক সমালোচনা কৰি চৰকাৰে ৰাষ্ট্ৰীয় ঘাইপথ সমূহত টোল গেট নিৰ্মাণ কৰি কৰ সংগ্ৰহ কৰি আহিছে, এই টোল গেট সমূহেৰে চৰকাৰে চলাই থকা চিণ্ডিকেটৰ গাড়ী সমূহ যায় কিন্তু ৰাষ্ট্ৰীয় ঘাইপথ সমূহৰ মেৰামতি কৰাৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান নকৰে বুলি অভিযোগ উত্থাপন কৰে। ইয়াৰ পাছতো যদি ৰাষ্ট্ৰীয় ঘাইপথ মেৰামতি নকৰে ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰা হ'ব বুলি হুংকাৰ প্ৰদান কৰে। উক্ত মানৱ শৃংখল কাৰ্যসূচীত সদৌ চিৰাং জিলা ছাত্ৰ সন্থাৰ সভাপতি বিশ্বজিৎ ৰায়, সদৌ বঙাইগাঁও জিলা ছাত্ৰ সন্থাৰ সভাপতি জিনৎ নাথসহ দুয়োখন জিলা ছাত্ৰ সন্থাৰ শতাধিক নেতা কৰ্মীয়ে অংশগ্ৰহণ কৰে।

মাজুলীত তীব্ৰতৰ তথ্য, শিক্ষা আৰু যোগাযোগ অভিযানৰ জিলা পৰ্যায়ৰ শুভাৰম্ভ

অসম বাৰ্তা, উজনী মাজুলী, ১১ ছেপ্টেম্বৰ ঃ মাজুলী জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত আজি মাজুলীত তীব্ৰতৰ তথ্য, শিক্ষা আৰু যোগাযোগ অভিযানৰ জিলা পৰ্যায়ৰ শুভাৰম্ভ কৰা হয়। এই উপলক্ষে জিলা উপায়ুক্তৰ উপস্থিতিত জিলা চিকিৎসালয়ৰ চৌহদৰ পৰা তথ্য, শিক্ষা আৰু যোগাযোগ অভিযানৰ বাহনখন পতাকা জোকাৰি আনুষ্ঠানিকভাৱে যাত্ৰা আৰম্ভ কৰোৱা হয়। জিলা আয়ুক্ত আৰু যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকে বাহনখনৰ শুভ উদ্বোধন কৰে। ইয়াৰ পিছত উজনি মাজুলীৰ খেৰকটীয়া মহাবিদ্যালয়ত জিলা পৰ্যায়ৰ শুভাৰম্ভণি অনুষ্ঠান অনুষ্ঠিত হয়। সভাখনত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ জাহ্নৱী লাহকৰ বৰুৱাই। অনুষ্ঠানটো আঁত ধৰে জিলা সমাজ-সচেতনতামূলক কৰ্মসূচী সমন্বয়ক ঘনশ্যাম ওজাই।



অনুষ্ঠানত অতিৰিক্ত উপায়ুক্ত অপৰূপা, মাজুলীৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক, জিলা চিকিৎসালয়ৰ অধীক্ষক, সহকাৰী আয়ুক্ত দীপ্তি মণি টায়ে, জিলা আঁচনি প্ৰবন্ধক, মহকুমা চিকিৎসা আৰু স্বাস্থ্য বিষয়া, কমলাবাৰী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ বিষয়া, অসংক্ৰামক ৰোগ বিভাগৰ জিলা বিষয়া, এইডছ নিয়ন্ত্ৰণ সমিতিৰ জিলা বিষয়া, টি আই প্ৰকল্প ইমপেক্ট এন ইৰ প্ৰকল্প সঞ্চালক, সমন্বিত পৰামৰ্শ আৰু পৰীক্ষা কেন্দ্ৰৰ পৰামৰ্শদাতা, আৰ কে এছ কে দল, মানসিক স্বাস্থ্য দল, স্বাস্থ্য কৰ্মী, শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। এই তীব্ৰতৰ তথ্য, শিক্ষা আৰু যোগাযোগ অভিযানৰ জৰিয়তে স্বাস্থ্য সম্পৰ্কীয় বিভিন্ন বিষয়ত জনসচেতনতা বৃদ্ধি কৰাৰ লগতে ৰোগ প্ৰতিৰোধ, ৰোগৰ আগতীয়া চিনাক্তকৰণ আৰু উপলব্ধ স্বাস্থ্য সেৱাসমূহৰ বিষয়ে জনসাধাৰণক সজাগ কৰাৰ লক্ষ্য গ্ৰহণ কৰা হৈছে। অভিযানটোৰ জৰিয়তে সমাজৰ বিভিন্ন স্তৰৰ লোকক স্বাস্থ্যৰ প্ৰতি অধিক সচেতন কৰি তোলাৰ লগতে স্বাস্থ্যসেৱাৰ সুবিধাসমূহ গ্ৰহণ কৰিবলৈ উৎসাহিত কৰা হ'ব।

নিউ লুক একাডেমীৰ শিক্ষাৰ্থীৰ শিৱসাগৰ এক্সিছ বেংক ভ্ৰমণ

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ১০ ছেপ্টেম্বৰ ঃ এক শৈক্ষিক কাৰ্যসূচীৰ অংশ হিচাপে আজি নিউ লুক একাডেমী, শিৱসাগৰৰ একাদশ আৰু দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ দলে এক্সিছ বেংকৰ শিৱসাগৰ শাখাত এক ব্যৱহাৰিক জ্ঞান আহৰণমূলক ভ্ৰমণসূচী ৰূপায়ণ কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ এই দলটোক পথপ্ৰদৰ্শন কৰে বিদ্যালয়খনৰ জ্যেষ্ঠ শিক্ষক শ্ৰীযুত মান্না দে'ই। বেংক শাখাটোত উপস্থিত হোৱাৰ পিছত বেংক পৰিচালক শ্ৰীযুত মিঠুন বৰুৱা আৰু অন্যান্য বেংক বিষয়াসকলে দলটোক উষ্ম আদৰণি জনায়। এই ভ্ৰমণৰ মূল উদ্দেশ্য আছিল শিক্ষাৰ্থীসকলক বেংকিং কাম-কাজ আৰু বিত্তীয় সাক্ষৰতাৰ বিষয়ে ব্যৱহাৰিক জ্ঞান প্ৰদান কৰা। ভ্ৰমণকালত শাখা পৰিচালক শ্ৰী বৰুৱা আৰু তেওঁৰ সহযোগী বিষয়াসকলে ছাত্ৰ-ছাত্ৰীসকলক টকা জমা কৰা, ধন উলিওৱা, ডিজিটেল বেংকিং ব্যৱস্থা আৰু নতুন একাউণ্ট খোলাৰ নিয়মসমূহৰ এক লাইভ প্ৰদৰ্শনী দেখুৱায়। ইয়াৰ উপৰি, বেংক বিষয়াসকলে এটি অন্তৰংগ বাৰ্তালাপৰ আয়োজন কৰে, য'ত শিক্ষাৰ্থীসকলে ডিজিটেল নিৰাপত্তা, চক্ৰবৃদ্ধি সুতৰ শক্তি আৰু কম বয়সতে আৰ্থিক দিশত স্বাৱলম্বী অৰ্জন কৰাৰ মূল মন্ত্ৰসমূহৰ বিষয়ে শিকিবলৈ সক্ষম হয়। ভ্ৰমণৰ অভিজ্ঞতা বৰ্ণনা কৰি ছাত্ৰ -ছাত্ৰীসকলে কয় যে এই ভ্ৰমণে তেওঁলোকৰ বাবে বেংকিং ব্যৱস্থাক সহজ কৰি তুলিলে। এজন শিক্ষাৰ্থীয়ে নিজৰ অনুভৱ ব্যক্ত কৰি কয়, "একাদশ আৰু দ্বাদশ শ্ৰেণীৰ পাঠ্যক্ৰমত আমি বেংকিং ব্যৱস্থাৰ বিষয়ে পঢ়িছোঁ, কিন্তু আজি আমি নিজ চকুৰে দেখিলোঁ কেনেকৈ বাস্তৱ ক্ষেত্ৰত লেনদেন, ডিজিটেল নিৰাপত্তা আৰু একাউণ্টৰ কাম-কাজ চলে।" শিক্ষাৰ্থীসকলে উল্লেখ কৰে যে এই কাৰ্যসূচীৰ পিছত তেওঁলোকে নিজৰ ভৱিষ্যতৰ অৰ্থনৈতিক লেনদেন আৰু সঞ্চয়ৰ গুৰুত্ব পূৰ্বতকৈ বহু বেছি আত্মবিশ্বাসেৰে বুজি উঠিছে।

ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াসহ আন চাৰিজন আৰক্ষী আহত; ঘটনাৰ লগত জড়িত তিনিগৰাকীক আটক, মূল অভিযুক্ত পলাতক

চামগুৰিৰ গেৰুৱাআটিত খাটোৱাল আৰক্ষী থানাৰ আৰক্ষীক দলবদ্ধভাৱে আক্ৰমণ

অসম বাৰ্তা, পুৰণিগুদাম, ১০ ছেপ্টেম্বৰ ঃ নগাঁও জিলাৰ চামগুৰিৰ খাটোৱাল আৰক্ষী থানাৰ আৰক্ষীয়ে যোৱা কালি সন্ধিয়া সময়ত গেৰুৱাআটি অঞ্চলত এজন অপৰাধীৰ বাসগৃহত অভিযান চলোৱাৰ সময়ত এক উত্তপ্ত পৰিস্থিতি সৃষ্টি হোৱাৰ লগতে আৰক্ষীৰ দলটোক দলবদ্ধভাৱে আক্ৰমণ কৰা ঘটনাই অঞ্চলটোৰ লগতে সমগ্ৰ নগাঁও জিলাখনতে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, খাটোৱাল আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া বিষ্ণু দেউৰীৰ নেতৃত্বত এটা আৰক্ষীৰ দলে যোৱা কালি সন্ধিয়া সময়ত গেৰুৱাআটি অঞ্চলৰ গৰু চোৰৰ লগত জড়িত থকা অভিযোগত ৰচিদুল হ'ক নামৰ লোকজনক আটক কৰিবলৈ আৰক্ষীৰ দলটো উপস্থিত হয়। খাটোৱাল আৰক্ষী থানাৰ অন্তৰ্গত গেৰুৱাআটি অঞ্চলৰ গৰু চোৰৰ লগত জড়িত থকা আৰু এখন ব'লেৰো গাড়ীৰ কিনাৰ পিছত মাহিলী কিস্তি পৰিশোধ নকৰাৰ অভিযোগত ৰচিদুল হ'ক নামৰ লোকজনক আটক কৰাৰ সময়ত এক উত্তপ্ত পৰিস্থিতি সৃষ্টি হোৱাৰ লগতে আৰক্ষীৰ দলটোক দলবদ্ধভাৱে আক্ৰমণ কৰে পৰিয়ালৰ লগতে অভিযুক্তজনে। দলবদ্ধ আক্ৰমণত খাটোৱাল আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া বিষ্ণু দেউৰীসহ আন চাৰিগৰাকী আৰক্ষী আহত হয়। উক্ত দলটোৱে আৰক্ষীৰ বাহন খনো আক্ৰমণ কৰি ক্ষতিগ্ৰস্ত কৰে। আৰক্ষীৰ দলটোক দলবদ্ধভাৱে আক্ৰমণ কৰি থকা সময়ত ৰচিদুল হ'ক নামৰ লোকজনে সুবিধা গ্ৰহণ কৰি পলায়ন কৰে বুলি জানিব পৰা গৈছে। আনহাতে, পৰৱৰ্তী সময়ত আৰক্ষীয়ে উক্ত ঘটনা সন্দৰ্ভত ৰচিদুলৰ মাতৃ হাজেৰা খাতুন মহিদুল ইছলামসহ তিনিজন আক্ৰমণকাৰীক বৰ্তমানলৈকে আটক কৰি জেৰা অব্যাহত ৰখাৰ লগতে অভিযুক্ত ৰচিদুল হ'কক আটক কৰিবলৈ অনুসন্ধান অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে।

মাজুলীত বিশ্ব আত্মহত্যা প্ৰতিৰোধ দিৱস পালন

অসম বাৰ্তা, উজনী মাজুলী, ১০ ছেপ্টেম্বৰ ঃ বিশ্ব আত্মহত্যা প্ৰতিৰোধ দিৱস উপলক্ষে আজি মাজুলীৰ গড়মূৰস্থিত পীতাম্বৰদেৱ গোস্বামী জিলা নাৰ্চিং বিদ্যালয়ত এখন বিশেষ সচেতনতা সভা অনুষ্ঠিত হৈ যায়। এইবাৰৰ দিৱসৰ মূল বিষয়বস্তু বা থিম হৈছে—'Changing the Narrative on Suicide' অৰ্থাৎ আত্মহত্যাৰ সন্দৰ্ভত ধাৰণা সলনি কৰা আৰু সমাজত এই বিষয়ে মুকলি কথাবতৰা আৰম্ভ কৰা। এই গুৰুত্বপূৰ্ণ অনুষ্ঠানটোত মুখ্য অতিথি হিচাপে উপস্থিত থাকে জিলা যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ কিশোৰ কামান আৰু পীতাম্বৰদেৱ গোস্বামী জিলা চিকিৎসালয়ৰ অধীক্ষক ডাঃ মাণিক মিলি, জিলা স্বাস্থ্য প্ৰকল্প বিষয়া ঘনশ্যাম ওজা নাৰ্চিং স্কুলৰ ভাৰপ্ৰাপ্ত ইনচাৰ্জ ৰূপৰেখা দুৱৰা, ডিডি অসমৰ মাজুলীৰ সাংবাদিক সঞ্জিত বৰা থাকি উপস্থিত বিশিষ্ট চিকিৎসা বিষয়াসকলে সমাজত মানসিক স্বাস্থ্যৰ গুৰুত্ব আৰু আত্মহত্যা প্ৰতিৰোধৰ ক্ষেত্ৰত ল'বলগীয়া পদক্ষেপসমূহৰ ওপৰত আলোকপাত কৰে। অনুষ্ঠানৰ শেষত, উপস্থিত সকলো অতিথি, শিক্ষক-শিক্ষয়িত্ৰী আৰু শিক্ষাৰ্থীসকলক আনুষ্ঠানিকভাৱে ধন্যবাদ জ্ঞাপন কৰে জিলা মানসিক বিশেষজ্ঞ হিমাশ্ৰী চৌধুৰীয়ে।

তিনিচুকীয়াত ৬০ দিনীয়া এইচআইভি-এইডছ সজাগতা অভিযানৰ আৰম্ভণি

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১১ ছেপ্টেম্বৰ ঃ এইচআইভি-এইডছৰ বিৰুদ্ধে সজাগতা বৃদ্ধি, সংক্ৰমণ প্ৰতিৰোধ, আগতীয়াকৈ পৰীক্ষা আৰু সময়মতে চিকিৎসাৰ প্ৰতি জনসাধাৰণক উৎসাহিত কৰাৰ লক্ষ্যৰে তিনিচুকীয়া জিলাত শুকুৰবাৰে এক ৬০ দিনীয়া তীব্ৰতৰ তথ্য, শিক্ষা আৰু যোগাযোগ (IEC) অভিযান আৰম্ভ কৰা হয়। তিনিচুকীয়া জিলা এইডছ নিয়ন্ত্ৰণ কাৰ্যালয়ৰ উদ্যোগত জিলা স্বাস্থ্য সমিতিৰ সহযোগত আৰু অসম ৰাজ্যিক এইডছ নিয়ন্ত্ৰণ সমিতিৰ সমৰ্থনত তিনিচুকীয়া মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত এক অনুষ্ঠানত অভিযানটোৰ শুভাৰম্ভ কৰা হয়। অতিৰিক্ত জিলা আয়ুক্ত ডঃ মন্দিৰা বৰুৱাই অভিযানটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰাৰ লগতে এইচআইভি-এইডছ সম্পৰ্কীয় সজাগতামূলক বাৰ্তা লৈ জিলাখনৰ বিভিন্ন অঞ্চললৈ যাবলগীয়া সজাগতা বাহনখনো পতাকা জোকাৰি যাত্ৰা আৰম্ভ কৰায়। ৬০ দিনীয়া অভিযানত এইচআইভি সংক্ৰমণৰ কাৰণ আৰু



প্ৰতিৰোধৰ উপায়, পৰীক্ষা, চিকিৎসা, যত্ন আৰু সহায়-সহযোগিতামূলক সেৱাৰ বিষয়ে সঠিক তথ্য জনসাধাৰণৰ মাজত প্ৰচাৰ কৰা হ'ব। একে সময়তে ৰোগটোক লৈ সমাজত প্ৰচলিত ভুল ধাৰণা, ভয় আৰু কলংক দূৰ কৰাৰ ওপৰতো গুৰুত্ব দিয়া হ'ব। অভিযানৰ অংশ হিচাপে জিলাখনৰ বিভিন্ন স্থানত স্বাস্থ্য প্ৰতিষ্ঠান, শিক্ষানুষ্ঠান, আগশাৰীৰ স্বাস্থ্যকৰ্মী, সামাজিক সংগঠন, বেচৰকাৰী সংস্থা আৰু অন্যান্য অংশীদাৰৰ সহযোগত সজাগতামূলক আৰু জনসম্পৰ্কমূলক কাৰ্যসূচী অনুষ্ঠিত কৰা হ'ব। অনুষ্ঠানত ভাগ্যলক্ষ্মী, GUIDE-TI আৰু Care India Foundation-কে ধৰি বিভিন্ন বেচৰকাৰী সংস্থা আৰু সামূহিক সংগঠনৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি অনুষ্ঠিত সজাগতা সমদলতো অংশগ্ৰহণকাৰীসকলে সক্ৰিয়ভাৱে অংশ লয়। জিলা এইডছ নিয়ন্ত্ৰণ কাৰ্যালয়ে সমাজৰ নেতৃস্থানীয় ব্যক্তি, শিক্ষানুষ্ঠান, যুৱ সংগঠন, নাগৰিক সমাজ, বেচৰকাৰী সংস্থা আৰু সাধাৰণ ৰাইজক অভিযানটো সফল কৰি তুলিবলৈ সক্ৰিয় সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। 'এখন সুস্থ সমাজ, এক শক্তিশালী ভৱিষ্যৎ'—এই মূল বাৰ্তাৰে আৰম্ভ হোৱা অভিযানটোৰ জৰিয়তে এইচআইভি সম্পৰ্কে সঠিক জ্ঞানসম্পন্ন, অন্তৰ্ভুক্তিমূলক আৰু কলংকমুক্ত সমাজ গঢ়াৰ লক্ষ্য লোৱা হৈছে।

শ্বহীদ কুশল কোঁৱৰ তিনিআলিত দশম বাৰ্ষিক গণেশ চতুৰ্থী উদ্‌যাপনৰ ব্যাপক প্ৰস্তুতি

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ১০ ছেপ্টেম্বৰ ঃ ঐতিহ্যমণ্ডিত সৰুপথাৰ নগৰৰ শ্বহীদ কুশল কোঁৱৰ তিনিআলিত অহা ১৪ ছেপ্টেম্বৰ, ২০২৬ তাৰিখে দশম বাৰ্ষিক গণেশ চতুৰ্থী মহোৎসৱ উদ্‌যাপনৰ বাবে ব্যাপক প্ৰস্তুতি চলিছে। ধৰ্মপ্ৰাণ ৰাইজ আৰু উদ্‌যাপন সমিতিৰ উদ্যোগত অনুষ্ঠিত হ'বলগীয়া এই পবিত্ৰ উৎসৱক কেন্দ্ৰ কৰি অঞ্চলটোত ইতিমধ্যে উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। উদযাপন উপলক্ষে দিনজোৱাকৈ বিভিন্ন ধৰ্মীয় কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। বিধি-বিধানেৰে ভগৱান গণেশৰ পূজা-অৰ্চনা, প্ৰাৰ্থনা আৰু অন্যান্য আধ্যাত্মিক কাৰ্যসূচীৰে দিনটো উদযাপন কৰা হ'ব। ভক্তসকলে ভগৱান গণেশৰ আশিস গ্ৰহণ কৰাৰ লগতে অঞ্চলটোৰ শান্তি, সমৃদ্ধি আৰু মংগল কামনা কৰিব। ইফালে সন্ধিয়াৰ ভাগত অনুষ্ঠিত হ'ব বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান। সাংস্কৃতিক সন্ধিয়াৰ অন্যতম বিশেষ আকৰ্ষণ হিচাপে উপস্থিত থাকিব ৰাজ্যৰ জনপ্ৰিয় কণ্ঠশিল্পী আনন্দ তাতী আৰু দুলু গগৈ। দুই শিল্পীৰ সুমধুৰ গীতৰ অনুষ্ঠানে উপস্থিত দৰ্শক-শ্ৰোতাক মনোৰঞ্জন কৰাৰ লগতে গণেশ চতুৰ্থীৰ উৎসৱক অধিক আকৰ্ষণীয় কৰি তুলিব বুলি উদ্যোক্তাসকলে আশা প্ৰকাশ কৰিছে। ইয়াৰ উপৰি সন্ধিয়া ৭বজাৰ পৰা সৃষ্টিশীল নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাখনত স্থানীয় তথা বিভিন্ন প্ৰান্তৰ প্ৰতিভাৱান নৃত্যশিল্পীয়ে অংশগ্ৰহণ কৰি নিজৰ নৃত্য প্ৰতিভা প্ৰদৰ্শন কৰিব পাৰিব। উদযাপন সমিতিয়ে গণেশ চতুৰ্থীৰ সকলো ধৰ্মীয় আৰু সাংস্কৃতিক অনুষ্ঠানত সৰুপথাৰ অঞ্চলৰ সমূহ ধৰ্মপ্ৰাণ ৰাইজ, ভক্তপ্ৰাণ ৰাইজ তথা সাংস্কৃতিকপ্ৰেমী ৰাইজক সপৰিয়ালে উপস্থিত থাকি অনুষ্ঠানটো সাফল্যমণ্ডিত কৰিবলৈ আন্তৰিক আহ্বান জনাইছে।

নীট পৰীক্ষাত টিফুক-চেপনৰ মেধাৱী ছাত্ৰ পূৰ্বৰাগ বড়াৰ সাফল্য

বিভিন্নজন শুভাকাংক্ষীয়ে মৰম আৰু আশীৰ্বাদেৰে উপচালে পূৰ্বৰাগক

অসম বাৰ্তা, চেপন, ১১ ছেপ্টেম্বৰ ঃ সৰ্বভাৰতীয় নীট পৰীক্ষাত চৰাইদেউ জিলাৰ বুৰঞ্জীয়ে পৰশা টিফুক-চেপন অঞ্চলৰ মেধাৱী ছাত্ৰ পূৰ্বৰাগ বড়াই সুখ্যাতিৰে উত্তীৰ্ণ হৈ স্থানীয় অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই অনাত স্থানীয় ৰাইজৰ মাজত আনন্দৰ জোৱাৰ উঠিছে। উল্লেখ্য যে শিক্ষক দম্পতি, প্ৰাক্তন ছাত্ৰ নেতা তথা চৰাইদেউ জিলাৰ ধেমাজি দিচাংপানী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক, সমাজ সংগঠক মানিক বড়া আৰু চেপন উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী মিনু বৰগোঁহাইৰ কনিষ্ঠ পুত্ৰ পূৰ্বৰাগ বড়াই ডিব্ৰুগড়স্থিত আগশাৰী উচ্চ শিক্ষানুষ্ঠান ড০ ৰাধাকৃষ্ণন স্কুল অৱ আৰ্টছ, চায়েঞ্চ এণ্ড কমাৰ্চৰ পৰা চলিত বৰ্ষত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ৮৪ শতাংশ নম্বৰ লৈ সুখ্যাতিৰে উত্তীৰ্ণ হৈছিল। স্থানীয় ডিভাইন ভেলী স্কুলৰ পৰা শৈক্ষিক জীৱন আৰম্ভ কৰা আৰু প্ৰাথমিক পৰ্যায়ৰ পৰাই মেধা শক্তিৰ পৰিচয় দিবলৈ সক্ষম হোৱা আৰু ভৱিষ্যতৰ দিনত এগৰাকী সফল চিকিৎসক হোৱাৰ বাসনা পুহি ৰখা পূৰ্বৰাগ বড়াই শেহতীয়াসৰ্বভাৰতীয় নীট পৰক্ষীত ৪৪০ নম্বৰ লৈ সুখ্যাতিৰে উত্তীৰ্ণ হ'বলৈ সক্ষম হয়। অত্যন্ত সৰল আৰু উদাৰ মনৰ অধিকাৰী পূৰ্বৰাগ বড়াই ইতিমধ্যে কাৰ্বি আংলং জিলাৰ ডিফু চৰহস্থিত ডিফু মেডিকেল কলেজত চিকিৎসা বিজ্ঞান অধ্যয়নৰ বাবে নামভৰ্তি কৰিছে। মেধাৱী ছাত্ৰজনৰ এই সাফল্যৰ বাতৰি স্থানীয় অঞ্চলটোত বিয়পি পৰাৰ লগে লগে ছাত্ৰজনে অধ্যয়ন কৰা ড° ৰাধাকৃষ্ণন স্কুল অৱ আৰ্টছ্, চায়েঞ্চ এণ্ড কমাৰ্চ, ডিভাইন ভেলী স্কুল, চেপনৰ শিক্ষক-শিক্ষয়িত্ৰী, শুভাকাংক্ষী, স্থানীয় দল-সংগঠন,আত্মীয় স্বজনৰ লগতে তেওঁৰ বন্ধুবৰ্গই যোৱা দিনকেইটাত মৰম আৰু আশীৰ্বাদ দিবৰ বাবে ছাত্ৰজনৰ চেপনস্থিত বাসগৃহত নিতৌ ভিৰ কৰিছেহি। উল্লেখ্য যে টিফুক গাঁৱৰ প্ৰথমগৰাকী চিকিৎসা বিজ্ঞানৰ ছাত্ৰ হিচাবে উজলি উঠা পূৰ্বৰাগ বড়া ভৱিষ্যতৰ দিনত এগৰাকী সফল চিকিৎসক হোৱাটো তেওঁৰ শুভচিন্তকসকলে মনেপ্ৰাণে কামনা কৰিছে। আন দিনাৰ দৰে আজিও মেধাৱী ছাত্ৰ পূৰ্বৰাগক অভিনন্দন জনাবলৈ তেওঁলোকৰ বাসগৃহত শতাধিক গুনমুগ্ধই ভীৰ কৰা দেখা গ'ল। সকলোৱে ছাত্ৰজনক ফুলাম গামোচা, গ্ৰন্থৰ টোপোলা আৰু বিভিন্ন উপহাৰ প্ৰদানেৰে পূৰ্বৰাগক ভৱিষ্যত দিনৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে।

ডিব্ৰুগড়ৰ জ্যেষ্ঠ সাংবাদিক, সাহিত্য সমালোচক যাদৱ গগৈৰ পিতৃ প্ৰবীণ গগৈৰ মৃত্যু

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১১ ছেপ্টেম্বৰ ঃ বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ উপ-সভাপতি, তথা ঐতিহ্যমণ্ডিত ডিব্ৰুগড় সাহিত্য সভাৰ উপ-সভাপতি দৈনিক জনমভূমি কাকত আৰু ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ জ্যেষ্ঠ সাংবাদিক, সাহিত্য সমালোচক যাদৱ গগৈৰ পিতৃ প্ৰবীণ গগৈৰ আজি বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। ডিব্ৰুগড়ৰ লাহোৱাল মেলেঙীয়াল গাঁৱৰ নিজা বাসগৃহত হোৱা মৃত্যুৰ সময়ত প্ৰয়াত গগৈৰ বয়স আছিল ৯০ বছৰ। প্ৰয়াত গগৈ মায়ামৰা মটক সমাজৰ এগৰাকী জ্যেষ্ঠ ভকতৰ লগতে সমাজৰ বিভিন্ন কামত জড়িত হৈ আছিল। মায়ামৰা সমাজৰ ৰীতিনীতি, গায়ন-বায়নেৰে তেখেতৰ শেষকৃত সম্পন্ন কৰা হয়। তেখেতৰ মৃত্যুত শ্ৰীশ্ৰী মায়ামৰা মদাৰখাত সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী বৈষ্ণৱানন্দ গোস্বামী, শ্ৰীশ্ৰী মায়ামৰা দিনজয় সত্ৰৰ সত্ৰাধিকাৰ, মেলেঙীয়াল গাঁৱৰ নামঘৰ ভকতবৃন্দ তথা পৰিচালনা সমিতি, লাহোৱাল আঞ্চলিক ছাত্ৰ সন্থা, লাহোৱাল প্ৰেছক্লাব, বৃহত্তৰ ডিব্ৰুগড় প্ৰেছক্লাব, ডিব্ৰুগড় জিলা বাৰ্তাজীৱী সংঘ, ডিব্ৰুগড় সাহিত্য সভা, অনিৰুদ্ধদেৱ কনিষ্ঠ মহাবিদ্যালয় পৰিচালনা সমিতিকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰা লগতে শোকসন্তপ্ত পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে। মৃত্যুৰ সময়ত তেওঁ সাংবাদিক পুত্ৰ যাদৱ গগৈ, বোৱাৰী-কন্যাসহ অনেক আত্মীয়ক ইহসংসাৰত এৰি গৈছে।

কৃতী শিক্ষক পীয়ুষ ভূষণ চেতিয়াৰ সাফল্যত সদৌ অসম মটক মহিলা পৰিষদৰ সম্বৰ্ধনা



অসম বাৰ্তা, তিনিচুকীয়া বিশেষ, ১১ ছেপ্টেম্বৰ ঃ '২৬ৰ শিক্ষক দিৱস উপলক্ষে তিনিচুকীয়া জিলাৰ কৃতী শিক্ষক বঁটা লাভ কৰা হাতীমৰা চাহ বাগিচা আদৰ্শ বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ পীয়ুষ ভূষণ চেতিয়াক সদৌ অসম মটক মহিলা পৰিষদে আজি বাসগৃহলৈ গৈ সম্বৰ্ধনা জ্ঞাপন কৰে। জিলা প্ৰশাসন আৰু শিক্ষা বিভাগে এগৰাকী কৰ্মনিষ্ঠ, দক্ষতাসম্পন্ন আৰু আদৰ্শ শিক্ষকক শিক্ষক দিৱসত সন্মানিত কৰাত মটক মহিলা পৰিষদে সন্তোষ প্ৰকাশ কৰাৰ লগতে বিভাগীয় কৰ্তৃপক্ষলৈ কৃতজ্ঞতা জ্ঞাপন কৰে। সম্বৰ্ধনা অনুষ্ঠানত সদৌ অসম মটক মহিলা পৰিষদৰ সম্পাদিকা নিৰু গোহাঁই, তিনিচুকীয়া জিলা সমিতিৰ সম্পাদিকা পাপুমনি হাজৰিকা, কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভানেত্ৰী জয়া গগৈ, সাংস্কৃতিক সম্পাদিকা দিপ্তী চেতিয়া আৰু সোণালী বৰুৱাই অংশগ্ৰহণ কৰি কৃতী শিক্ষকগৰাকীক অভিনন্দন জ্ঞাপন কৰে।

চাফাই কৰ্মচাৰীৰ দীৰ্ঘদিনীয়া সমস্যা সমাধানৰ বাবে কঠোৰ নিৰ্দেশ

ডিব্ৰুগড়ত অসম ৰাজ্যিক চাফাই কৰ্মচাৰী আয়োগৰ অধ্যক্ষ বৈজনাথ বাচফৰ

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১০ ছেপ্টেম্বৰ ঃ চাফাই কৰ্মচাৰীসকলৰ সমস্যা তথা অভাৱ-অভিযোগসমূহ বুজ ল'লে অসম ৰাজ্যিক চাফাই কৰ্মচাৰী আয়োগৰ অধ্যক্ষ বৈজনাথ বাচফ'ৰে। দুদিনীয়া কাৰ্যসূচীৰে ডিব্ৰুগড়ত উপস্থিত হোৱা বৈজনাথ বাচফৰে জিলাখনৰ বিভিন্ন প্ৰতিষ্ঠান পৰিদৰ্শন কৰাৰ লগতে চাফাই কৰ্মচাৰীসকলৰ কাষ চাপি তেওঁলোকৰ কাম কৰাৰ পৰিৱেশ, মজুৰি, সামাজিক সুৰক্ষা আৰু আৱাসিক সমস্যাৰ বুজ লয়। ভ্ৰমণৰ আৰম্ভণিতে অধ্যক্ষ বাচফৰে অসম চিকিৎসা মহাবিদ্যালয় পৰিদৰ্শন কৰি কৰ্মচাৰীসকলৰ বাকী থকা দৰমহা ১৫ দিনৰ ভিতৰতে পৰিশোধ কৰিবলৈ কৰ্তৃপক্ষক কঠোৰ নিৰ্দেশ দিয়ে। ইয়াৰ উপৰি ন্যূনতম মজুৰি, নিয়মীয়া স্বাস্থ্য পৰীক্ষা, নিযুক্তি পত্ৰ আৰু দৰমহাৰ স্লিপ প্ৰদানৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ভ্ৰমণ কালত তেওঁ ডিব্ৰুগড় পৌৰ নিগমৰ কৰ্মৰত অৱস্থাত আঘাতপ্ৰাপ্ত হোৱা কৰ্মচাৰী শ্বহিদুল হকক সাক্ষাৎ কৰি তেওঁৰ স্বাস্থ্যৰ খবৰ লয়। আনহাতে, গ্ৰাহামবজাৰ হৰিজন ক'লনী পৰিদৰ্শন কৰি তেওঁ স্থানীয় বাসিন্দাৰ সমস্যাৰ বুজ লয় আৰু তেওঁলোকক মৰ্যাদাপূৰ্ণ আৱাস প্ৰদানৰ বাবে বহুমহলীয়া আৱাসিক গৃহ নিৰ্মাণ কৰিবলৈ জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে। ভূমিহীন চাফাই কৰ্মচাৰীসকলক কল'নীভিত্তিক ভূমি আৱণ্টনৰ ব্যৱস্থা কৰিবলৈও তেওঁ নিৰ্দেশ প্ৰদান কৰে। পৌৰ নিগমৰ সভাকক্ষত অনুষ্ঠিত বিশেষ বৈঠকে কৰ্মচাৰীসকলৰ ইএছআইচি, পিএফ, সুৰক্ষা সঁজুলি আৰু ত্ৰৈমাসিক স্বাস্থ্য পৰীক্ষা নিশ্চিত কৰাৰ ওপৰত জোৰ দিয়ে। বিভাগীয় মুৰব্বীসকলৰ সৈতে হোৱা বৈঠকত মহিলা কৰ্মচাৰীসকলৰ সুৰক্ষা আৰু মৰ্যাদাৰ প্ৰতি লক্ষ্য ৰাখি আভ্যন্তৰীণ অভিযোগ নিবাৰণ সমিতি গঠনৰ নিৰ্দেশনা জাৰি কৰা হয়। ইফালে পৰিদৰ্শনৰ পাছতে আজি পৌৰনিগমৰ সভাকক্ষত এখনি গুৰুত্বপূৰ্ণ সংবাদমেল অনুষ্ঠিত কৰে। সংবাদমেলত বৈজনাথ বাচফৰে চাফাই কৰ্মচাৰীসকলৰ শেহতীয়া দুৰাৱস্থা দেখি উদ্বেগ প্ৰকাশ কৰাৰ লগতে ন্যূনতম মজুৰীত কাম কৰিবলগীয়া পৰিস্থিতিৰ কথা সদৰি কৰে। শীঘ্ৰে এই সমস্যাসমূহ সমাধানৰ আশ্বাস প্ৰদান কৰে অসম ৰাজ্যিক চাফাই কৰ্মচাৰী আয়োগৰ অধ্যক্ষ বৈজনাথ বাচফৰে।

অবৈধ তীৰ খেলৰ বিৰুদ্ধে হাজো আৰক্ষীৰ অভিযান; এজনক আটক



অসম বাৰ্তা, হাজো, ১০ ছেপ্টেম্বৰ ঃ অবৈধ তীৰ খেল আৰু জুৱাৰ বিৰুদ্ধে হাজো আৰক্ষীৰ অভিযান অব্যাহত ৰাখিছে। আজি এক গোপন খবৰৰ ভিত্তিত হাজো আৰক্ষীৰ এটা দলে হাজোৰ কৈৱৰ্ত্তটোলা চ'কত চলোৱা এক অভিযানত এজন কুখ্যাত তীৰ টিকট বুকীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। আটক কৰা ব্যক্তিজন কৈৱৰ্ত্তটোলা নিবাসী গৌতম দাসৰ পুত্ৰ মনোৰঞ্জন দাস ওৰফে মুনু বুলি জানিব পৰা গৈছে। অভিযোগ অনুসৰি দীৰ্ঘদিন ধৰি আৰক্ষীৰ চকুত ধূলি দি তেওঁ এই অবৈধ তীৰ খেলৰ চক্ৰটো চলাই আহিছিল। অভিযানৰ সময়ত আৰক্ষীয়ে অভিযুক্তজনৰ জিম্মাৰ পৰা তীৰ টিকটৰ ফটো সংৰক্ষিত থকা এটা ইনফিনি' (Infinix) মোবাইল ফোন, তীৰৰ নম্বৰ লিখা কাগজ, খেলখনত ব্যৱহাৰ হোৱা ৩খন বুকলেট আৰু নগদ ১৯৩০ টকা জব্দ কৰে। সম্প্ৰতি জব্দকৃত সামগ্ৰীসমূহ সহ অভিযুক্তক হাজো থানালৈ অনা হৈছে আৰু তেওঁৰ বিৰুদ্ধে সংশ্লিষ্ট আইনগত ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি আৰক্ষী সূত্ৰে জানিব পৰা গৈছে। অঞ্চলটোত অব্যাহত থকা এই অবৈধ কাৰ্যকলাপৰ বিৰুদ্ধে আৰক্ষীৰ এনে পদক্ষেপত স্থানীয় নাগৰিকসকলে সন্তোষ প্ৰকাশ কৰিছে যদিও হাজোত তীৰ খেল চলাই থকা প্ৰকৃত মালিক সকলক আৰক্ষীয়ে কেতিয়া কৰায়ত্ত কৰিব সেয়াহে লক্ষণীয় বুলি মত প্ৰকাশ কৰিছে।

আৰক্ষীৰ হাততেই গ্ৰেপ্তাৰ সৰুপথাৰ সমজিলা আৰক্ষী অধীক্ষক দ্বীপেন পাটৰ

অসম বাৰ্তা, সৰুপথাৰ, ১০ ছেপ্টেম্বৰ ঃ সৰুপথাৰ উৰিয়ামঘাট ৰজাপুখুৰী ONGC পাইপ লাইনৰ তেল চুৰি ঘটনাৰ লগত জড়িত থকাৰ অভিযোগত গ্ৰেপ্তাৰ সমজিলা আৰক্ষী অধীক্ষক দ্বীপেন পাটৰ। গোলাঘাট জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষকজন দাসৰ নেতৃত্বত বৃহৎ আৰক্ষী দলে অভিযান চলাই গ্ৰেপ্তাৰ কৰে সৰুপথাৰ সমজিলাৰ CDSP দ্বীপেন পাটৰক। উল্লেখযোগ্য যে ৩ আগষ্ট তাৰিখে আৰক্ষী আৰু অ.এন.জি.চি কৰ্তৃপক্ষৰ যৌথ অভিযানত সৰুপথাৰৰ উৰিয়াঘাট ৰজাপুখুৰী শ্যামগাঁৱত ONGCৰ পাইপ লাইন ফুটা কৰি তেল চুৰি কৰা বহুতো সামগ্ৰী আৰক্ষীয়ে জব্দ কৰি অনুসন্ধান কৰিছিল। সমান্তৰালকৈ ৪ আগষ্টত ঘটনাস্থলীত আৰক্ষীৰ এটা বৃহৎ দল উপস্থিত হৈ পাইপলাইন ফুটা কৰি তেল চুৰি কৰা কাৰ্যত ব্যৱহৃত বিভিন্ন সামগ্ৰী জব্দ কৰিবলৈ সক্ষম হৈছিল যদিও চুৰি কাৰ্যৰ সৈতে জড়িত কোনো লোকক কৰায়ত্ত কৰিব পৰা হোৱা নাছিল। ২৯ আগষ্টত আৰক্ষীৰ জালত পৰিছিল ৰজাপুখুৰীত ONGC পাইপ ফুটা কৰি সংঘটিত কৰা তেলচুৰি কাণ্ডৰ মাষ্টাৰমাইণ্ড। প্ৰথমে গ্ৰেপ্তাৰ হৈছিল উৰিয়াঘাট ৰজাপুখুৰী গাঁৱৰ লক্ষ্মী শ্যাম। গ্ৰেপ্তাৰ হৈছিল ডিব্ৰুগড়ৰ অমিত বৰশইকীয়া আৰু উৰিয়ামঘাট ৰজাপুখুৰীৰ লুকুমণি শ্যাম গোঁহাই নামৰ দুজন মূল অভিযুক্ত। ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত ধুবুৰীৰ গোপাল বৰ্মণ নামৰ এজনকো গ্ৰেপ্তাৰ কৰিছিল আৰক্ষীয়ে। ONGCৰ খাৰুৱা তেল চুৰি কাণ্ডত আজি সৰুপথাৰ সমজিলাৰ CDSP দ্বীপেন পাটৰক সৰুপথাৰত গ্ৰেপ্তাৰ কৰে গোলাঘাট জিলা আৰক্ষীয়ে। বৰ্তমানেও গোলাঘাট জিলা আৰক্ষীৰ জোৰদাৰ তদন্ত অব্যাহত ৰাখিছে। উল্লেখ্য যে, ৰজাপুখুৰী গাঁৱৰ এঘৰ মানুহৰ বাৰীৰ পিছফালে অতিকৈ সংগোপনে অত্যাধুনিক সঁজুলি ব্যৱহাৰ কৰি দীৰ্ঘসময় ধৰি চলাই অহা এই তেল চুৰি কাৰ্যই সমগ্ৰ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰাৰ লগতে সংশ্লিষ্ট কৰ্তৃপক্ষৰ নিৰাপত্তা ব্যৱস্থাক লৈয়ো প্ৰশ্নবোধক চিহ্নৰ সৃষ্টি কৰিছিল। উৰিয়ামঘাটৰ ঘোলাপানী তৈলখাদৰ পৰা তিতাবৰৰ বৰহোলালৈ যোৱা পাইপলাইন ফুটা কৰি শ্যামগাঁৱৰ এঘৰ লোকৰ ঘৰৰ বাৰীৰ পিছফালে অতিকৈ সংগোপনে এই চুৰিকাণ্ড সংঘটিত কৰি অহা হৈছিল, যিটো দুষ্ট চক্ৰটোৰ বাবে ধন ঘটাৰ এক সহজ আহিলালৈ ৰূপান্তৰিত হৈছিল। য'ত সৰুপথাৰ সমজিলা আৰক্ষী অধীক্ষক দ্বীপেন পাটৰৰ নাম সাঙুৰ খোৱাত আজি গোলাঘাট আৰক্ষীয়ে সৰুপথাৰত গ্ৰেপ্তাৰ কৰে। এতিয়া প্ৰশ্ন হৈছে অ.এন.জি.চিৰ কোনো বিষয়া বা কৰ্মচাৰী জড়িত আছে নেকি পৰৱৰ্তী তদন্তত পোহৰলৈ আহিব।

অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী গীতা কলিতালৈ দীন-জ্যোতি শিক্ষা সাধন বঁটা ২০২৬ প্ৰদান

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১০ ছেপ্টেম্বৰ ঃ শিক্ষক দিৱসৰ লগত সংগতি ৰাখি গুৱাহাটী স্থিত স্বেচ্ছাসেৱী অনুষ্ঠান 'দীন-জ্যোতি ফাউণ্ডেশ্যন'ৰ চতুৰ্থ বাৰ্ষিক অধিৱেশন উপলক্ষে ৪ ছেপ্তম্বৰত ২০২৬ আবেলি ৩ বজাৰ পৰা জ্যোতি চিত্ৰবন, কাহিলীপাৰা'ত এক বৰ্ণাঢ্য আৰু মনোজ্ঞ কাৰ্যসূচীৰে এটি গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠান অনুষ্ঠিত হৈ যায়। উক্ত অনুষ্ঠানত অসমৰ বিভিন্ন অঞ্চলত শৈক্ষিক ক্ষেত্ৰখনলৈ আগবঢ়োৱা অৱদানৰ বাবে 'দীন-জ্যোতি ফাউণ্ডেশ্যন'ৰ চতুৰ্থ বাৰ্ষিক অধিৱেশনত নগাঁও মৰিকলং উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী লেখিকা তথা সাহিত্যিক শ্ৰীযুতা গীতা কলিতালৈ শিক্ষা জগতখনলৈ আগবঢ়োৱা জীৱনজোৱা অসামান্য অৱদানৰ প্ৰতি সম্মান জনাই 'দীন-জ্যোতি শিক্ষা সাধনা বঁটা-২০২৬' প্ৰদান কৰে। এই বঁটাত এখনি ফুলাম গামোচা, এটি স্মাৰক আৰু এখনি মানপত্ৰ প্ৰদান কৰে। বঁটা গ্ৰহণ কৰি তেখেতে কয় যে "শিক্ষক হৈছে এনে এগছি বন্তি যি নিজে আন্ধাৰত থাকি ছাত্ৰক পোহৰ বিলাবলৈ কুণ্ঠাবোধ নকৰে। বৰ্তমান ইণ্টাৰনেটৰ যুগত শিক্ষা যিমানেই সুলভ নহওক গুৰু আৰু ছাত্ৰৰ যি সম্পৰ্ক সেইয়া কেতিয়াও অন্ত কৰিব নোৱাৰে।" উক্ত গাম্ভীৰ্যপূৰ্ণ বঁটা প্ৰদান অনুষ্ঠানত অতিথি হিচাপে উপস্থিত আছিল মুকাভিনয় শিল্পী মইনুল হক, মনীষা হাজৰিকা, অসীম শইকয়া, বন্দনা বৰঠাকুৰ ইত্যাদি। উক্ত অনুষ্ঠানত বিভিন্ন সাংস্কৃতিক অনুষ্ঠান আৰু ছাত্ৰ-ছাত্ৰী সকলৰ মাজত অনুষ্ঠিত হৈ যোৱা প্ৰতিযোগিতা সমূহৰো পুৰস্কাৰ প্ৰদান কৰা হয়।

দৰঙৰ ঐতিহ্যমণ্ডিত নাপ্তাপাৰা মহাভৈৰৱ মন্দিত বিশ্ব শান্তি উদ্দেশ্যে অনুষ্ঠিত হোৱা সপ্তম বাৰ্ষিক শিৱ পূজা আৰু যজ্ঞানুষ্ঠানৰ সফল সামৰণি

অসম বাৰ্তা, খৈৰাবাৰী, ১০ ছেপ্টেম্বৰ ঃ আধ্যাত্মিক ভক্তি ৰসৰ মাজেৰে বিশ্ব শান্তি ভাতৃত্ববোধ আৰু অপায় অমঙ্গল পৰিত্ৰাণৰ বাবে যোৱা ৯ ছেপ্তেম্বৰ বুধবাৰে অনুষ্ঠিত হয় সপ্তম বাৰ্ষিক চতুঃপ্ৰহৰৰ শিৱ পূজা আৰু যজ্ঞানুষ্ঠানৰ। দৰঙ জিলাৰ ঐতিহ্যমণ্ডিত নাপ্তাপাৰা মহাভৈৰৱ মন্দিৰ প্ৰাঙ্গণত ৰাতিপুৱা বন বিৰিখ সেৱাত উপস্থিত থাকে ওদালগুৰি জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, সাহিত্যিক পুনুৰাম কলিতা, অৱসৰী শিক্ষক মণ্টু শৰ্মা উপেন ভট্ট, কন্দৰ্প নাথ আৰু গণেশ কলিতা, ইয়াৰ পিছত গছ পুলি ৰোপণ, বাবাধাম সেৱা সমিতিৰ পতাকা উত্তোলন, ধৰ্মধ্বজা উত্তোলন, যজ্ঞধ্বজা উত্তোলন, মুখ্য তোৰণ উন্মোচন, আদৰণি তোৰণ উন্মোচন, শিৱ পুৰাণ শোভাযাত্ৰা আৰু স্থাপনৰ পিচত আয়তিৰ নাম পৰিৱেশন কৰে। ইয়াৰ পিছতে দেওমৰনৈ সমলাৰ জ্যোতিষ ৰত্ন ড° নয়নজ্যোতি শৰ্মাই সন্ধিয়া অক্ষয় বন্তি প্ৰজ্বলন কৰাৰ লগে-লগে চতুঃপ্ৰহৰৰ পূজা শুভাৰম্ভ কৰে। ইয়াৰ উপৰিও সমূহীয়া ভোটা প্ৰজ্বলন কৰে অবিভক্ত দৰঙ জিলা কলিতা জনগোষ্ঠী সন্মিলনৰ সভাপতি কৰুণা সিন্ধু ডেকাই। ডেকাই ভাষণত দৰঙ জিলা বাবাধাম সেৱা সমিতিৰ উদ্যোক্তা সকলক বিগত সাত বছৰে একাধাৰে শিৱ পূজা আৰু যজ্ঞানুষ্ঠান অনুষ্ঠিত কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰি কয় সমাজ সচেতনত একমাত্ৰ আধ্যাত্মিক পৰিৱেশে বিশেষ ভাবে প্ৰভাৱ বিস্তাৰ কৰিব পাৰে। ভগৱানৰ পূজা অৰ্চনাৰ যোগেদি মানুহৰ মাজত একতাৰ ভাৱ জাগ্ৰত হোৱাৰ উপৰিও সমাজৰ পৰা আশোৰা বিলাক দূৰ হৈ মানুহৰ মাজত মৰম চেনেহ জন্মে আৰু এখন সুস্থ সমাজ গঢ়ি উঠে। শিৱ পূজা আৰু যজ্ঞানুষ্ঠানত দৰং ওদালগুৰি জিলাৰ বিভিন্ন প্ৰান্তৰ শিৱ ভক্ত সকলে হাতে হাতে শৰাই নৈবেদ্য লৈ বাবাধামত ভগৱান শিৱৰ আশিষপুষ্ট হোৱা দেখা যায়। সন্ধিয়া আয়তি নাম দল শুভ উদ্বোধন কৰে দিপীলা-নগাঁও গাঁও প্ৰধান জিতেন কলিতাই। উল্লেখ্য যে চতুঃপ্ৰহৰৰ শিৱ পূজাৰ মুখ্য পুৰোহিত হিচাপে পূজা পাঠ কৰে নাপ্তাপাৰাৰ চক্ৰধৰ শৰ্মাই। অন্যহাতে বাবা ভক্তৰ দ্বাৰা সমূহীয়া নাম-কীৰ্ত্তনেৰে অনুষ্ঠানৰ সফল সামৰণি পৰে।

১৬ জনীয়া নতুন কমিটিত সভাপতি নবীৰ হোছেইন, উপ-সভাপতি নাছিৰ উদ্দিন

সৃজনগ্ৰাম শিক্ষাখণ্ডৰ অন্তৰ্গত বৃহত্তৰ কাছাৰীপেটী হাইস্কুলৰ নতুন পৰিচালনা কমিটি গঠন

অসম বাৰ্তা, অভয়াপুৰী, ১০ ছেপ্টেম্বৰ ঃ বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম শিক্ষাখণ্ডৰ অন্তৰ্গত বৃহত্তৰ কাছাৰীপেটী হাইস্কুলৰ নতুন পৰিচালনা কমিটিখন আজি শান্তিপূৰ্ণভাৱে গঠন কৰা হয়। বিদ্যালয়খনৰ প্ৰাংগণত অধিবক্তা মফিদুল ইছলামৰ সভাপতিত্বত অনুষ্ঠিত সভাত কেইবা শতাধিক ছাত্ৰ-ছাত্ৰীৰ অভিভাৱক তথা স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে বিদ্যালয়খনৰ প্ৰধান শিক্ষক জহিৰুল ইছলামে। সভাত পৰ্যবেক্ষক হিচাপে উপস্থিত থাকে চি আৰ চি চি মজিবৰ ৰহমান। বিদ্যালয় পৰিচালনা কমিটী গঠনৰ বাবে বিভাগীয় নীতি-নিৰ্দেশনা তথা গাইডলাইন অনুসৰি সদস্য-সদস্যা নিৰ্বাচন কৰা হয়। সভাত সৰ্বসন্মতিক্ৰমে মুঠ ১৬ জনীয়া পৰিচালনা কমিটী গঠন কৰা হয়। নতুন কমিটীত নবীৰ হোছেইনক সভাপতি আৰু নাছিৰ উদ্দিনক উপ-সভাপতি হিচাপে নিৰ্বাচিত কৰা হয়। সভাখনত বিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশ, আন্তঃগাঁথনি আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ অভাৱকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা কৰা হয়। উল্লেখ্য যে বৃহত্তৰ কাছাৰীপেটী অঞ্চলৰ একমাত্ৰ গুৰুত্বপূৰ্ণ শিক্ষানুষ্ঠান হিচাপে পৰিচিত কাছাৰীপেটী হাইস্কুলখনত বৰ্তমান ছাত্ৰ-ছাত্ৰীৰ সংখ্যাৰ অনুপাতে পৰ্যাপ্ত শিক্ষক-শিক্ষয়িত্ৰী নাই বুলি অভিভাৱক তথা স্থানীয় ৰাইজে অভিযোগ কৰিছে। ফলত বিদ্যালয়খনৰ শৈক্ষিক কাৰ্যসূচী সুচাৰুৰূপে পৰিচালনা কৰাত বিভিন্ন অসুবিধাৰ সৃষ্টি হোৱা বুলি তেওঁলোকে উল্লেখ কৰে। আনহাতে, দুৰ্গম অঞ্চলটোৰ বহু ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়খনৰ পৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত উচ্চ শিক্ষাৰ বাবে বহু দূৰ-দূৰণিৰ শিক্ষানুষ্ঠানলৈ যাবলগীয়া হয়। ইয়াৰ ফলত আৰ্থিকভাৱে দুৰ্বল পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীয়ে বিশেষ অসুবিধাৰ সন্মুখীন হ'বলগীয়া হয় বুলি স্থানীয় ৰাইজে মত প্ৰকাশ কৰে। সেয়ে কাছাৰীপেটী হাইস্কুলত ছাত্ৰ-ছাত্ৰীৰ সংখ্যাৰ অনুপাতে পৰ্যাপ্ত শিক্ষক-শিক্ষয়িত্ৰী নিযুক্তি দিয়াৰ লগতে বিদ্যালয়খনক হাইস্কুল পৰ্যায়ৰ পৰা উচ্চতৰ মাধ্যমিক (Higher Secondary) পৰ্যায়লৈ উন্নীত কৰাৰ বাবে শিক্ষা বিভাগৰ ওচৰত দাবী জনাইছে স্থানীয় ৰাইজে। নতুন পৰিচালনা কমিটীখনে বিদ্যালয়খনৰ শৈক্ষিক উন্নয়নৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি অভিভাৱক আৰু স্থানীয় ৰাইজে আশা প্ৰকাশ কৰে।

পদ্মশ্ৰী এলি আহমেদৰ পৰিচৰ্যাৰ বাবে নাজিৰালৈ অনাৰ সন্দৰ্ভত বৈঠক

অসম বাৰ্তা, নামতি, ১০ ছেপ্টেম্বৰ ঃ পদ্মশ্ৰী এলি আহমেদ দীৰ্ঘদিন অসুস্থতাৰ বাবে পৰিচৰ্যাৰ ক্ষেত্ৰত গুৱাহাটীৰ চিকিৎসা মহাবিদ্যালয়ৰ কৰ্তৃপক্ষ যথেষ্ট অসুবিধাৰ সন্মুখীন হোৱা পৰিলক্ষিত হৈছে। তেখেতক নাজিৰাৰ স্বেচ্ছাসেৱী সংস্থা হিউমেন ৱেলফেয়াৰ ছ'চাইটিৰ হাতীপটিস্থ জ্যোতি গৃহলৈ অনাৰ প্ৰয়াস কৰা হয়। বিশিষ্ট লেখিকা তথা বোলছবি প্ৰণেতা পদ্মশ্ৰী এলি আহমেদক নাজিৰালৈ অনাৰ সন্দৰ্ভত নাজিৰা সমজিলা আয়ুক্তই শিৱসাগৰ স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালকলৈ তেখেতৰ স্বাস্থ্যৰ সমন্ধে দিয়া পত্ৰৰ ওপৰত শিৱসাগৰ স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালকে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ অধীক্ষকলৈ পত্ৰ প্ৰেৰণ কৰিছিল। ইতিমধ্যে পদ্মশ্ৰী এলি আহমেদৰ স্বাস্থ্য সম্বন্ধীয় তথ্য গুৱাহাটী চিকিৎসা মহাবিদ্যায়ৰ অধ্যক্ষই শিৱসাগৰ জিলা আয়ুক্ত, নাজিৰা সমজিলা আয়ুক্ত আৰু জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালকলৈ পঠাইছে বুলি হিউমেন ৱেলফেয়াৰ ছ'চাইটিৰ সঞ্চালক নাচেৰ খানক ফোন যোগে জানিব দিয়ে। সেই সম্বন্ধে কালি পুনৰ হিউমেন ৱেলফেয়াৰ ছ'চাইটিৰ আহ্বান ক্ৰমে চূড়ান্ত বৈঠক অনুষ্ঠিত হয়। ছ'চাইটিৰ সভাপতি মহেন্দ্ৰ ভূঞাৰ সভাপতিত্বত অনুষ্ঠিত বৈঠকত সকলোৰে বিষয়টোৰ ওপৰত নিজ নিজ বক্তব্য দাঙি ধৰাৰ লগতে অতি শীঘ্ৰে পদ্মশ্ৰী এলি আহমেদক নাজিৰালৈ অনাৰ প্ৰস্তুতি অন্তিম পৰ্য্যায়ত আছে বুলি ছ'চাইটিৰ সঞ্চালক নাছেৰ খানে সদনক জানিবলৈ দিয়ে। সভাত হিউমেন ৱেলফেয়াৰ ছ'চাইটিৰ সভাপতি মহেন্দ্ৰ ভূঞা, উপ-সভানেত্ৰী দীপালী স্বৰ্গিয়াৰী, সঞ্চালক নাছেৰ খান নাজিৰা নাগৰিক সমিতিৰ সভাপতি প্ৰভাত বৰঠাকুৰ, উপ-সভাপতি মঃ আবুল কালাম শ্বাহ, সম্পাদক বিমল আগৰৱালা, ৰাছিম আহমেদ, গেলেকীৰ জ্যেষ্ঠ নাগৰিকৰ অকণি পাংগিং, গেলেকী স্বৰ্ণ শাখা সাহিত্য সভাৰ সম্পাদিকা নীলিমা গগৈৰ লগতে পদ্মশ্ৰী এলি আহমেদৰ ভাই-বোৱাৰী তথা অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী যাছমিনাৰা ৰাজ্জাক উপস্থিত থাকি নিজ নিজ বক্তব্য প্ৰদান কৰে।

ডুমডুমাৰ কৃতী সন্তান, সু-সাহিত্যিক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি যোগেশ দাসক স্মৰণ ডুমডুমা শাখা সাহিত্য সভাৰ

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১০ ছেপ্টেম্বৰ ঃ ডুমডুমা শতদল শাখা সাহিত্য সভাই যোৱা ৯ ছেপ্টেম্বৰৰ সন্ধিয়া শাখাৰ ভৱনত ডুমডুমাৰ কৃতী সন্তান, সু-সাহিত্যিক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি প্ৰয়াত যোগেশ দাসৰ স্মৃতি দিৱসটিত এটি স্মৃতিচাৰণ অনুষ্ঠান অনুষ্ঠিত কৰে। এইঅনুষ্ঠানৰ আৰম্ভণিতে যোগেশ দাসৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে ডুমডুমা শতদল শাখা সাহিত্য সভাৰ সভাপতি দেবেন ডেকাই আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি কৰে তিনিচুকীযা জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অৰ্জুন বৰুৱাই। ইয়াৰ পাছতে শাখাৰ সভাপতি দেবেন ডেকাৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা স্মৃতিচাৰণ অনুষ্ঠানত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে শাখাৰ অন্যতম সহকাৰী সম্পাদক জোনালী শইকীয়া ডেকাই। এই সভাত যোগেশ দাসৰ জীৱনৰ বিভিন্ন দিশ আৰু সাহিত্য কৃতিৰ ওপৰত বক্তব্য প্ৰদান কৰে ডুমডুমাৰ হুনলাল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক গৌৰী শঙ্কৰ চেতিয়া, শাখাৰ প্ৰাক্তন উপ সভাপতি জয়সূৰ্য বৰা আৰু বিশিষ্ট সমাজকৰ্মী ৰাচিফ ৰহমানে। কণ্ঠশিল্পী অনামিকা লহকৰে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ এটি গীত পৰিৱেশন কৰা এই অনুষ্ঠানতে ডুমডুমাৰ জীয়ৰী তথা সুদূৰ বাংগালোৰত বসবাস কৰা ৰুণী ৰাহেবে যোগেশ দাসৰ সৈতে থকা ঘৰুৱা আৰু সাহিত্যিক জীৱনৰ সম্পৰ্কৰ ওপৰত লিখি পঠিওৱা এটি লেখনি পাঠ কৰে দেবেন ডেকাই। এই স্মৃতিচাৰণ সভাত ডুমডুমা শতদল শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বিমলা বৰুৱা, ডুমডুমা উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ অধ্যক্ষ সংগীতা বৰকাকতি, অসমীয়া যুব মঞ্চৰ ডুমডুমা আঞ্চলিক সমিতিৰ সভাপতি মানস শৰ্মা, সভাৰ আজীৱন সভ্য সাৰংগ নাথ, ৰীমা ডেকা, নমী বৰঠাকুৰ শৰ্মা, প্ৰবীণ মজুমদাৰ, ডুমডুমা শতদল শাখা সাহিত্য সভাৰ কাৰ্যালয় সম্পাদক কুলধৰ বৰ্মন তথা ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। শেষত জাতীয় সংগীতেৰে অনুষ্ঠানৰ সামৰণি মৰা হয়।

তিনিচুকীয়াত বাঁহ খেতিত বৈজ্ঞানিক বিপ্লৱৰ পদক্ষেপ; ২,২৫০ পুলি বিতৰণ



অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১০ ছেপ্টেম্বৰ ঃ বাঁহৰ অৰ্থনৈতিক সম্ভাৱনাক অধিক কাৰ্যকৰীভাৱে ব্যৱহাৰ কৰাৰ লগতে গ্ৰামাঞ্চলত সেউজ আৱৰণ বৃদ্ধিৰ লক্ষ্যৰে কৃষি বিজ্ঞান কেন্দ্ৰ, তিনিচুকীয়াই জিলাখনত বৈজ্ঞানিক পদ্ধতিৰে বাঁহ খেতিৰ এক বিশেষ কাৰ্যসূচী আৰম্ভ কৰিছে। তিনিচুকীয়াৰ গেলাপুখুৰীত অৱস্থিত কৃষি বিজ্ঞান কেন্দ্ৰটোৱে অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাটৰ সম্প্ৰসাৰণ শিক্ষা সঞ্চালকালয়ৰ তত্ত্বাৱধানত আৰু অসম ৰাজ্যিক বাঁহ অভিযানৰ আৰ্থিক সহযোগিতাত এই কাৰ্যসূচী ৰূপায়ণ কৰিছে। কাৰ্যসূচীৰ জৰিয়তে কৃষকসকলক বৈজ্ঞানিক পদ্ধতিৰে বাঁহ খেতিৰ প্ৰতি উৎসাহিত কৰাৰ লগতে বাঁহভিত্তিক জীৱিকাৰ সুযোগ সৃষ্টি, কৃষকৰ উপাৰ্জন বৃদ্ধি আৰু বাঁহ সম্পদৰ সঠিক ব্যৱহাৰৰ ওপৰত গুৰুত্ব দিয়া হৈছে। কৃষকসকলক উদ্দেশ্যি কৃষি বিজ্ঞান কেন্দ্ৰ, তিনিচুকীয়াৰ জ্যেষ্ঠ বিজ্ঞানী তথা মূৰব্বী ড° হেমচন্দ্ৰ শইকীয়াই বাঁহ খেতিৰ ক্ষেত্ৰত অনুমোদিত বৈজ্ঞানিক পদ্ধতি গ্ৰহণ কৰিবলৈ আহ্বান জনায়। তেওঁ বাঁহৰ অৰ্থনৈতিক আৰু পৰিৱেশগত গুৰুত্বৰ কথা উল্লেখ কৰি বাঁহভিত্তিক উদ্যোগ, ঘৰুৱা ব্যৱহাৰ, কাৰ্বন ট্ৰেডিং আৰু সেউজ শক্তিৰ ক্ষেত্ৰত ইয়াৰ বিপুল সম্ভাৱনাৰ কথা দাঙি ধৰে। এই কাৰ্যসূচী ডুমডুমা, মাকুম আৰু ডিগবৈ উন্নয়ন খণ্ডৰ মুঠ পাঁচ হেক্টৰ ভূমিত ৰূপায়ণ কৰা হ'ব। কাৰ্যসূচীৰ অধীনত ইতিমধ্যে কৃষকসকলৰ মাজত ২, ২৫০টা উন্নতমানৰ বাঁহৰ পুলি আৰু সাৰ বিনামূলীয়াকৈ বিতৰণ কৰা হৈছে। অসম কৃষি বিশ্ববিদ্যালয়ৰ সম্প্ৰসাৰণ শিক্ষা সঞ্চালক ড° মনোৰঞ্জন নেওগ আৰু নডেল বিষয়া ড° ৰূপজ্যোতি বৰাৰ নিৰ্দেশনাত কাৰ্যসূচীটো ৰূপায়ণ কৰা হৈছে। কৃষি বিজ্ঞান কেন্দ্ৰ, তিনিচুকীয়াৰ প্ৰিয়ংকা আমংগে নডেল বিষয়া আৰু ড° সঞ্চয়িতা গোহাঁইয়ে সহ-নডেল বিষয়া হিচাপে দায়িত্ব পালন কৰিছে। কৃষি বিজ্ঞান কেন্দ্ৰৰ বিজ্ঞানীসকলে নিয়মীয়াকৈ বাঁহ বাগিচা পৰিদৰ্শন কৰি কৃষকসকলক কাৰিকৰী পৰামৰ্শ আগবঢ়াব। এই উদ্যোগে জিলাখনত বাঁহভিত্তিক অৰ্থনীতি আৰু গ্ৰাম্য জীৱিকালৈ নতুন গতি আনিব বুলি আশা কৰা হৈছে।

ৰাজহুৱা স্থানত সুৰাপান কৰি উপদ্ৰৱ; ডুমডুমাত ১৩ জনক আটক

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১০ ছেপ্টেম্বৰ ঃ ৰাজহুৱা স্থানত সুৰাপান কৰি উপদ্ৰৱ সৃষ্টি কৰাৰ অভিযোগত ডুমডুমা আৰক্ষীয়ে বুধবাৰে অভিযান চলাই ১৩জন লোকক আটক কৰে। ডুমডুমা থানাৰ আৰক্ষীয়ে জানিবলৈ দিয়া মতে, আটকাধীন লোককেইজন হৈছে উত্তম প্ৰসাদ (২৬), পংকজ প্ৰসাদ (২৮), শ্ৰীকন্দ সিং (৪৭), আকাশ দাস (২৩), অনিমেশ মল্লিক (২৩), বীৰু তাঁতী (৩৯), ৰাজ ভূইহাৰ (২৯), ৰাহুল বৰুৱা (৩২), অনুপ তাঁতী (২৮), নীল বিশ্বাস (৪২), জিতু গুপ্তা, ডিম্পু দাস (৩১) আৰু পাৰ্থ বিশ্বাস (৩২)। আৰক্ষীৰ মতে, লোককেইজন ডুমডুমা থানাৰ অন্তৰ্গত কুমাৰ পট্টী, হানচৰা, তালাপ টেঙা গাঁও, ৰূপাই চাইডিং, ৰূপবন, ডনবস্কোৰ সমীপৰ বিছাকুপি আৰু ছুক্ৰেটিং অঞ্চলৰ বাসিন্দা। ৰাজহুৱা স্থানত সুৰাপান কৰি সাধাৰণ লোকৰ অসুবিধাৰ সৃষ্টি কৰাৰ লগতে শান্তি-শৃংখলা বিঘ্নিত কৰাৰ অভিযোগত আৰক্ষীয়ে লোককেইজনৰ বিৰুদ্ধে এই ব্যৱস্থা গ্ৰহণ কৰে। ৰাজহুৱা স্থানত অনাকাংক্ষিত পৰিস্থিতি ৰোধ কৰি আইন-শৃংখলা বজাই ৰখাৰ লক্ষ্যৰে আৰক্ষীয়ে এনে অভিযান অব্যাহত ৰাখিছে।

কৃষ্ণাই হাব্ৰাঘাট মহাবিদ্যালয়ত ইণ্টেনচিভ আই.ই.চি. কেম্পেইনৰ গোৱালপাৰা জিলাৰ কেম্পেইনটো আনুষ্ঠানিকভাৱে শুভ উদ্বোধন

অসম বাৰ্তা, কৃষ্ণাই, ১০ ছেপ্টেম্বৰ ঃ গোৱালপাৰা জিলাৰ কৃষ্ণাই হাব্ৰাঘাট মহাবিদ্যালয়ত আজি ইণ্টেনচিভ আই ই চি কেম্পেইনৰ গোৱালপাৰা জিলাৰ কেম্পেইনটো আনুষ্ঠানিক ভাৱে শুভ উদ্বোধন কৰা হয়। গুৱাহাটী খানাপাৰাস্থিত এইডচ্ কণ্ট্ৰ'ল চছাইটিৰ সৌজন্যত, গোৱালপাৰা জিলা হেলথ্ চছাইটি আৰু গোৱালপাৰা জিলা এইডচ্ কণ্ট্ৰ'ল চছাইটিৰ যুটীয়া উদ্যোগত আৰু হাব্ৰাঘাট মহাবিদ্যালয়ৰ এনএছএছ আৰু ৰেড ৰিবন ক্লাবৰ সহযোগত এই ইণ্টেনচিভ আই চি কেম্পেইন প্ৰগামটো আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। আজিৰ অনুষ্ঠান সন্দৰ্ভত হাব্ৰাঘাট মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মণ্টু কুমাৰ দাসে কয় যে এই কেম্পেইনৰ মূল লক্ষ্য আৰু উদ্দেশ্য হৈছে বিদ্যালয়, মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা গ্ৰামাঞ্চলৰ সৰ্বসাধাৰণ ৰাইজৰ মাজত এইডচৰ সজাগতা মূলক কাৰ্যসূচী গ্ৰহণ কৰি এইডচ্ সম্পৰ্কে বহলাই আলোচনা কৰি এইডচৰ সংক্ৰমণ কেনেদৰে প্ৰতিহত কৰিব পাৰি সেই বিষয়ে সজাগতা সৃষ্টি কৰা। তেওঁ কয় যে আজিৰ অনুষ্ঠানত এইডচ্ কণ্ট্ৰল চছাইটিয়ে জনোৱা মতে এইবছৰ বৃহত্তৰ কৃষ্ণাই অঞ্চলত বহু কেইটা এইচআইভি পজিটিভ ৰোগী চিনাক্ত হৈছে। এয়া সঁচাই উদ্বেগ জনক কথা আৰু চিন্তনীয় বিষয়। সেয়ে কৃষ্ণাই বাসী ৰাইজক এইডচ্ সন্দৰ্ভত বিশেষভাৱে সজাগ কৰা কাৰণে তেওঁলোকে এই প্ৰগ্ৰেমটোৰ উদ্বোধন কাৰ্যসূচী কৃষ্ণাইতে ৰাখিলে। এইদৰে কয় ড° মণ্টু কুমাৰ দাসে। অধ্যক্ষ ড° দাসে জানিবলৈ দিয়া মতে আজিৰ অনুষ্ঠানখন গোৱালপাৰা জিলা আয়ুক্তই শুভ উদ্বোধন কৰাৰ কথা আছিল বিশেষ কাৰণত তেওঁ উপস্থিত হ'ব নোৱাৰিলে। আয়ুক্তৰ অনুপস্থিতিত স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃ জোনবিৰ দাসে অনুষ্ঠানখন শুভ উদ্বোধন কৰে। অনুষ্ঠানত এইডচ্ কণ্ট্ৰল চছাইটিৰ ফালৰ পৰা ডাঃ আব্দুচ চালাম, মহাবিদ্যালয়খনৰ বহু কেইগৰাকী অধ্যাপক অধ্যাপিকা আৰু ছাত্ৰছাত্ৰী সকল উপস্থিত থাকে।

বৃহত্তৰ শিমলুগুৰিৰ জুবিন অনুৰাগীৰ উদ্যোগত প্ৰথম বাৰ্ষিক জুবিন দিৱস উদ্‌যাপনৰ প্ৰস্তুতি

অসম বাৰ্তা, নামতি, ১০ ছেপ্টেম্বৰ ঃ অসম আৰু অসমীয়াৰ হিয়াৰ আমঠু, যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰব সূৰ্য কণ্ঠী জুবিন গাৰ্গৰ প্ৰথম বাৰ্ষিক মহাপ্ৰলয়ৰ দিন ১৯ ছেপ্টেম্বৰত জুবিন অনুৰাগীৰ উদ্যোগত সমগ্ৰ অসমৰ প্ৰান্তে প্ৰান্তে "জুবিন দিৱস" হিচাপে উদ্‌যাপনৰ প্ৰস্তুতি চলোৱা হৈছে। নাজিৰাৰ শিমলুগুৰি বৰকলা পথৰ প্ৰাথমিক বিদ্যালয়ৰ সমীপত বৃহত্তৰ শিমলুগুৰিৰ জুবিন অনুৰাগীৰ উদ্যোগতো অহা ১৯ ছেপ্টেম্বৰত জুবিন দিৱস উদযাপনৰ ব্যাপক আয়োজন কৰিছে। দিনজোৰাকৈ আয়োজন কৰা কাৰ্যসূচী অনুসৰি পুৱা পৰিৱেশ নিকাকৰণ, গছপুলি ৰোপণ, স্মৃতি তৰ্পণ আৰু প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে সৰ্বধৰ্মীয় প্ৰাৰ্থনাৰ পিছতে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত চিত্ৰাংকন আৰু ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব। বিয়লি জুবিন গাৰ্গৰ আদৰ্শেৰে সদ্য বানপীড়িত ৰাইজক বান সাহায্য বিতৰণ আৰু কণকণ শিশু সকলৰ দ্বাৰা জুবিন গাৰ্গৰ গীত পৰিৱেশন অনুষ্ঠান অনুষ্ঠিত হ'ব। সন্ধিয়া শোভাযাত্ৰা আৰু প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ পিছতে মুকলি সভা অনুষ্ঠিত হ'ব। উক্ত সভাতে প্ৰতিযোগিতাৰ বিজয়ী সকলক বঁটা প্ৰদান কৰা হ'ব। নিশা ৮-৩০ বজাৰ পৰা জুবিন গাৰ্গৰ সোঁৱৰণী সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব বিশিষ্ট সাংস্কৃতিক কৰ্মী অংকুৰ শইকীয়াই। অনুষ্ঠানত প্ৰবীণ সংগীত শিল্পী দিলীপ দাসে মুখ্য অতিথি হিচাপে উপস্থিত থাকিব আৰু মায়াবিনী সাংস্কৃতিক সন্ধিয়াৰ অনুষ্ঠানত ৰাজু কুমাৰ, মাধুৰ্য বুঢ়াগোহাঁই, নেহৰাল, ঋতু প্ৰিয়া গগৈ, ৰশ্মিতা লাহন, প্ৰজ্ঞান শইকীয়া আৰু সমীৰ চিন্ময়ৰ সংগীতানুষ্ঠান পৰিৱেশন কৰা হ'ব। উক্ত সমূহ অনুষ্ঠানতে ৰাইজৰ সহযোগ তথা উপস্থিতিৰ বাবে উদ্যোক্তা সমিতিৰ সভাপতি মহেন্দ্ৰ সন্দিকৈ আৰু সম্পাদক বিতু পন (সোণটো) গগৈয়ে অনুৰোধ জনাইছে।

নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচন উপলক্ষে এছেম্বলী লেভেল মাষ্টাৰ ট্ৰেইনাৰসকলৰ প্ৰশিক্ষণ অনুষ্ঠিত

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১০ ছেপ্টেম্বৰ ঃ আগন্তুক নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ সফল, সুশৃংখল আৰু স্বচ্ছ পৰিচালনাৰ লক্ষ্যৰে আজি মৰিগাঁও জিলাৰ পবিতৰা হাটত এছেম্বলী লেভেল মাষ্টাৰ ট্ৰেইনাৰ (ALMT)সকলৰ এক প্ৰশিক্ষণ কাৰ্যসূচী সফলভাৱে অনুষ্ঠিত হয়। প্ৰশিক্ষণত নিৰ্বাচনী প্ৰক্ৰিয়াৰ বিভিন্ন দিশ, ভোটগ্ৰহণ সম্পৰ্কীয় দায়িত্ব, বিধি-নিৰ্দেশনা আৰু দক্ষ প্ৰশিক্ষণ পদ্ধতিৰ ওপৰত বিস্তৃত আলোচনা কৰা হয়, যাতে মাষ্টাৰ ট্ৰেইনাৰসকলে তলস্তৰৰ নিৰ্বাচনী কৰ্মচাৰীসকলক ফলপ্ৰসূভাৱে প্ৰশিক্ষণ প্ৰদান কৰিব পাৰে। কাৰ্যসূচীত অতিৰিক্ত জিলা আয়ুক্ত ডাঃ নীলাক্ষী বৈশ্য, ACS উপস্থিত থাকি অংশগ্ৰহণকাৰীসকলৰ সৈতে মত-বিনিময় কৰে আৰু নিৰ্বাচনী দায়িত্ব নিষ্ঠা, নিৰপেক্ষতা আৰু পেছাদাৰী মনোভাৱে পালন কৰিবলৈ আহ্বান জনায়।

দেৰগাঁৱৰ গন্ধিয়া গাঁৱত ভয়ংকৰ পথ দুৰ্ঘটনা

থিতাতে নিহত এজন, আনজন সংকটজনক অৱস্থাত

অসম বাৰ্তা, দেৰগাঁও, ১০ ছেপ্টেম্বৰ ঃ দেৰগাঁৱৰ গন্ধিয়া গাঁৱত সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাত এজন লোক নিহত হোৱাৰ লগতে আন এজন গুৰুতৰভাৱে আহত হয়। দুৰ্ঘটনাত নিহত লোকজন বেটিয়নী গাঁৱৰ অমৰজিৎ গোস্বামী বুলি জানিব পৰা গৈছে। জানিব পৰা মতে, দুৰ্ঘটনাটোত অমৰজিৎ গোস্বামীৰ পুত্ৰ অংশুমান গোস্বামীও গুৰুতৰভাৱে আহত হয় আৰু বৰ্তমান তেওঁৰ অৱস্থা অতি সংকটজনক বুলি জানিব পৰা গৈছে। আনহাতে, দুৰ্ঘটনাত জড়িত কেঁচা চাহপাত কঢ়িয়াই অনা বাহনখনৰ চালকজন কুৱালগুৰি যোগনিয়াৰ জেলমণি গাঁৱৰ হিৰকজ্যোতি দাস বুলি জানিব পৰা গৈছে। বাহনখনৰ পঞ্জীয়ন নম্বৰ AS 06 BC 2908। দুৰ্ঘটনাৰ সঠিক কাৰণ বৰ্তমানলৈকে জানিব পৰা হোৱা নাই। ঘটনাক কেন্দ্ৰ কৰি অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◂◂ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▸▸
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন